● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

আপুনি নিজৰ কামৰ দ্বাৰাই থিয় দিব অথবা বাগৰি পৰিব। মনত ৰাখিব, এই যুঁজত আন কাৰোবাক সাঙুৰিব খোজাটো সময়ৰ অপচয় মাথোঁ।

ৰুদয়াৰ্ড কিপলিং
*ইংৰাজ কবি*



www.dainikagradoot.in

৭ গৰ্ভপাত নিষিদ্ধকৰণৰ বিৰুদ্ধে প্ৰতিবাদ আমেৰিকাত
১৫ ভাৰত-ইংলণ্ড টেষ্টৰ প্ৰাক্কক্ষণত কৰ'নাৰ ত্ৰাস
৪ বৰ্তমান দেশত আটাইতকৈ ভয়াৱহ সুদূৰপ্ৰসাৰী সংকট হ'ল নাগৰিকৰ কৰ্মহীনতা ঃ অগ্নিবীৰৰ ক্ষোভৰ অগনি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৫৭তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১২ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২৭ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 27 June 2022 মূল্য ঃ ৯.০০ টকা

■ আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত উভয় পক্ষৰ ■ ২০ বিদ্ৰোহী বিধায়কৰ স'তে যোগাযোগৰ দাবী থাকৰে শিবিৰৰ ■ নিশা বদোডৰাত বিজেপি নেতৃত্বৰে আলোচনাত মিলিত হৈ উভতিল শিণ্ডে

# দাবী-ভাবুকিত ক্ৰমশঃ উত্তপ্ত মুম্বাই

■ বিধায়ক পদ খাৰিজৰ পদক্ষেপৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ ■ আজি শুনানি



নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ
**মুম্বাই/গুৱাহাটী, ২৬ জুন ঃ** মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে আৰু শিৱসেনাৰ বিদ্ৰোহী নেতা একনাথ শিণ্ডেৰ মাজত ক্ষমতাৰ যুঁজ অধিক ঘনীভূত হৈছে। ক্ৰমশঃ উত্তপ্ত হ'বলৈ ধৰিছে মহাৰাষ্ট্ৰ তথা মুম্বাই। এই বলিউদ নগৰীত যেন হাইভল্টেজ নাটক চলি আছে। ইয়াৰ চিত্ৰনাট্য লিখা হৈছে সুদূৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য অসমৰ বিলাসী হোটেলত। সমান্তৰালভাৱে দেশৰ বাণিজ্যিক ৰাজধানী মুম্বাইত 'জয় মহাৰাষ্ট্ৰ' শ্ল'গানে আকাশ কঁপাই তুলিছে আৰু প্ৰতি মুহূৰ্তত উত্তেজনা বৃদ্ধি পাইছে। শিৱসেনাৰ সূত্ৰই দাবী কৰে যে শিণ্ডেৰ স'তে থকা কমেও ২০জন বিধায়ক থাকৰেৰ স'তে যোগাযোগত আছে। ইতিমধ্যে শিৱসেনাই শিণ্ডে আৰু বিদ্ৰোহী বিধায়কসকলৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা ল'বলৈ পদক্ষেপ লৈছে। শিণ্ডেৰ লগতে গোলাবৰাও পাটিল, দাদা ভুচেই মন্ত্ৰিত্ব হেৰুওৱাৰ পথত। একেদৰে আব্দুল ছাত্তাৰ আৰু শম্ভুৰাজে ১০ পৃষ্ঠাত চাওক



*নিবৃত্তিৰ পাছত মা কামাখ্যাৰ দৰ্শনৰ বাবে মূল দ্বাৰৰ সন্মুখত ভক্তৰ ভিৰ, দেওবাৰে।*

■ পুৱা ৮-৪১ বজাত নিবৃত্তিৰ পাছতে খুলিল মুখ্য দ্বাৰ ■ ৰাজ্যপাল মুখী উপস্থিত ■ পাঁচদিনত প্ৰায় ছয় লাখৰ অংশগ্ৰহণৰ তথ্য

## অম্বুবাচীৰ অন্ত ঃ হেজাৰ হেজাৰ ভক্ত-দৰ্শনাৰ্থীয়ে আশিস ল'লে মা কামাখ্যাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ জুন ঃ** যোৱা ২২ জুনৰ পৰা আৰম্ভ হোৱা অম্বুবাচী মেলাৰ আজি হেজাৰ হেজাৰ ভক্ত-দৰ্শনাৰ্থীৰ পূজা-পাতলৰ মাজৰে সামৰণি পৰে। দেশৰ ৫১খন দেৱীপীঠৰ অন্যতম নীলাচলৰ বুকুত অৱস্থিত কামাখ্যা ধামত যোৱা ২২ জুনৰ নিশা ৮.১৮ মিনিটৰ পৰা প্ৰবৃত্তি আৰম্ভ হোৱা অম্বুবাচীৰ পৰ্ব আজি পুৱা ৮.৪১ মিনিটত নিবৃত্তি হয় আৰু ইয়াৰ পাছতে মা কামাখ্যাৰ আশিস ল'বলৈ এসপ্তাহ ধৰি অপেক্ষাৰত ভক্ত-দৰ্শনাৰ্থীৰ বাবে মুকলি কৰি দিয়া হয় মন্দিৰৰ মুখ্য দুৱাৰ। উল্লেখ্য যে আজি পুৱাৰ ভাগত দেৱী স্নান, নিত্য-পূজা সমাপনৰ পাছতে বন্ধ হৈ থকা কামাখ্যা দেৱালয়ৰ দুৱাৰ খুলি দিয়াৰ পাছতে মা-কামাখ্যাৰ আশিস ল'বলৈ লোকে লোকাৰণ্য হৈ পৰে মন্দিৰৰ চৌহদ। আজি নিবৃত্তি উপলক্ষে ৰাজ্যপাল জগদীশ মুখীয়ে পৰিয়ালসহ কামাখ্যা মন্দিৰ দুই পৃষ্ঠাত চাওক

■ আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱস ■ ৫,৪০০ জন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ ■ সংঘৰ্ষত ২৬ জন আহত হোৱাৰ বিপৰীতে তিনিজনৰ মৃত্যু ■ ৩২শটা গোচৰ ৰুজু

## ৰাজ্যত ১৩ মাহত ছশ কোটিৰ ড্ৰাগছ জব্দ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ জুন ঃ** ৰাজ্যত গঢ়ি উঠা বিশাল ড্ৰাগছৰ সাম্ৰাজ্যৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অব্যাহত ৰখা অভিযানত বৰ্তমানলৈ ছশ কোটিৰো অধিক মূল্যৰ হেৰ'ইন জব্দ কৰা হৈছে বুলি তথ্য সদৰী কৰিছে অপৰাধ তদন্ত বিভাগ (চিআইডি)এ। আজি অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত 'আন্তৰ্জাতিক নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস'ত সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান (চিআইডি) এ ৱাই ভি কৃষ্ণই আদৰণি ভাষণত এই তথ্য সদৰী কৰে। উল্লেখ্য যে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে দায়িত্ব লোৱাৰ পাছৰে পৰা আৰক্ষীয়ে চলোৱা ধাৰাবাহিক অভিযানত চলিত মাহলৈ ড্ৰাগছ সৰবৰাহৰ সংক্ৰান্তত এনডিপিএছ আইনৰ অধীনত ৩,২৩২টা গোচৰ পঞ্জীয়ন হৈছে বুলি চিআইডিৰ মুৰব্বীজনে সদৰী কৰে। বিভাগে সদৰী কৰা তথ্য অনুসৰি, আৰক্ষীৰ অভিযানত যোৱা ১৩ মাহত ৫,৪০০ জন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। এই অভিযানকালত আৰক্ষীৰে হোৱা সংঘৰ্ষত ২৬ জন সৰবৰাহকাৰী আহত ১০ পৃষ্ঠাত চাওক

## একদলীয় শাসনৰ কুচকাৱাজ!

■ প্ৰাঞ্জলসেন ডেকা

**বিগত** সপ্তাহটোত মহাৰাষ্ট্ৰত চৰকাৰ ভঙা-পতাৰ যি অভিযান আৰু প্ৰতি-অভিযান অব্যাহত আছে, তাক লৈ অসমবাসী বৰ বেছি উৎসুক হোৱাৰ কথা নাছিল যদিহে ঘটনাক্ৰমে অসমো ইয়াৰ দ্বাৰা কিছু পৰিমাণে হ'লেও প্ৰভাৱান্বিত নহ'লহেঁতেন। এই প্ৰথমবাৰলৈ আন কোনো ৰাজ্যত চৰকাৰ ভঙা-পতাৰ অভিযানৰ কেন্দ্ৰবিন্দু হৈছে অসম। বছৰৰ দ্বিতীয়টো বানে ৰাজ্যৰ ৩০ খনৰো অধিক জিলাৰ ৫৫ লক্ষাধিক লোকক জুৰুলা কৰাৰ সময়ত সকলো ১০ পৃষ্ঠাত চাওক

## বানপানীত পুনৰ পাঁচজনৰ মৃত্যু, একাধিক জিলাত জটিল পৰিস্থিতি


ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ জুন ঃ** আজি ৰাজ্যত পুনৰ পাঁচজন লোকে চলিত বানত প্ৰাণ হেৰুৱায়। ইয়াৰ ফলত বছৰটোত বানে প্ৰাণ কাঢ়ি নিয়া লোকৰ সংখ্যা আজি ১০৯জনলৈ বৃদ্ধি হয়। যোৱা ২৪ ঘণ্টাত বৰপেটা, কাছাৰ, ১০ পৃষ্ঠাত চাওক

## পিতৃ-মাতৃ-ভ্ৰাতৃয়ে প্ৰাণ হেৰুওৱাৰ পাছত মৃত্যুৰে যুঁজিছে কন্যাই

অগ্ৰদূত বাৰ্তা
**মুছলপুৰ, ২৬ জুন ঃ** মুছলপুৰত পত্নীসহ দুই কণমানি সন্তানক চোকা অস্ত্ৰৰে হত্যাৰ চেষ্টা চলাই চন্দন দাস নামৰ লোকজনে কালি নিজগৃহত ১০ পৃষ্ঠাত চাওক

## গোৱালপাৰাত শ্যামাকালী মন্দিৰৰ ৪০ বছৰীয়া ব্ৰঞ্জৰ মূৰ্তি চুৰি

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ২৬ জুন ঃ** গোৱালপাৰা চহৰৰ বাপুজীনগৰৰ ঐতিহ্যমণ্ডিত শ্যামাকালী মন্দিৰৰ ৪০ বছৰীয়া পুৰণি ব্ৰঞ্জৰ মূৰ্তি যোৱা নিশা চুৰি হোৱা ঘটনাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অম্বুবাচী ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৬° |
| ডিব্ৰুগড় | ৩০° | ২৪° |
| দিল্লী | ৩৭° | ৩১° |
| কলকাতা | ৩২° | ২৭° |
| মুম্বাই | ৩১° | ২৬° |
| চেন্নাই | ৩৭° | ২৮° |
| বাংগালুৰু | ২৮° | ১৯° |
| শ্বিলং | ২৩° | ১৯° |

২৬ জুন, ২০২২

## চেঙা তেল



*দেখিলে, মহাৰাষ্ট্ৰৰ ৰাজনীতিৰ বানত ককবকাই থকাসকলে বানপীড়িত অসমতহে আশ্ৰয় পালে!*

অসম চুক্তিৰ ষষ্ঠ দফাক লৈ অনানুষ্ঠানিক আলোচনা ঃ স্পষ্টীকৰণ দিলে সমুজ্জ্বলে

## কইনাধৰাত নিশা গোপনে মুখ্যমন্ত্ৰীৰে আছুৰ বৈঠকক কেন্দ্ৰ কৰি ব্যাপক চৰ্চা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ জুন ঃ** যোৱা নিশা কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰীৰ স'তে আছু নেতৃত্বৰ গোপন বৈঠকক লৈ ৰাজ্যজুৰি ব্যাপক চৰ্চা চলিছে। অসম চুক্তিৰ ছয় নম্বৰ দফা কাৰ্যকৰী কৰাৰ উদ্দেশ্য লৈ গঠিত মন্ত্ৰীগোটৰ একাংশৰ লগত মুখ্যমন্ত্ৰীৰ উপস্থিতিত এই বৈঠক অনুষ্ঠিত হয় বুলি কোৱা হৈছে যদিও ইয়াক লৈ বিভিন্ন পক্ষই প্ৰশ্ন উত্থাপন কৰিছে। লক্ষ্যণীয় যে এনে এক গুৰুত্বপূৰ্ণ বিষয়ক লৈ বৈঠকখন পূৰ্বৰ ধাৰা ভংগ কৰি গোপনে অনুষ্ঠিত কৰা হয়। চৰকাৰৰ ফালৰ পৰা সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰীগোটৰ অধ্যক্ষ অতুল বৰা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। আনহাতে, আছুৰ ১০ পৃষ্ঠাত চাওক

## নিশা মুখ্যমন্ত্ৰীক গোপনে সাক্ষাৎ কৰি আছুৱে বিশ্বাসযোগ্যতা হেৰুৱালে

সৰৱ সাংসদ অজিত ভূঞা

বিশেষ সংবাদদাতা
**পাঠশালা, ২৬ জুন ঃ** 'ভূটানৰ বৃহৎ নদীবান্ধে অসমত যিদৰে ভয়াৱহ বানৰ সৃষ্টি কৰি ধ্বংসলীলা চলাইছে, এতিয়া গোটেই অসমখনেই ধ্বংস হৈ যাব। অসমৰ কাষতেই ভূটানত বৃহৎ বৃহৎ নদীবান্ধ নিৰ্মাণ হৈ আছে ভাৰত চৰকাৰৰ বিত্তীয় আৰু কাৰিকৰী সাহায্যত। ইয়াৰ ১০ পৃষ্ঠাত চাওক

## ভেলেউগুৰিৰ নামঘৰত দুৰ্বৃত্তই জ্বলাই দিলে পৱিত্ৰ ভাগৱত

সোণৰ ফুল, তিনিটা ৰূপৰ ফুল-নগদ ধন লুট

অগ্ৰদূত বাৰ্তা
**চামগুৰি, ২৬ জুন ঃ** অম্বুবাচীৰ সময়তে নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত নিজ ভেলেউগুৰিৰ নামঘৰত দুৰ্বৃত্তই নামঘৰৰ সিংহাসন লণ্ডভণ্ড কৰি, ভাগৱত পুথি জ্বলাই দিয়াক কেন্দ্ৰ কৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। লগতে নামঘৰৰ দুই পৃষ্ঠাত চাওক

এসপ্তাহৰ ভিতৰত ওপৰবেদ গাঁৱত বিদ্যুৎ সংযোগৰ কাম পূৰ্ণগতিত

## বিদ্যুৎ সংযোগ নাই ভাবি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ গাঁৱত, তৎপৰ চৰকাৰ



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৬ জুন ঃ** সকলো ঠিকে থাকিলে দৌপদী মুৰ্মুৱে হ'ব দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি। গাঁৱৰ কন্যা দেশৰ ৰাষ্ট্ৰপতি হোৱাৰ দৌৰত ভৰি থোৱাৰ লগে লগে গাঁওখনত আলোকময় পৰিৱেশৰ সৃষ্টি কৰিবলৈ উদ্যোগী হৈছে ওড়িছা চৰকাৰ। বিজেপি নেতৃত্বাধীন এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰূপে এইগৰাকী আদিবাসী মহিলাৰ নাম ঘোষণাৰ পাছৰে পৰা ওড়িছাৰ ময়ূৰভঞ্জ জিলাৰ ওপৰবেদ গাঁৱত দ্ৰুত বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰিলে নবীন পাটনায়কৰ চৰকাৰে। এই গাঁওখনতে দ্ৰৌপদী মুৰ্মুৰ ঘৰ। অৱশ্যে তেওঁ বৰ্তমান গাঁৱত বাস নকৰে। তেওঁ ৰাইৰংপুৰ নামৰ এখন চহৰত বাস কৰে। অৱশ্যে তেওঁৰ মূল গাঁৱত বিদ্যুৎ সংযোগৰ বাবে তৎপৰতা আৰম্ভ হৈছে। ইয়াৰ বাবে ৩৮ টা বিদ্যুতৰ খুঁটা আৰু নশ মিটাৰ কেবল ট্ৰান্সফৰ্মাৰ আদিসহ এখন ট্ৰাক আৰু মাটি খন্দা মেচিন গাঁওখনলৈ আনিছে। এসপ্তাহৰ ভিতৰত গাঁওখনত বিদ্যুৎ সৰবৰাহৰ নিৰ্দেশ দিয়া হৈছে।

■ কলং-কপিলীৰ জলস্তৰ কিছু হ্ৰাস পালেও ভয়াৱহতা কমা নাই ■ গৰ্ভৱতী মহিলা-প্ৰসূতি মাতৃ-শিশুৰ দুৰ্ভোগ আঁতৰা নাই

## নগাঁও জিলাত এমুঠি চাউল-দাইলৰ বাবে হাহাকাৰ লাখ লাখ বানাক্ৰান্তৰ



■ বান সাহায্য হৰলুকিৰ চেষ্টা চৰকাৰী গাঁওবুঢ়াৰ

বিশেষ সংবাদদাতা
**নগাঁও, ২৬ জুন ঃ** নগাঁও জিলাত কলং আৰু কপিলী নৈৰ জলস্তৰ সামান্য হ্ৰাস পাইছে যদিও জিলাখনৰ কামপুৰ, ৰহা আৰু নগাঁও সদৰ ৰাজহ চক্ৰত বানৰ ভয়াৱহতা এতিয়াও কমা নাই। তিনিওটা ৰাজহ চক্ৰৰ অন্তৰ্গত ৩১৪ খন ৰাজহ গাঁৱৰ ৫,১২,৭৭৮ গৰাকী লোক বানাক্ৰান্ত হৈ আছে। দুৰ্যোগ প্ৰশমন বিভাগে আজি বিয়লি প্ৰকাশ কৰা তথ্য অনুসৰি আজিও বানত জিলাখনৰ ৫,১২,৭৭৮ গৰাকী লোক আক্ৰান্ত হৈ আছে। ইয়াৰ ভিতৰত আছে ১,৫৯,৪৯৩ টা শিশু। বানত আক্ৰান্ত হৈছে জিলাখনৰ ২০ হেজাৰ ৫১ হেক্টৰ কৃষিভূমি। আক্ৰান্ত হৈছে ১,১৪,৭১২ টা পশুধন। বানত কৃষকৰ সমান্তৰালকৈ জিলাখনৰ সহস্ৰাধিক মীন পালকো ভীষণভাৱে ক্ষতিগ্ৰস্ত হৈছে। কিয়নো বানপানীত ১০ পৃষ্ঠাত চাওক

## আপ পঞ্জাৱত, সমাজবাদী পৰাজিত উত্তৰ প্ৰদেশত

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৬ জুন ঃ** আজি ফলাফল ঘোষিত দেশৰ পাঁচ ৰাজ্য আৰু দিল্লীৰ মুঠ তিনিটা লোকসভা আৰু সাতটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতে চৰ্চালৈ আহিছে আম আদমী পাৰ্টি আৰু অখিলেশ যাদৱ নেতৃত্বাধীন সমাজবাদী পাৰ্টি। পঞ্জাৱত বিগত বিধানসভা নিৰ্বাচনত নজিৰবিহীন বিজয় সাব্যস্ত দুই পৃষ্ঠাত চাওক

■ শিলচৰত দ্বিতীয়বাৰলৈ বান পৰিস্থিতি পৰ্যবেক্ষণ ■ এবুকু পানীত পৰিও মুখ্যমন্ত্ৰী শৰ্মাক গামোচা পিন্ধালে বানাক্ৰান্ত যুৱকে ■ চমুখাৰ বৰলীয়া নৈৰ ভগ্ন মথাউৰিও পৰিদৰ্শন কৰিলে

## সকলো ভগ্ন মথাউৰিৰ শীঘ্ৰে মেৰামতি হ'ব



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**শিলচৰ/ বাহাৰঘাট, ২৬ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুদিনৰ ব্যৱধানত আজি দ্বিতীয়বাৰৰ বাবে শিলচৰত উপস্থিত হৈ সাম্প্ৰতিক বান পৰিস্থিতিৰ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি বানপীড়িতৰ স'তে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে নগৰখনৰ মালিনীবিল, প্লাৱিক স্কুল ৰোড, ৰাধামাধৱ ৰোড, কনকপুৰ, ৰংগীৰখাৰী, সোনাই ৰোড, ৰাষ্ট্ৰীয় ঘাইপথ আৰু ১০ পৃষ্ঠাত চাওক

চৰকাৰ আহে আৰু যায় ঃ সাধাৰণ জনতাৰ সমস্যাৰ জটিলতাহে বাঢ়ে ঃ বানপানীয়ে দি থৈ যায় চকুত নপৰা অজস্ৰ জটিলতা

## প্ৰধানমন্ত্ৰী আৱাসৰ সামগ্ৰী বানত হেৰুৱাই হাহাকাৰ মহিলাৰ



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৫ জুন ঃ** গাঁও, নগৰ, চহৰ সকলোতে ব্যাপক ধ্বংসলীলা সংঘটিত কৰা বছৰৰ দ্বিতীয়টো বানৰ ক্ষতিকাৰক ৰূপ দীৰ্ঘদিনীয়া হ'ব বুলি চৌদিশে উদ্বেগৰ সৃষ্টি হৈছে। এক অসহায় পৰিস্থিতিৰ মাজলৈ ভুক্তভোগীসকলক ঠেলি দিছে এই বানে। সকলোতে কেৱল হেৰুওৱাৰ ছবি বিদ্যমান। ভুক্তভোগীসকল কোনে কিদৰে ক্ষতিগ্ৰস্ত হৈছে তাৰ লেখ-জোখ নাই। তেনে বহু ক্ষয়-ক্ষতি সহজতে লোকচক্ষুৰ আগলৈ নহাকৈয়ে ৰৈ যায়। অথচ সাধাৰণ লোকসকলৰ বাবে তেনে ক্ষতি জীৱন ধাৰণৰ বাবে বৃহৎ প্ৰত্যাহ্বানেই নহয়, সন্মুখৰ বাটো অন্ধকাৰ কৰা দুই পৃষ্ঠাত চাওক

ভুল আইন আনি সাতশ কৃষকৰ মৃত্যুৰ পাছত এই আঁচনিয়ে দেশক দুৰ্বলহে কৰিব

## 'অগ্নিপথ' আঁচনি দেশৰ সুৰক্ষালৈ ভাবুকি ঃ পেঞ্চনৰ টকা বচোৱা আঁচনি মোদীৰ

মোদীৰ কাৰ্যকালত হেজাৰ কিলোমিটাৰ ভূমি দখল চীনৰ ঃ সৰৱ কংগ্ৰেছ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৬ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত ৰঙা চীনে ভাৰতৰ হেজাৰ কিলোমিটাৰ ভূমি দখল কৰিছে। আজি ইয়াত এই মন্তব্য কৰে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ জ্যেষ্ঠ নেতা তথা ঝাৰখণ্ডৰ প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ড° অজয় কুমাৰে। কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া অগ্নিপথ আঁচনি প্ৰত্যাহাৰৰ দাবীৰে আজি মহানগৰীৰ ৰাজীৱ ভৱনত নগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিম প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়কৰ দায়িত্বত থকা ড° কুমাৰে এক সংবাদমেলত কয় যে যি সময়ত ভাৰতৰ প্ৰতি এফালে চীনৰ আৰু আনফালে পাকিস্তানৰ চকু, সেই সময়ত ৫৬ ইঞ্চিৰ বুকুধাৰী চৰকাৰে পেঞ্চনৰ টকা ৰাহি ১০ পৃষ্ঠাত চাওক

লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত অঘটন

## প্ৰসূতিয়ে জন্ম দিলে পুত্ৰ, অভিভাৱকে পালে কন্যাহে

অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ২৬ জুন ঃ** লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত পুনৰ এক নৱজাত সন্তানৰ সালসলনিয়ে চাঞ্চল্যৰ সৃষ্টি কৰিছে। চিকিৎসালয়খনৰ অধীনৰ মাতৃ আৰু শিশুৰ স্বাস্থ্য চিকিৎসালয় বিভাগত এগৰাকী প্ৰসূতিয়ে এটি পুত্ৰ সন্তানৰ জন্ম দিয়ে যদিও অভিভাৱকৰ হাতত হাস্পতাল কৰ্তৃপক্ষই তুলি দিয়ে কন্যা সন্তান। লখিমপুৰ ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৭ জুন, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

# ৰাজ্যত বগা চাউলৰ ক'লা বেহা

**শ্ৰীৰামপুৰত পিডিএছৰ চাউলভৰ্তি দুখন বলেৰ' পিক্‌আপ ভান ৰাইজে জব্দ কৰি গতালে আৰক্ষীক**

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৬ জুন ঃ** অসমৰ সুলভ মূল্যৰ চাউল সঘনাই পশ্চিমবংগৰ বজাৰত সৰবৰাহ হোৱাৰ ঘটনাই প্ৰশাসনৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। দৰিদ্ৰ দুখীয়াৰ বিনামূলীয়া চাউল একাংশ লোকে চোৰাং বজাৰত যে বিক্ৰী কৰি আহিছে সেয়া আজি শ্ৰীৰামপুৰৰ একাংশ যুৱকে প্ৰমাণ কৰি দেখুৱালে। গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত কেইজনমান যুৱকে আজি পুৱা সন্দেহযুক্ত পিডিএছৰ চাউলভৰ্তি দুখন বলেৰ' পিক্‌আপ ভান আটক কৰে। গোসাঁইগাঁৱৰ পৰা পিডিএছৰ চাউলসমূহ পশ্চিমবংগলৈ গৈ থকা সময়ত শ্ৰীৰামপুৰত ৰাইজে জব্দ কৰি পাছত শিমুলটাপু আৰক্ষী ছয় পৃষ্ঠাত চাওক


## বেঙেনাআটিত ২৯৭জন শ্ৰমিকক কাম কৰা দেখুৱাই অধিক ধন হৰলুকি ঠিকাদাৰৰ

# গাঁও পঞ্চায়তৰ পথ নিৰ্মাণত দুৰ্নীতি

**ঠিকাদাৰৰ মইমতালিৰ বাবেই দুৰ্ভোগ ভুগিছে মৰিকলং-জুৰীয়া সংযোগী পথৰ ৰাইজে**

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২৬ জুন ঃ** নগাঁও জিলাৰ ৮৭ নম্বৰ বঢ়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত পাখিমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ বেঙেনাআটি গাঁও পঞ্চায়তত পথ নিৰ্মাণত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ লগতে বিভাগীয় নীতি উলংঘা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, বেঙেনাআটি গাঁও পঞ্চায়তৰ ন নম্বৰ ৱাৰ্ডৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ মৰিকলং বিশ্ৰম্বচুকৰ ট্ৰেন্সফৰ্মাৰৰ সন্মুখৰ পৰা মাহৰুল জুৰীয়া সংযোগী পথটোৰ প্ৰায় ৩৫০ মিটাৰ দৈৰ্ঘ্যৰ অংশৰ পথছোৱা নিৰ্মাণৰ বাবে বেঙেনাআটি গাঁও পঞ্চায়তে এমজি এনৰেগা আঁচনিৰ অধীনত ২০১৬-১৭ বিত্তীয় বৰ্ষত পথটো নিৰ্মাণৰ নামত প্ৰাককলন মতে, মুঠ ৩০,৮২,০০০ টকা নিৰ্ধাৰণ কৰা হৈছিল। কাম কৰা প্ৰতিষ্ঠানৰূপে বেঙেনাআটি গাঁও পঞ্চায়তৰ অধীনস্থ এক ঠিকাদাৰী প্ৰতিষ্ঠানে পথটো নিৰ্মাণত প্ৰায় ৫,৩৬,২৭৫ টকা ব্যয় কৰা দেখুওৱাৰ লগতে পথটোত ছয় পৃষ্ঠাত চাওক



অম্বুবাচীৰ নিবৃত্তিৰ পাছত কামাখ্যা মন্দিৰ দৰ্শনৰ বাবে উপস্থিত হেজাৰ হেজাৰ ভক্ত, দেওবাৰে।

# ডাম্পিং গ্ৰাউণ্ড বিৰোধী আন্দোলন দীপৰ বিলৰ পাৰত অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৬ জুন ঃ** দীপৰ বিললৈ অহা বিভিন্ন ভাবুকি অচিৰেই বন্ধ নকৰিলে ৰাইজে তীব্ৰ আন্দোলন হাতত ল'ব। বিলটোৰ দাঁতিতে বেলৰ আলিত স্থাপন কৰা ডাম্পিং গ্ৰাউণ্ডৰ বাবে আজি দীপৰ বিলৰ পানী এনেদৰে প্ৰদূষিত হ'বলৈ ধৰিছে যে আগন্তুক দুই-তিনি বছৰৰ ভিতৰতে দীপৰ বিলত মাছ-কাছকে ধৰি জলজ উদ্ভিদসমূহৰ চিন-মোকাম নোহোৱা হ'ব। এই মন্তব্য দীপৰ বিলৰ পাৰত অনুষ্ঠিত অৱস্থান ধৰ্মঘটত অংশগ্ৰহণকাৰী প্ৰতিবাদী ৰাইজৰ। আজি দীপৰ বিল সুৰক্ষা মঞ্চৰ উদ্যোগত দীপৰ বিলৰ পাৰত 'দীপৰ বিল আৰু দাঁতি কাষৰীয়া অঞ্চলৰ সুস্থ পৰিৱেশ ৰক্ষা'ৰ স্বাৰ্থত আয়োজিত অৱস্থান ধৰ্মঘটত বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি ধৰ্মঘট সফল কৰি তোলে। পুৱা ১১ বজাৰ পৰা আৰম্ভ হোৱা এঘণ্টীয়া ধৰ্মঘট কাৰ্যসূচীত দীপৰ বিল সুৰক্ষা মঞ্চৰ সভাপতি হেনৰী ডেভিড টেৰণ, সম্পাদক প্ৰমোদ কলিতা, দীপৰ বিল পাঁচপাৰা সমবায় সমিতিৰ সভাপতি গোলক দাস আদিকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে দীপৰ বিলৰ নাতি দূৰৈত ছয় পৃষ্ঠাত চাওক

## গৌৰীপুৰত জুৱাৰ আড্ডাৰ পৰা আটক চাৰিজনকৈ চৰকাৰী চাকৰিয়াল

### জব্দ নগদ ধন-ম'বাইল ফোন

অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ২৬ জুন ঃ** গৌৰীপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মধুশৌলমাৰী গাঁৱৰ এটি পৰিয়ালত জুৱাৰ আড্ডা বহুওৱা চাৰিজন চৰকাৰী চাকৰিয়ালক আটক কৰে আৰক্ষীয়ে। দীৰ্ঘদিনৰ পৰা প্ৰতি নিশাই লাখ লাখ টকাৰ জুৱা খেলৰ আড্ডা বহুৱাই আহিছিল চৰকাৰী চাকৰিয়াল লোককেইজনে। যোৱা নিশা এক গোপন সূত্ৰৰ ভিত্তিত গৌৰীপুৰ আৰক্ষীয়ে মধুশৌলমাৰী দ্বিতীয় খণ্ড (মলাতি খামাৰ) গাঁৱৰ পৰা আটক কৰে জুৱাৰী চাৰিজনক। লগতে জব্দ কৰে বহু পৰিমাণৰ নগদ ধন, ম'বাইল ফোন আৰু জুৱাৰ পাত। আৰক্ষীয়ে আটক কৰা জুৱাৰীকেইজন গৌৰীপুৰ প্ৰতাপ চন্দ্ৰ উচ্চ মাধ্যমিক স্কুলৰ সহকাৰী শিক্ষক দিলবৰ আলী, জল পৰিবহণ বিভাগৰ কৰ্মচাৰী মনোৱাৰ হুছেইন, গৌৰীপুৰৰ ৰঙামাটি আইটিআই কলেজৰ নিম্ন বৰ্গৰ সহায়ক মনজুৰ আলী আৰু শিক্ষক বিবেশ চন্দ্ৰ ৰায় বুলি আৰক্ষীয়ে জনাইছে। জুৱাৰীকেইজনৰ বিৰুদ্ধে গৌৰীপুৰ আৰক্ষীয়ে ছয় পৃষ্ঠাত চাওক

**কাজলগাঁৱত বনছুৰ সংবাদমেল**

## শীঘ্ৰে সুকীয়া বড়োলেণ্ড গঠনৰ দাবী জনাব চৰকাৰক

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও/গৰুভাষা, ২৬ জুন ঃ** চলিত বৰ্ষৰ সাত ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ বড়োলেণ্ড ছহিদ সমাধিক্ষেত্ৰত অনুষ্ঠিত সাধাৰণ অধিৱেশনৰ জৰিয়তে গঠন হোৱা বড়ো নেছনেল ষ্টুডেন্ট ইউনিয়ন চমুকৈ বনছুই শীঘ্ৰেই সুকীয়া বড়োলেণ্ড গঠনৰ দাবী উত্থাপন কৰিব কেন্দ্ৰীয় চৰকাৰৰ ওচৰত। আজি চিৰাং জিলাৰ কাজলগাঁও প্ৰেছ ক্লাবত আয়োজিত এক সংবাদমেলত এই দাবী উত্থাপন কৰি সংগঠনটোৰ ছয় পৃষ্ঠাত চাওক


## থানাত গোচৰ, অভিযুক্ত গ্ৰেপ্তাৰ

# লক্ষীপুৰৰ পানীশালি হাইস্কুলৰ হিন্দী বিষয় শিক্ষকৰ অশ্লীল ইংগিতত অতিষ্ঠ ছাত্ৰ-ছাত্ৰী

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ২৬ জুন ঃ** শিক্ষাগুৰু অৰ্থাৎ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থকা পবিত্ৰ সম্পৰ্কত কালিমা সানিলে নিকৃষ্ট মানসিকতাৰ এগৰাকী শিক্ষকে। শ্ৰেণীত পাঠ ভিত্তিক পাঠদান দিয়াৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীক দি আহিছে অশ্লীল শিক্ষা। অৰ্থাৎ, শ্ৰেণীত পাঠ ভিত্তিক পাঠদানৰ নামত নিকৃষ্ট মানসিকতাৰ শিক্ষকজনে দীৰ্ঘদিন ধৰি ছাত্ৰ-ছাত্ৰীসকলক দি আহিছিল অশ্লীল ইংগিত-শিক্ষা। (৫৫)ৰ উৰ্ধত সেই শিক্ষকজনৰ নাম আবু তাহেৰ খান। গোৱালপাৰা জিলা পৰিদৰ্শক কাৰ্যালয়ৰ অধীনস্থ পানীশালি হাইস্কুলৰ কৰ্তব্যৰত হিন্দী বিষয় শিক্ষক খানৰ সেই কু-কাৰ্যৰ বিষয়টো কালি বিদ্যালয়খনত অনুষ্ঠিত সভাত উন্মচিত হয়। উল্লেখ্য যে বিদ্যালয় কৰ্তৃপক্ষই কালি ২০২১-২২ৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ লগতে বিদ্যালয়ৰ শৈক্ষিক দিশ সম্পৰ্কে এখন সভা অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ভূপেন ছয় পৃষ্ঠাত চাওক

# লেঙা-কুৰুৱাত ব্ৰহ্মপুত্ৰৰ সুঁতিত নিখোঁজ ম'হৰখীয়া তৌফিক আলী



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৬ জুন ঃ** দৰং জিলাৰ বাঁহগড়াৰ তৌফিক আলী নামৰ ম'হৰখীয়াজন কালি সন্ধিয়া লেঙা-কুৰুৱা ব্ৰহ্মপুত্ৰৰ সুঁতিত নাৱৰ পৰা পৰি নিখোঁজ হোৱাৰ বাতৰি পোৱা গৈছে। প্ৰাপ্ত বাতৰি অনুসৰি, কালি সন্ধিয়া চাপৰিত ম'হ বান্ধি ঘৰলৈ ওভতাৰ পথত ব্ৰহ্মপুত্ৰৰ সুঁতিত সংঘটিত হৈছে এই অঘটন। ঘটনাৰ বিৱৰণি মতে, কুঁৱৰীগাঁৱৰ কল্যাণ ডেকা আৰু শুক্তাগুৰী গাঁৱৰ কয়লা আলীৰ স'তে নাৱৰে আহি থকা অৱস্থাত নাওখন দুৰ্ঘটনাত পতিত হয়। একেলগে আহি থকা আনখন নাৱৰ সহযাত্ৰীয়ে দুজনক উদ্ধাৰ কৰে যদিও তৌফিক আলী (৫০)ক উদ্ধাৰ কৰাত ব্যৰ্থ হয়। নিখোঁজ ছয় পৃষ্ঠাত চাওক

# তেজপুৰৰ দুই সত্ৰীয়া নৃত্য শিল্পীৰ কৃতিত্ব





ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৬ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি সত্ৰীয়া নৃত্য পৰিবেশনৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতি কঢ়িয়াই অনাই নহয়, ডুবাইত কৰা এই প্ৰদৰ্শনৰে শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে তেজপুৰৰ এগৰাকী প্ৰতিভাশালী সত্ৰীয়া নৃত্য শিল্পী কৃষ্টিনা পূজাৰী। ছয় পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙত ড্ৰাগছ বিৰোধী দিৱসৰ দিনাই ড্ৰাগছ জব্দ

বিশেষ সংবাদদাতা

**ডিফু, ২৬ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱসৰ মাজতে আজি সন্ধিয়া কাৰ্বি আংলঙৰ বোকাজান মহকুমাৰ ডিলাইত জব্দ হৈছে বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ। জব্দকৃত ড্ৰাগছৰ মূল্য প্ৰায় ১৫ লাখ টকা হ'ব বুলি প্ৰকাশ। আৰক্ষীয়ে জনোৱা মতে, আজি সন্ধিয়া প্ৰায় ছয় বজাত নগালেণ্ডৰ ডিমাপুৰৰ পৰা নগাঁও অভিমুখে গৈ থকা এ এছ-০১, ই এল ৮৮৩৯ ছয় পৃষ্ঠাত চাওক

## মৰিগাঁও মায়ঙৰ নেকেৰাহাবীত বানত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৬ জুন ঃ** মৰিগাঁও জিলাৰ মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত মায়ঙৰ গৰুমৰা দলনিৰ এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই ব্যাপক চাঞ্চল্য সৃষ্টি কৰিছে অঞ্চলটোত। মৃত মহিলাগৰাকীৰ নাম সৰস্বতী বিশ্বাস (৭০) বুলি স্থানীয় লোকে জনাইছে। মায়ঙৰ গৰুমৰা দলনিৰ মহিলাগৰাকীয়ে যোৱা নিশা ওচৰৰে কীৰ্তন চাই ঘৰলৈ উভতি আহোতেই পানীত পিছল খাই পৰে বুলি ছয় পৃষ্ঠাত চাওক


## হালোগাঁও চিকিৎসা কেন্দ্ৰত তলা ওলমালে আছুৱে



অগ্ৰদূত বাৰ্তা

**শুৱালকুছি/হাজো, ২৬ জুন ঃ** কামৰূপ জিলাৰ শুৱালকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত হালোগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত তলা ওলমালে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই। নিয়মীয়াকৈ চিকিৎসক উপস্থিত নথকা, পৰ্যাপ্ত পৰিমাণে চিকিৎসা ব্যৱস্থা নথকাৰ বাবে আজি পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদ স্থলীত আছুৰ ছয় পৃষ্ঠাত চাওক

## বাদুলিপাৰত ভয়ংকৰ পথ দুৰ্ঘটনা, থিতাতে নিহত এজন



অগ্ৰদূত বাৰ্তা

**খুমটাই, ২৬ জুন ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বাদুলিপাৰত যোৱা নিশা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এক ভয়ংকৰ দুৰ্ঘটনা। বাদুলিপাৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ৰখাই থোৱা এম এন-০১-৭৬৪৪ নম্বৰৰ এখন খাৰুৱা তেল পৰিবাহী টেংকাৰত যোৰহাট দিশৰ পৰা আহি থকা আৰ জে-৫২ জিএ-৮৪৬৭ ছয় পৃষ্ঠাত চাওক

## বকোৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন বিধায়িকা নন্দিতা দাসৰ

অগ্ৰদূত বাৰ্তা

**আলোপতি, ২৬ জুন ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ বিস্তীৰ্ণ অঞ্চল তচনচ কৰিলে বলিয়া বানে। শেহতীয়া বানত সমষ্টিটোৰ নগৰবেৰা ৰাজহ চক্ৰৰ ২৭ খন ৰাজহ গাঁৱৰ উপৰি ছমৰীয়া ৰাজহ চক্ৰৰ অধিকাংশ গাঁও সম্পূৰ্ণৰূপে ডুব যোৱাত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। পানী কমাৰ পাছতো বান বিধ্বস্ত অঞ্চলত অব্যাহত আছে বন্যাৰ্তৰ হাহাকাৰ। বানপীড়িত বকোৰ বিস্তীৰ্ণ অঞ্চলত বানাক্ৰান্ত ছয় পৃষ্ঠাত চাওক

## ছয়গাঁৱত দুই লাখ টকাৰ ড্ৰাগছসহ এজন লোকক আটক

**ছয়গাঁও, ২৬ জুন ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ জাৰপাৰাত আজি মাজ নিশা ছয়গাঁও আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। ছয়গাঁও থানাৰ আৰক্ষী বিষয়া ভগৱান ডেকাৰ নেতৃত্বত চলোৱা এই অভিযানত ১৫ টা ড্ৰাগছ ভৰ্তি কন্টেইনাৰসহ আটক কৰে ড্ৰাগছ ব্যৱসায়ী ৰুবুল আলীক। ড্ৰাগছখিনিৰ বজাৰ মূল্য দুইলাখ টকা হ'ব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ কৰে। আটকাধীন ড্ৰাগছ ব্যৱসায়ী ৰুবুল আলীৰ ঘৰ ছয়গাঁৱৰ জাৰপাৰাত। জাৰপাৰাত ড্ৰাগছ বিক্ৰী কৰিবলৈ বৈ থাকোতে আৰক্ষীয়ে ড্ৰাগছ বিচাৰি যোৱা অভিনয় কৰি ড্ৰাগছৰ কন্টেইনাৰসহ আটক কৰে ৰুবুল আলীক। বৰ্তমান ছয়গাঁও আৰক্ষীয়ে ৰুবুলক জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰিছে।

**আন্তঃৰাষ্ট্ৰীয় চোৰাং গৰু সৰবৰাহৰ লগত জড়িত থকাৰ সন্দেহ**

# নগাঁৱৰ বাগৰিত চোৰাং গৰুসহ ছজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ



বিশেষ সংবাদদাতা

**নগাঁও, ২৬ জুন ঃ** নগাঁও আৰক্ষীয়ে চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে যদিও একাংশ চোৰাং গৰু সৰবৰাহকাৰীয়ে উজনি আৰু উত্তৰ অসমৰ বিভিন্ন জিলাৰ লগতে নগাঁও জিলাৰ বিভিন্ন স্থানৰ পৰা মেঘালয় হৈ বাংলাদেশলৈ চোৰাং গৰু সৰবৰাহ কৰি আহিছে। নগাঁও জিলাৰ লগতে মৰিগাঁও, কামৰূপ জিলাৰ কে'বাখনো আৰক্ষী থানাৰ সন্মুখৰে চোৰাং গৰু সৰবৰাহ হৈ আছে। বিগত ছয় পৃষ্ঠাত চাওক

**চিকিৎসা-খোৱাপানীৰ বাবে হাহাকাৰ বানাক্ৰান্তৰ ঃ চৌদিশে দুৰ্গন্ধ কদৰ্যময় পৰিৱেশ**

# হোজাইত আজিও চাৰিখন গাঁও বানৰ কবলত

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৬ জুন ঃ** কপিলীৰ সংহাৰী বানৰ কবলৰ পৰা হোজাইৰ অধিকাংশ গাঁও বৰ্তমান মুক্ত হৈছে যদিও বানাক্ৰান্ত অঞ্চলসমূহত বৰ্তমান দুৰ্গন্ধ আৰু কদৰ্যময় পৰিৱেশ বিৰাজ কৰিছে। আশ্ৰয় শিবিৰত থকা অধিকাংশ লোক নিজ নিজ ঘৰলৈ উভতি গৈছে যদিও এইসকলে এতিয়া আন এক সমস্যাত পৰিছে। এইসকল বানাক্ৰান্তৰ বৰ্তমান খাদ্য সামগ্ৰীৰ লগতে বিশুদ্ধ খোৱাপানীৰ তীব্ৰ অভাৱত পৰিছে। হোজাইৰ বিয়াগোম জনস্বাস্থ্য বিভাগ এটা আছে যদিও এই বানাক্ৰান্ত অঞ্চলসমূহত বিশুদ্ধ খোৱাপানীৰ লগতে অন্যান্য সা-সামগ্ৰী যোগানত ব্যৰ্থ হৈছে। নিয়ম মতে বানৰ পাছত বিভাগৰ তৰফৰ পৰা বিভিন্ন সামগ্ৰী বানাক্ৰান্ত অঞ্চলসমূহলৈ প্ৰেৰণ কৰিব লাগে যদিও কাগজে-পত্ৰইহে এই সামগ্ৰী প্ৰেৰণ কৰা হৈছে যদিও বাস্তৱত বানাক্ৰান্তই ইয়াৰ পৰা বঞ্চিত হৈছে। হোজাইৰ ফুলদানী সদৃশ এই বিভাগটোৰ পৰা বানাক্ৰান্তই কোনো ধৰণৰ সুফল লাভ কৰা নাই। হোজাই চহৰৰ দাঁতি-কাষৰীয়া বানাক্ৰান্ত অঞ্চলসমূহত নামমাত্ৰ সামগ্ৰী প্ৰদান কৰিছে যদিও হায়ঙ, ৰাৰীগেডিং, যোগীমুখ, বিষ্ণুপুৰ, ব্ৰজপুৰ ৰাইকাটা, কোমোৰাকটা, বনগাঁও, কেন্দুগুৰি, হাতীমৰা আদি বানাক্ৰান্ত অঞ্চলৰ বানাক্ৰান্তই দুৰ্গন্ধ আৰু কদৰ্যময় পৰিৱেশত জীৱন নিৰ্বাহ কৰাৰ লগতে এটুপি বিশুদ্ধ পানীৰ অভাৱত প্ৰদূষিত জলপান কৰিব লাগিছে। এই বানাক্ৰান্ত অঞ্চলসমূহত জিলা স্বাস্থ্য বিভাগে যি পৰিমাণে গুৰুত্ব প্ৰদান কৰিব লাগিছিল সেয়া নকৰাৰ অভিযোগ উঠিছে। বানাক্ৰান্ত অঞ্চলত এতিয়া জ্বৰ, ডায়েৰীয়া আদি ৰোগে দেখা দিবলৈ আৰম্ভ কৰিছে যদিও জিলা স্বাস্থ্য বিভাগে এই বানাক্ৰান্তসকলক পৰ্যাপ্ত চিকিৎসা সেৱা প্ৰদানত ব্যৰ্থ হৈছে। কোনো কোনো বানাক্ৰান্ত অঞ্চলত চিকিৎসা সেৱাৰ দলে বানাক্ৰান্তৰ কোনো খবৰ নোলোৱাৰো অভিযোগ উঠিছে। ইফালে, জিলা প্ৰশাসনৰ তথ্য অনুসৰি হোজাই জিলাত বৰ্তমানো চাৰিখন গাঁও বানত আক্ৰান্ত হৈ থকাৰ লগতে মুঠ ৫৫৫ জন লোক আক্ৰান্ত হয়। জিলাখনৰ ২৭ হেক্টৰ কৃষিভূমি এতিয়াও বানৰ কবলতে আছে। আজিও ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী, সোমবাৰ ১২ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২৭ জুন ২০২২

# কঠোৰ ব্যৱস্থাৰ প্ৰয়োজন

**ভাৰতীয়** গণতন্ত্ৰ সম্প্ৰতি এক বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰ এখনৰ পতন ঘটোৱাৰ বাবে শাসক দলৰ ভিতৰত বিসম্বাদী ৰাজনীতি বিয়পাবলৈ বৃহৎ ৰাজনৈতিক দলে চলোৱা প্ৰচেষ্টা উদ্বেগজনক। শিৱসেনাৰ বিসম্বাদী গোটৰ নেতা একনাথ শিণ্ডেই কৈছে যে তেওঁলোকৰ স'তে এক শক্তিশালী বৃহৎ ৰাজনৈতিক দল আছে।

এই কথা স্পষ্ট যে এই বৃহৎ ৰাজনৈতিক দলটো বিজেপিত বাদে আন কোনো দল নহয়। উদ্ধৱ থাকৰে নেতৃত্বাধীন মহাৰাষ্ট্ৰ চৰকাৰৰ পতন ঘটোৱাৰ উদ্দেশ্যে বিসম্বাদী নেতা শিণ্ডেই বৃহৎ ৰাজনৈতিক দলৰ সমৰ্থন লাভ কৰাটো ইতিমধ্যে স্পষ্ট হৈছে। মধ্য প্ৰদেশ, কৰ্ণাটক আদিত বিৰোধী দলৰ চৰকাৰ বগৰোৱা নাটকে বিজেপিয়ে আগতেও কৰিছিল। গতিকে এইবাৰো বিজেপিক অংগুষ্ঠ দেখুৱাবলৈ সাহস কৰা থাকৰে নেতৃত্বাধীন শিৱসেনা, কংগ্ৰেছ, এনচিপিৰ মহাবিকাশ আঘাড়ী চৰকাৰ ভংগৰ প্ৰচেষ্টাৰ আঁৰত তথা শিৱসেনাৰ ভিতৰত বিসম্বাদৰ সৃষ্টি কৰাৰ অন্তৰালত যে কেন্দ্ৰৰ শাসকদল বিজেপি আছে সেয়া জলজল-পটপটকৈ ওলাই পৰিছে। বৰ্তমান মহাৰাষ্ট্ৰ চৰকাৰৰ ভিতৰ চ'ৰাত চলা বাদ-বিসম্বাদৰ ৰাজনীতিৰ অন্তিম ফলাফললৈ সকলোৱে বাট চাইছে। পিছে উদ্ধৱ থাকৰেৰ নেতৃত্বাধীন শিৱসেনা, কংগ্ৰেছ, এনচিপিৰ যৌথ চৰকাৰৰ পতন হ'লে ৰাজ্যখনত বিজেপি আৰু শিৱসেনাৰ বিসম্বাদী গোটে সহজে চৰকাৰ চলাব পাৰিবনে তাক লৈয়ো প্ৰশ্ন উত্থাপিত হৈছে। ইতিমধ্যে মহাৰাষ্ট্ৰত ১৪৪ ধাৰা জাৰি কৰা হৈছে। ঠায়ে ঠায়ে শিৱসেনাৰ কৰ্মীসকলে বিসম্বাদীসকলৰ শিবিৰত আক্ৰমণ কৰিছে। আগলৈ ৰাজ্যখনত অধিক অশান্তি সৃষ্টি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

ৰাজনৈতিক দলসমূহে নিৰ্বাচনত জয়ী হোৱাৰ বাবে বৃহৎ পৰিমাণৰ ধন ব্যয় কৰাৰ উপৰি নানা ধৰণৰ জাতি আৰু সম্প্ৰদায়ৰ ৰাজনীতিত লিপ্ত হৈ আহিছে। বৰ্তমান কৰ্প'ৰেট খণ্ডই ক্ৰয় কৰা নিৰ্বাচনী বণ্ডৰ সৰহভাগ শাসক দল বিজেপিয়ে লাভ কৰিছে। লক্ষ্যণীয়ভাৱে নিৰ্বাচনত পৰাজিত হ'লে বিজেপিয়ে পাছলৈ কূটকৌশলেৰে নিৰ্বাচিত চৰকাৰক ওফৰোৱাৰ বাবে প্ৰচেষ্টা চলাই এক নতুন ধাৰাৰ সৃষ্টি কৰিছে। ফলস্বৰূপে দেশৰ গণতন্ত্ৰত এয়া এক বৃহৎ প্ৰহসন হৈ পৰিছে। এখন সংখ্যাগৰিষ্ঠ চৰকাৰক কূটকৌশলেৰে অপসাৰণ কৰি নিজে ক্ষমতাত অধিষ্ঠিত কৰাটো এক ৰাজনৈতিক প্ৰহসন মাত্ৰ।

সি যি কি নহওক, কোনো বৃহৎ শাসকীয় দলে যাতে বিৰোধী নেতাসকলক ক্ৰয় কৰিব নোৱাৰে তাৰ এক পানী নসৰকা ব্যৱস্থা কৰা প্ৰয়োজন। বৰ্তমানৰ বিসম্বাদ বিৰোধী আইনখন এই ক্ষেত্ৰত যথেষ্ট নহয়। সেয়েহে এক নতুন আইন তথা ব্যৱস্থাৰ প্ৰয়োজন য'ত নেতাসকলে মাজবাটতেই জনসাধাৰণক বিশ্বাসঘাতকতা কৰি ধন আৰু ক্ষমতাৰ লোভত নিজকে শক্তিশালী দলৰ ওচৰত আত্মসমৰ্পণ কৰিব নোৱাৰে।

বিজেপিয়েও বিৰোধী বিহীনভাৱে প্ৰশাসন তথা চৰকাৰ চলোৱাৰ বাসনাৰে যেনেদৰে বিৰোধী দলবোৰৰ বিধায়ক-সাংসদসকলক প্ৰলোভিত কৰি চৰকাৰ পতনৰ অভিযান চলাইছে তেনে অভিযানৰ পৰিৱৰ্তে শক্তিশালী বিৰোধীৰ স'তে প্ৰতিযোগিতা কৰি চৰকাৰ চলাই গণতন্ত্ৰৰ পতাকা ঊৰ্দ্ধত তুলি ধৰাহে বাঞ্চনীয়।

# বৰ্তমান দেশত আটাইতকৈ ভয়াৱহ সুদূৰপ্ৰসাৰী সংকট হ'ল নাগৰিকৰ কৰ্মহীনতা



## অগ্নিবীৰৰ ক্ষোভৰ অগনি



দৃষ্টিপাত
অনন্ত কলিতা

**যোৱা** আঠ বছৰত জনসাধাৰণে মোদী চৰকাৰৰ অনেক তামাচা, বঞ্চনা, প্ৰতাৰণাৰ অভিজ্ঞতা অৰ্জন কৰিছে আৰু দাঁত-মুখ কামুৰি সেইবোৰ সহ্য কৰি আহিছে। কিন্তু ঠিকা সেনা নিয়োগৰ ঘোষণাৰ পাছত সহ্যৰ সমস্ত বান্ধোন ভাঙি চুৰমাৰ হৈ গ'ল। ৰাস্তাত নামি পৰিছে হেজাৰ হেজাৰ লাখ লাখ স্বপ্ন দেখা তৰুণ। হাতত জাতীয় পতাকা, বুকুত ত্ৰিৰংগ ৰেজ। চলিছে শোভাযাত্ৰা, অৱস্থান, অৱৰোধ। মুখত মোদী চৰকাৰৰ বিৰুদ্ধে শ্ল'গান আৰু পুঞ্জীভূত ঘৃণা। চকু মুখত যেন স্বপ্ন হেৰোৱা হতাশাৰ ক'লা ছাপ আৰু ক্ষুব্ধ চকুত ক্ৰোধৰ অগনি। আৰম্ভ হৈছিল বিহাৰৰ কেইখনমান জিলাত। ইয়াৰ পাছত উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, হাৰিয়ানা, উত্তৰাখণ্ড, ৰাজস্থান, হিমাচল প্ৰদেশ পৰ্যন্ত বিয়পি পৰিছিল। বৰ্তমান জম্মু, ঝাৰখণ্ড, ওড়িছাসহ উত্তৰ, মধ্য আৰু পূৰ্বভাৰত অতিক্ৰম কৰি বিক্ষোভৰ অগনি উল্কা বেগত উপনীত হৈছে দক্ষিণৰ অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আদি সকলো ৰাজ্যলৈ। বাদ পৰা নাই পশ্চিমবংগ, অসমো। এই বিক্ষোভ মূলতঃ সেনাবাহিনীত যোগ দিয়াৰ বাবে প্ৰত্যাশী তৰুণসকলে স্বতঃস্ফূৰ্তভাৱে সংগঠিত কৰিছে। কালক্ৰমত এই বিক্ষোভত অংশগ্ৰহণ কৰিছে সমস্ত নিবনুৱা যুৱক-যুৱতীসকলে। আনকি বিক্ষোভলৈ আগবাঢ়ি আহিছে সাধাৰণ মানুহ আৰু কৃষকসকল। ফলত বিক্ষোভে সাৰ্বিক আৰু ব্যাপক চেহেৰা লৈ সমগ্ৰ দেশকে আলোড়িত কৰিছে। দাবী এটাই শীঘ্ৰে অগ্নিপথ আঁচনি বাতিল কৰক। সেনাসহ সমস্ত চৰকাৰী কৰ্মত স্থায়ী নিয়োগ কৰিব লাগিব। বেকাৰসকলক কাম দিয়ক। বিক্ষোভকাৰীসকলৰ উত্তেজনা, উন্মাদনা আৰু ক্ৰোধৰ মাত্ৰা ইমানেই প্ৰৱল হৈছে যে আন্দোলন প্ৰায় সকলো ঠাইতে শান্তিপূৰ্ণ হৈ থকা নাই। অনেক ক্ষেত্ৰতেই ই হিংসাত্মক হৈ উঠিছে যৌৱনৰ আৱেগৰ প্ৰাৱল্যত। বাদ পৰা নাই বিজেপিৰ নেতা—মন্ত্ৰীসকলো। তেওঁলোকৰ ঘৰ-বাৰী আনকি দলৰ কাৰ্যালয়ো আক্ৰান্ত হৈছে। কেন্দ্ৰ আৰু ৰাজ্যৰ শাসক আৰু বিজেপিৰ বিৰুদ্ধে পুঞ্জীভূত ক্ষোভ সৰ্বত্ৰ ওকালাই দিছে তৰুণ সমাজে। প্ৰধানমন্ত্ৰী হৈ পৰিছে তৰুণ সমাজৰ স্বপ্নঘাতক। এনেকুৱা এজন প্ৰধানমন্ত্ৰী আৰু তেওঁৰ চৰকাৰ যে তৰুণ সমাজৰ ওচৰত অসহ্য সেইটো প্ৰমাণ কৰিছে বিক্ষোভৰ অগনিয়ে।

বছৰত দুই কোটি চাকৰি দিয়াৰ লোভ দেখুৱাই মোদীয়ে দেশবাসীক অকল প্ৰবঞ্চনাই কৰা নাই তেওঁলোকক প্ৰতাৰণাও কৰিছে। ক্ষমতাত আহি প্ৰতিশ্ৰুতি অনুযায়ী কৰ্মসংস্থান সৃষ্টিৰ সলনি চৰকাৰী বিভাগবোৰত খালী হোৱা পদবোৰো পূৰণ নকৰি নিয়োগ সম্পূৰ্ণ বন্ধ কৰি দিছে। এনেকুৱা প্ৰধানমন্ত্ৰীৰ কালছোৱাত দেশত নিবনুৱাৰ সংখ্যাই সৰ্বকালীন ৰেকৰ্ড সৃষ্টি কৰিছে। কেন্দ্ৰীয় দপ্তৰবোৰত নতুন পদ সৃষ্টি দূৰৰ কথা খালী হোৱা ন লাখ পদকে পূৰণ কৰিবলৈ নিয়োগ কৰা নাই। সেনাবাহিনীতে দুই লাখ পদ খালী হৈছিল, পূৰণ কৰা নাই। বছৰি দুই কোটি নিয়োগৰ প্ৰতিশ্ৰুতি দি যোৱা আঠ বছৰে কোনোধৰণৰ নিয়োগ নকৰি ২০২৪ৰ লোকসভা নিৰ্বাচনৰ আগত বেকাৰ যুৱসমাজক মুৰ্খ বনাবলৈ ভোট সংগ্ৰহ কৰাৰ কৌশল হিচাপে ১০ লাখ নিয়োগৰ ঘোষণা কৰিছে প্ৰধানমন্ত্ৰীয়ে। এই ঘোষণাৰে অংশ হ'ল ঠিকা সেনা নিয়োগ। সংসদত দাখিল কৰা তথ্য অনুযায়ী ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২০-২১ বিত্তীয় বৰ্ষলৈ কেন্দ্ৰীয় চৰকাৰৰ ৰেল প্ৰতিৰক্ষা বিভাগসহ ৭৩টা বিভাগত নিয়োগ হৈছে চাৰি লাখ ১৩ হেজাৰ ৩০২ জন। বছৰি দুই কোটি অৰ্থাৎ ২০০ লাখ নিয়োগৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে বছৰি এক লাখ লোককো কৰ্মসংস্থান দিব পৰা নাই। ২০২৪ৰ লোকসভা নিৰ্বাচনৰ আগমুহূৰ্তত এতিয়া ডেৰ বছৰত ১০ লাখ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছে, এইটোও নিশ্চয় শ্ল'গানতে থাকিব, বাস্তৱায়িত নহ'ব।

স্বাধীনতাৰ পাছৰে পৰা সেনা নিয়োগৰ ক্ষেত্ৰত যি পদ্ধতি অৱলম্বন কৰা হৈছিল মোদী ঘোষিত স্বাধীনতাৰ অমৃতকালত ইয়াক সম্পূৰ্ণৰূপে পৰিৱৰ্তন কৰি দিয়া হৈছে 'অগ্নিপথ' প্ৰকল্পৰ মাধ্যমৰে। এই প্ৰকল্পত স্থায়ীভাৱে নিয়মিত সেনা নিয়োগৰ ৰাস্তা কাৰ্যতঃ বন্ধ কৰি চুক্তিৰ ভিত্তিত অস্থায়ী ঠিকা সেনা নিয়োগ কৰাৰ প্ৰস্তাৱ কৰিছে। এই প্ৰকল্পত চাৰে ১৭ বছৰৰ পৰা ২১ বছৰ বয়সৰ (প্ৰৱল বিক্ষোভৰ পাছত ২১ বছৰক ২৩ বছৰ কৰা হৈছে) যুৱক-যুৱতীসকলক চাৰি বছৰৰ কাৰণে ঠিকা সেনা হিচাপে নিয়োগ কৰা হ'ব। চাৰি বছৰ পাছত দক্ষতাৰ ভিত্তিত মাত্ৰ ২৫ শতাংশক পুনৰ্নিয়োগ কৰা হ'ব নিয়মিত সেনা হিচাপে সিও ২৫ বছৰৰ বাবে। ইয়াৰ পাছত অৱসৰ ল'ব লাগিব। চাৰি বছৰৰ বাবে নিযুক্ত অগ্নিবীৰসকলৰ প্ৰথম অৱস্থাত মাহে ৩০ হেজাৰ টকা মজুৰি দিয়া হ'ব আৰু ইয়াৰে ন হেজাৰ টকা কাটি ৰাখি ২১ হেজাৰ টকা দিয়া হ'ব। তিনি বছৰৰ পাছত মজুৰি ৪০ হেজাৰ টকা হ'লেও ২৮ হেজাৰ টকাহে হাতত দিব। চাৰি বছৰৰ মূৰত অৱসৰৰ সময়ত ঘূৰাই দিব ১১.৭১ লাখ টকা।

মাত্ৰ ছয় মাহৰ বাবে প্ৰশিক্ষণ দি অগ্নিবীৰসকলক দেশৰক্ষাৰ গুৰুদায়িত্ব কান্ধত তুলি দিব। আনকি তেওঁলোকক পঠোৱা হ'ব পাকিস্তান আৰু চীন সীমান্তত। আত্মবলিদানৰ মানসিকতা লৈয়ে তেওঁলোকে সীমান্তত সেনাসকলৰ লগত একে কৰ্তব্যত কাম কৰিব লাগিব যদিও স্থায়ী সেনাসকলৰ দৰে সা-সুবিধা নাপাব। পেঞ্চন, গ্ৰেচুইটিটো দূৰৰ কথা স্বাস্থ্য সংক্ৰান্ত সুবিধাও অগ্নিবীৰসকলৰ নিমিলিব। একমাত্ৰ কৰ্তব্যৰত অৱস্থাত মৃত্যু হ'লে বা এশভাগ বিকলাংগ হ'লে ৪৪ লাখ টকা দিব। ভাৰতৰ সেনাবাহিনীত অগ্নিবীৰ নামে চাৰি বছৰৰ বাবে ঠিকা সেনা নিয়োগৰ এই প্ৰকল্পক প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বিপ্লৱী পদক্ষেপ বুলি জাহিৰ কৰিছে। দলৰ অনেকে কৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এইটো এটা 'মাষ্টাৰ ষ্ট্ৰোক'।

মূলতঃ দুটি প্ৰধান উদ্দেশ্যক সন্মুখত ৰাখি সৃষ্টি কৰিছে অগ্নিপথ প্ৰকল্প। প্ৰথমটো হ'ল দেশত ক্ৰমাগত বৃদ্ধি হৈ থকা নিবনুৱাৰ সংখ্যা আৰু কৰ্মহীনতাৰ সংকটক কিছু প্ৰকাৰে আঁৰাল কৰি ৰখাৰ কৌশল। আনটো হ'ল কৰ্মী শিতানত ব্যয় যথাসম্ভৱ হ্ৰাস কৰাৰ নীতিক প্ৰতিৰক্ষা ক্ষেত্ৰতো চালু কৰা। এই দুয়োটা উদ্দেশ্য সংমিশ্ৰণ কৰি পেকেজ আকাৰে লোভনীয় হোৱাৰ কৌশলেৰে হাজিৰ কৰিছে আগত লোকসভা নিৰ্বাচনক লক্ষ্য কৰি। বৰ্তমান দেশত আটাইতকৈ ভয়াৱহ সুদূৰপ্ৰসাৰী সংকট হ'ল দেশৰ নাগৰিকৰ কৰ্মহীনতা। আগত নিৰ্বাচনত বিৰোধী ৰাজনৈতিক দলবোৰে এইটোকে মুখ্য ইছ্যু কৰিব। অকল হিন্দুত্ব আৰু ধৰ্মীয় সাম্প্ৰদায়িক বিভাজনৰ ৰাজনীতিৰে আগত লোকসভা নিৰ্বাচনত হয়তো সহজে জিকাৰ লক্ষ্য পূৰণ কৰা সম্ভৱ নহ'ব। সেয়ে চাকৰি দিয়াৰ প্ৰত্যাশাৰ সৃষ্টি কৰি মানুহৰ ক্ষোভক দমাই ৰখাৰ কৌশল লৈছে। স্থায়ী সেনা বা কৰ্মী নিয়োগ হ'লে খৰচ অনেক বৃদ্ধি হ'ব। পুঁজিপতিৰ স্বাৰ্থৰ দেৱলীয়া চৰকাৰখনে সেইটো নিবিচাৰে। ভাৰতৰ সেনাবাহিনীত আছে ১২ লাখ সেনা। প্ৰতি বছৰ গড়ে ৫৫ হেজাৰ পদ খালী হয় অৱসৰৰ বাবে। মোদী চৰকাৰ শাসন ক্ষমতাত অহাৰ পাছৰে পৰা যিমানেই দেশপ্ৰেম আৰু দেশৰক্ষাৰ চিৎকাৰ দিয়ক, সেনাবাহিনীত খালী হোৱা পদবোৰ পূৰণ কৰাত কেতিয়াও গুৰুত্ব দিয়া নাই বা ব্যৱস্থা গ্ৰহণ কৰা নাই। যোৱা দুবছৰ ক'ভিডৰ অজুহাতত কোনোধৰণৰ নিয়োগেই কৰা নাই। সেনাবাহিনীৰ সংখ্যা বৃদ্ধি কৰা দূৰৰ কথা প্ৰায় আঢ়ৈ লাখ খালী পদে পূৰণ কৰা নাই। এতিয়া ভোটৰ আগত সেই পদৰ কিছু অংশ পূৰণৰ কথা কৈছে।

স্থায়ীভাৱে এজন সৈনিক নিয়োগ কৰিলে নিয়মিত সেনা হিচাপে মজুৰি পাব আৰু মজুৰিৰ পৰিমাণ হ'ব বেছি। তদুপৰি দিব লাগিব পেঞ্চন, গ্ৰেচুইটি, স্বাস্থ্য আদিৰ সুবিধা। কিন্তু অগ্নিবীৰসকলৰ মজুৰি ৩০ হেজাৰৰ পৰা ৪০ হেজাৰ টকাৰ ভিতৰত সীমিত হৈ থাকিব আৰু আন অৱসৰকালীন একো সুবিধা তেওঁলোকে নাপাব। এই বছৰ স্থলবাহিনীত ৪০ হেজাৰ, নৌবাহিনীত তিনি হেজাৰ আৰু বিমান বাহিনীত তিনি হেজাৰ মুঠ ৪৬ হেজাৰ অগ্নিবীৰ নিয়োগ কৰাৰ প্ৰস্তাৱ কৰিছে। ২০৩০ ৰ ভিতৰত অৰ্ধেক সেনা অৰ্থাৎ ছয় লাখেই হ'ব অগ্নিবীৰ। এজন স্থায়ী সেনা সাধাৰণতে অৱসৰ লয় ৪০ বছৰ বয়সত। তাৰ পাছত বাকী জীৱন পেঞ্চন পায়। কিন্তু অগ্নিবীৰসকলে অৱসৰ ল'ব ২১ৰ পৰা ২৭ বছৰ বয়সৰ ভিতৰত। এই বয়সত দেশৰ প্ৰায়সকল ছাত্ৰ-ছাত্ৰীৰ উচ্চশিক্ষাই শেষ নহয়। সেই বয়সত অগ্নিবীৰসকল বেকাৰ হৈ ওলাই আহিব আৰু অনিশ্চিত হতাশময় জীৱনত ভৰি দিব। তদুপৰি অগ্নিবীৰৰ ২৫ শতাংশই যে স্থায়ী হ'ব তেওঁলোকৰো কামৰ বছৰ কমাই ১৫ বছৰ কৰিছে। অৰ্থাৎ এওঁলোককো চাকৰিৰ পৰা সোনকালেই খেদি দিব। সেনাবাহিনী সংস্কাৰৰ নামত সেনাসকলৰ দেশপ্ৰেম আৰু আত্মবলিদানৰ মানসিকতা, নিৰলস পৰিশ্ৰমক পূৰ্ণ ব্যৱহাৰ কৰা হ'ব, কিন্তু তেওঁলোকৰ পৰিয়ালৰ জীৱন যাপনৰ দায়িত্ব লোৱা নহ'ব। কিছুমান প্ৰতাৰণামূলক প্ৰতিশ্ৰুতিৰ বাহিৰে সামাজিক নিৰাপত্তা বুলি তেওঁলোকৰ একোৱে নাথাকিব।

কোৱা হৈছে বয়স কম থাকিলে দক্ষতা বাঢ়িব। কম বয়সীয়াসকলে সহজে আয়ত্ত কৰিব পাৰে, শিকিব পাৰে। ৰিস্ক (Risk) লোৱাৰ সাহস অধিক। ছয়মাহ প্ৰশিক্ষণ লৈ কোনোৱে সেনাবাহিনীৰ দক্ষ সেনা হৈ উঠিব নোৱাৰিব। প্ৰশিক্ষণৰ লগে লগে কামৰ মাজেদি অভিজ্ঞতা সঞ্চয়ৰ দ্বাৰাহে তেওঁলোকক দক্ষ আৰু যোগ্য কৰি তুলিব পাৰি। এজন অগ্নিবীৰে ছয়মাহ প্ৰশিক্ষণ আৰু ছুটী বাদ দি আঢ়ৈ বছৰ কাম কৰাৰ সুযোগ পাব। এই সময়খিনিত কোনেও মানসিক-শাৰীৰিক আৰু মেধাগতভাৱে যুদ্ধৰ বাবে তৈয়াৰী হৈ যাব নোৱাৰে। তদুপৰি যিসকলে জানে যে কেইমাহমান পাছতেই তেওঁলোক অৱসৰ ল'ব লাগিব তেওঁলোকে মাৰাত্মক ৰিস্ক (Risk) ল'বলৈ মানসিকভাৱে তৈয়াৰ হ'ব পাৰিবনে? ভাৰতৰ নিচিনা উচ্চ হাৰৰ নিবনুৱাৰ দেশখনত অস্ত্ৰ প্ৰশিক্ষণ লোৱা এক বিশাল বাহিনী যদি সমাজত অৱস্থান কৰে এক নতুন সমস্যাৰ উদ্ভৱ নহ'ব জানো? যুৱকসকলে দুষ্কৃতিমূলক কাম বা সন্ত্ৰাসবাদৰ চক্ৰবেহুত সোমাই পৰাৰ আশংকা নিশ্চয় আছে। সমাজখনক সামৰিকীকৰণৰ পথত লৈ যোৱা উগ্ৰ হিন্দুত্ববাদৰ ই এক সচেতন কৌশলী প্ৰয়াস নহয়তো? দেশপ্ৰেমৰ আৱেগ ঢালি দি কৈছে দেশৰ সুৰক্ষা খণ্ড কৰ্মসংস্থানৰ ক্ষেত্ৰ নহয়। সেয়ে ঠিকা সেনা প্ৰকল্পৰ বিৰোধিতা অযৌক্তিক। কিন্তু যিসকলে চৰকাৰৰ এই প্ৰকল্পৰ হৈ ওকালতি কৰিছে তেওঁলোকে পাহৰিলে নচলিব যে সেনাসকলো ৰক্ত-মাংসৰ মানুহ। তেওঁলোকৰ পৰিয়াল আছে, অৰ্থাৎ স্ত্ৰী-ল'ৰা-ছোৱালী আছে, মা-পিতা আছে, ভায়েক-ভনীয়েক আছে আৰু নিজৰ জীৱনৰ এটা ভৱিষ্যৎ স্বপ্ন আছে। তেওঁলোকৰো পৰিয়াল প্ৰতিপালনৰ কাৰণে ন্যায়সংগত জীৱন-জীৱিকাৰ পথৰ প্ৰয়োজন। লঘোনে থাকিলে দেশপ্ৰেমৰ চিন্তা বা আৱেগ মনত নাহে। সেনাসকল আত্মবলিদানৰ বাবে প্ৰস্তুত থাকিলেও ঘৰত তেওঁলোকৰ পৰিয়াল আছে। পৰিয়ালৰ জীৱন যাপনৰ কথা সেনাসকলে ভাবিবই লাগিব। মুখ্যতঃ সেনাসকল যেতিয়া সেনা হ'বলৈ আহে তেতিয়া তেওঁলোকৰ প্ৰথম লক্ষ্য আছিল কৰ্মসংস্থানহে পাছতহে আত্মবলিদানৰ লক্ষ্যৰ প্ৰশ্ন আহে।


ভাৰতৰ যিসকলে সেনাবাহিনীত সৈনিক হিচাপে যোগ দিবলৈ আহে তেওঁলোক মুখ্যতঃ গাঁৱৰ গৰিব কৃষক পৰিয়ালৰ সন্তান। চৰকাৰে দেশপ্ৰেমৰ আৱাজ দিলেও এই সৈনিকসকলে কৰ্মসংস্থান হিচাপেহে সেনাবাহিনীত যোগ দিয়ে। অৰ্থনৈতিকভাৱে আগবঢ়া পৰিয়ালৰ ল'ৰা-ছোৱালী সাধাৰণতে সৈনিক হৈ সেনাবাহিনীত যোগ দিবলৈ নাহে। গৰিব পৰিয়ালৰ নিবনুৱাসকলৰ বিকল্প কৰ্মসংস্থানৰ সুযোগ নাই বা নাপায় বাবে সেনাবাহিনীত যোগ দিবলৈ বাধ্য হয়। দেশৰ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ ৰাজ্যকেইখনৰ যুৱকসকলে অধিক হাৰত সেনাবাহিনীত যোগ দিয়ে কৰ্মসংস্থান হিচাপে যিহেতু তেওঁলোকৰ বিকল্প কৰ্মসংস্থানৰ অভাৱ। সমাজ, পৰিয়াল আৰু জীৱনৰ আশা-আকাংক্ষা দূৰত ৰাখি এওঁলোকে দেশৰক্ষাত জীৱন উৎসৰ্গা কৰিবলৈ জঁপিয়াই পৰিছে বুলি ভবাটো সংগত নহয়। এওঁলোকে সেনাবাহিনীত যোগ দিয়ে আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল হ'বলৈহে। এওঁলোকক যদি যোগ্য সেনা হিচাপে গঢ়ি তুলিব লাগে তেতিয়া তেওঁলোকৰ আৰ্থিক দায়িত্ব চৰকাৰে বহন কৰিবই লাগিব।

*ফোন ঃ ৯৪৩৫০৪১২০৩*

> মাত্ৰ ছয় মাহৰ বাবে প্ৰশিক্ষণ দি অগ্নিবীৰসকলক দেশৰক্ষাৰ গুৰুদায়িত্ব কান্ধত তুলি দিব। আনকি তেওঁলোকক পঠোৱা হ'ব পাকিস্তান আৰু চীন সীমান্তত। আত্মবলিদানৰ মানসিকতা লৈয়ে তেওঁলোকে সীমান্তত সেনাসকলৰ লগত একে কৰ্তব্যত কাম কৰিব লাগিব যদিও স্থায়ী সেনাসকলৰ দৰে সা-সুবিধা নাপাব। পেঞ্চন, গ্ৰেচুইটিটো দূৰৰ কথা স্বাস্থ্য সংক্ৰান্ত সুবিধাও অগ্নিবীৰসকলৰ নিমিলিব।

# খোলা মঞ্চ

## এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



জ্যোতিষ চন্দ্ৰ দত্ত, লেখক

**মঞ্চ** বিহুৰ ঐতিহ্যৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে বিহুৰ ঐতিহ্যৰ বিষয়ে আলোচনা কৰিলে বুজাত সহজ হ'ব। বিহু তিনিটা— 'ব'হাগ বা ৰঙালী বিহু, কাতি বা কঙালী বিহু, মাঘ বা ভোগালী বিহু। এই তিনিটা বিহুৰ পৰ্যালোচনা কৰিলে দেখা যায় খেতিৰ লগত সংগতি ৰাখি এই তিনিটা বিহু উদ্‌যাপন কৰা হয়। বিহুৰ আটাইতকৈ তাৎপৰ্য ঐতিহ্য হ'ল সমাজখনক একতাৰ ডোলেৰে বান্ধি ৰখা।

সময় বাগৰাৰ লগে লগে মানুহৰ মনৰ পৰিৱৰ্তন হ'ল। জীৱিকাৰ সন্ধান বিচাৰি মানুহবোৰ চহৰমুখী হ'ল। বিভিন্ন গাঁৱৰ পৰা অহা লোকসকল একলগ ৰাজহুৱা ঠাইত বিহু উদ্‌যাপন কৰিবলৈ ধৰিলে। এনেকৈ ক্ৰমবিকাশ হৈ মঞ্চবিহু গঢ়ি উঠিল। বিভিন্ন গাঁৱৰ পৰা অহা লোকসকলৰ মাজত সম্প্ৰীতি গঢ়ি উঠে আৰু প্ৰত্যেকজনে প্ৰত্যেকজনৰ সুখ-দুখৰ সমভাগী হৈ পৰে। প্ৰথমে হুঁচৰি গাই ধন সংগ্ৰহ কৰি আৰু অসমীয়া কৃষ্টি-সংস্কৃতি ভালপোৱা লোকসকলৰ পৰা সন্মান সহকাৰে দান-বৰঙণি লৈ মঞ্চবিহু অনুষ্ঠিত কৰিছিল। মঞ্চবিহুত বিহুৰ ঐতিহ্য ৰক্ষা কৰি বিহুগীত, হুঁচৰি, বিহুনৃত্য আদিৰে অনুষ্ঠান পৰিৱেশন কৰা হৈছিল; কিন্তু লাহে লাহে বিহুত আধুনিকতাৰ ৰং সানি বিহুৰ ঐতিহ্য অৱনমিত কৰিবলৈ ধৰিলে।

এইবেলি বিহুমঞ্চত বিহুৰ লগত সংগতিবিহীন কৰ্ম-কাণ্ডই মঞ্চবিহুৰ ঐতিহ্য ৰক্ষা কৰাত বিফল হৈছে আৰু এনে আচৰণে বিহুবলীয়া অসমীয়া ৰাইজক অতিষ্ঠ কৰি তুলিছে। বিহু উদ্‌যাপনক কেন্দ্ৰ কৰি কিছুমান লোকে অখাদ্য (উত্তেজক দ্ৰব্য) ভক্ষণ কৰি অশ্ৰাব্য ভাষাৰে জাতীয় সত্তাৰ ওপৰত আঘাত হানিবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ পুংখানুপুংখভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে দুষ্ট চক্ৰৰ প্ৰৰোচনাত বিহুৰ ঐতিহ্য ম্লান কৰি মানুহৰ মনত বিহুৰ প্ৰতি বিৰাগ জন্মাই অপসংস্কৃতিৰে গঢ়ি উঠা বাহিৰা সংস্কৃতি, যি অসমীয়া সমাজে কেতিয়াও স্বীকাৰ নকৰে, তেনে সংস্কৃতি গঢ়ি তুলিবলৈ চেষ্টা চলাই এনে কাৰ্য সংঘটিত কৰে। অসমীয়া সমাজ সজাগ হ'বৰ হ'ল।

অসমীয়া সমাজক বিহুৱে সদায় এক কৰি ৰাখিছে আৰু ভৱিষ্যতেও এক কৰি ৰাখিব। দুষ্ট লোকে বিহুক বিকৃত কৰি বিহুৰ ঐতিহ্য ম্লান কৰিবলৈ চেষ্টা কৰিলেও কৃতকাৰ্য হ'ব নোৱাৰে। কাৰণ প্ৰতিজন অসমীয়াই বিহু ভাল পায় আৰু প্ৰতিজন অসমীয়াৰ সিৰা-উপসিৰাত বিহুৰ ঐতিহ্য প্ৰৱাহিত হৈ আছে। এইবেলি বিহুত (মঞ্চত) দুই-এজন লোকে অসাধু আচৰণ কৰিলে তাৰ বাবে বিহুৰ ঐতিহ্য ম্লান হৈ নাযায়; কিন্তু এনে কাৰ্য কৰা লোকসকলক সকীয়াই দিয়াৰ সময় সমাগত। নহ'লে এনে ধৰণৰ ব্যক্তিয়ে অসমীয়া সমাজখনত প্ৰৱেশ কৰি ঘুণে কাঠ খাই শেষ কৰাৰ দৰে অসমীয়া কলা-কৃষ্টিত দাগ সানিব। এইবাৰ যি হ'ল পাহৰি, ভৱিষ্যতে এনে ধৰণৰ পুনৰাবৃত্তি যাতে নহয়, তাৰ বাবে সাৱধান হ'বৰ হ'ল। অসমীয়া সমাজে বিহুৰ ঐতিহ্য ৰক্ষা কৰিব লাগিব।

*ফোন ঃ ৯৮৫৪০৪১৮১৫*

# শক্তিশালী, ক্ষমতাশালী আৰু পৰিশ্ৰমী

## উচ্চাকাংক্ষী অথবা উপায়হীন অৱস্থাত মানুহ পৰিশ্ৰমী হয়



যি দেখিলো যি বুজিলে
কৈলাশ শৰ্মা

**সবল** মনৰ অধিকাৰীক শক্তিশালী বোলা হয়। অৱশ্যে কিছুমানে পাহাৰ দাঙিব পৰাজনকো শক্তিশালী বুলি ভাবে। এওঁলোকৰ চিন্তাৰ ভুল নাই, কিয়নো এটা সময়ত শাৰীৰিক শক্তিৰ ওপৰত নিৰ্ভৰ কৰি মানুহক শক্তিশালী বুলি গণ্য কৰা হৈছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মনৰ শক্তি বা মানসিক স্থিতিৰ ওপৰত নিৰ্ভৰ কৰি মানুহক শক্তিশালী বুলি গণ্য কৰা হয়। ব্যক্তিৰ ওপৰত শাৰীৰিক আক্ৰমণৰ সম্ভাৱনা কমি অহাৰ পৰিপ্ৰেক্ষিতত শাৰীৰিক শক্তিৰ বিপৰীতে মানসিক শক্তিৰ গুৰুত্ব বৃদ্ধি পাইছে। মানুহৰ শক্তি ব্যক্তিৰ মন আৰু শৰীৰৰ যৌথ উদ্যমৰ ওপৰত নিৰ্ভৰশীল। অৰ্থাৎ ৰুগ্ন শৰীৰেৰে সবল মনৰ অধিকাৰী হোৱাটো অসুবিধা। ঠিক তেনেদৰে দুৰ্বল বা ভয়াতুৰ মনেৰে শাৰীৰিক শক্তি অৰ্জন কৰা সম্ভৱ নহয়। মনৰ শক্তি দীৰ্ঘস্থায়ী হোৱাৰ বিপৰীতে শাৰীৰিক শক্তি দীৰ্ঘস্থায়ী নহয়। শাৰীৰিক শক্তি যন্ত্ৰৰ সন্মুখত তিষ্ঠিব নোৱাৰে যদিও মনৰ শক্তিয়ে যন্ত্ৰকো পৰাভূত কৰিব পাৰে। যন্ত্ৰৰ নিজস্ব মন নাথাকে। যন্ত্ৰৰ গৰাকীৰ মনটোৱেই যন্ত্ৰৰ মন, সেয়েহে যন্ত্ৰৰ মনক, পৰাভূত কৰিব পাৰি কাৰণেই মনৰ শক্তি শাৰীৰিক শক্তিতকৈ উচ্চ পৰ্যায়ৰ বুলি গণ্য কৰা হয়। যন্ত্ৰৰ আৱিষ্কাৰৰ আগৰ অৱস্থাত মনৰ শক্তিতকৈ শাৰীৰিক শক্তিৰ প্ৰাধান্য আছিল। আজি সবল মনৰ ব্যক্তি সমাজৰ সম্পদ বুলি স্বীকৃতি পোৱাৰ বিপৰীতে শাৰীৰিক শক্তিক উপলুঙাৰ পৰ্যায়লৈ অৱনমিত হোৱা নাই। পৰিশ্ৰমী মানুহক আমিবোৰে ভুলতে শক্তিশালী বুলি ভাবো। উচ্চাকাংক্ষী অথবা উপায়হীন অৱস্থাত মানুহ পৰিশ্ৰমী হয়। শাৰীৰিকভাৱে শক্তিশালীসকল পৰিশ্ৰমী বুলি আমাৰ মাজত এটা ভ্ৰান্ত ধাৰণা আছে যদিও এইটোও মিছা নহয় যে পৰিশ্ৰমী হ'বলৈ শাৰীৰিক শক্তি অপৰিহাৰ্য। পৰিশ্ৰমী মানুহৰ মনটোক আকাংক্ষাই পৰিচালনা কৰে। মানুহৰ আকাংক্ষা যিহেতু মানুহ ভেদে ভিন্ন সেয়েহে পৰিশ্ৰমৰ বলত বহুতে সমাজত প্ৰতিষ্ঠা লভিবলৈ সক্ষম হোৱাৰ বিপৰীতে বহু পৰিশ্ৰমিক দিন হাজিৰা কৰি জীৱন অতিবাহিত কৰাও দেখা যায়। পৰিশ্ৰমী মানুহৰ মন-মগজু ৰেলৰ আলিৰ দৰে পোন। কামত ক্ষতি হ'ব বুলি মন-মগজু বৰ কমকৈ ব্যৱহাৰ কৰে। কোনোবাই উজু পথৰ সন্ধান দিলেও মানিব খোজা দূৰৰ কথা, পাৰিলে দাবী-ধমকি দি আঁতৰাই পঠায়। ফলত এওঁলোকৰ শুভাকাংক্ষীৰ অভাৱ, লগ-সংগও সীমিত, এক প্ৰকাৰ অকলশৰীয়া বুলি ক'লেও ভুল নহয়। পৰিশ্ৰমী মানুহক কোনেও বেয়া নাপায় যেতিয়ালৈকে নিজৰ উচ্চকাংক্ষা ৰাজহুৱা নকৰে। ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থা ৰক্ষণশীল। ৰক্ষণশীল সমাজত উচ্চাকাংক্ষা ৰাজহুৱা কৰা মানে শত্ৰু গোটাই লোৱা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আদি পৰিশ্ৰমী লোক, কিন্তু প্ৰচাৰ কৰে শক্তিশালী বুলি। পৰিশ্ৰমী মানুহ শক্তিশালী হ'ব নোৱাৰে, কিয়নো এওঁলোকে শক্তি সঞ্চয় কৰিব নাজানে বা নোৱাৰে। পৰিশ্ৰমী মানুহৰ মন সদায় দুৰ্বল। প্ৰধানমন্ত্ৰী মোদী আৰু আমাৰ মুখ্যমন্ত্ৰী দুয়ো পৰিশ্ৰমী লোক যদিও দুয়োৰে পৰিশ্ৰমৰ ধৰণ সুকীয়া। মোদীয়ে প্ৰয়োজনত পৰিশ্ৰম কৰাৰ বিপৰীতে আমাৰ মুখ্যমন্ত্ৰীয়ে বনুৱাৰ দৰে অনবৰতে পৰিশ্ৰমৰ মাজেৰে দিনটো অতিবাহিত কৰে। মুখ্যমন্ত্ৰীয়ে কামৰ জৰিয়তে নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিব বিচাৰে। ৰুমৰ ভিতৰত দিনটো সোমাই থাকিয়েও কাম কৰিব পাৰে, কিন্তু সেই ফৰ্মূলা তেওঁ বিশ্বাস নকৰে। দ্বিতীয়তে, দেশৰ ৰাজনৈতিক, অৰাজনৈতিক হিন্দুত্ববাদীৰ সমৰ্থকৰ বৃহৎ চক্ৰ এটাই মোদীয়ে পৰিশ্ৰম কৰিব পৰা ক্ষমতাত আকৃষ্ট হৈ প্ৰধানমন্ত্ৰী পদৰ বাবে আগবঢ়াই দিয়াৰ বিপৰীতে আমাৰ মুখ্যমন্ত্ৰীয়ে নিজে মুখ্যমন্ত্ৰীৰ চকীখন আঁজুৰি অনা বুলি ক'লেও ভুল নহয়। চকীত বহাত কাৰোবাৰ আশীৰ্বাদ থাকিলে বহাজনৰ উপদেষ্টা সদৃশ পৰামৰ্শদাতা থাকে, কিন্তু কোনোবাই নিজে নিজে চকীত বহিলে তেওঁৰ উপদেষ্টা নাথাকে। মোদীৰ ভিন্ন দিশত ভিন্ন প্ৰকাৰৰ পৰামৰ্শদাতা আছে বা ৰাখিছে। সেই কাৰণে মোদীয়ে কেৱল সিদ্ধান্ত গ্ৰহণ কৰে আৰু অপ্ৰয়োজনীয়ভাৱে ঘূৰি নুফুৰে। ইয়াৰ বিপৰীতে আমাৰ মুখ্যমন্ত্ৰীয়ে সকলো কথা বা কাম নিজে কৰিববলৈ যোৱা কাৰণে সদায় আক্ৰমণাত্মক অৱস্থাত অৱস্থান কৰাটো পৰিলক্ষিত হয়। দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ আদি শক্তিশালী ৰাজনেতা। যিমানেই জৰুৰী কাম নহওক কিয়, অমিত শ্বাহে কোনো দিনেই দিনৰ ১২ বজাৰ আগতে কোনো চৰকাৰী বা ৰাজহুৱা কামত হাত নিদিয়ে। অৱশ্যে প্ৰয়োজনত নিশা দেৰিলৈকে কাম নকৰা নহয়। ঠিক তেনেদৰে তৰুণ গগৈয়ে কেতিয়াও দিনৰ ১০ বজাৰ আগতে আৰু ৰাতি ন বজাৰ পাছত কোনো কাম নকৰিছিল। যোগী আদিত্য নাথেও পুৱা তিনি বজাতে উঠে যদিও সাত বজাৰ আগতে কাকো দেখা নকৰে বা কোনো চৰকাৰী কামত হাত নিদিয়ে। এইবোৰ ব্যক্তিয়ে শক্তি সঞ্চয় কৰিব জানে আৰু এনেদৰেই শক্তিশালী স্থানত অৱস্থান কৰিবলৈ সক্ষম হৈছে।

ক্ষমতা থাকিলেই ক্ষমতাশালী হ'ব নোৱাৰি। ক্ষমতা প্ৰয়োগ কৰিব পাৰিলেহে ক্ষমতাশালী হ'ব পাৰি। ক্ষমতা দুই ধৰণে আয়ত্ত কৰিব পাৰি। এবিধক পদে ক্ষমতা প্ৰদান কৰে আৰু আনবিধে নিজৰ প্ৰচেষ্টাত ক্ষমতা আহৰণ কৰে। প্ৰথম বিধ ক্ষমতা সাময়িক, অৰ্থাৎ পদ থকালৈ ক্ষমতা থাকে। দ্বিতীয় বিধ ক্ষমতা, ব্যক্তিজনৰ প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰশীল। এওঁলোকে আনৰ হাতত থকা ক্ষমতা নিজে আহৰণ কৰি নিজৰ সুবিধা অনুযায়ী মূল ব্যক্তিজনৰ সন্মতিত প্ৰয়োগ কৰিব পাৰে। এইটো যথেষ্ট জটিল প্ৰক্ৰিয়া, কিয়নো এনেলোক ক্ষমতা থকাজনতকৈ কোনো গুণে কম পাৰদৰ্শী হ'ব নালাগিব। এনেদৰে ক্ষমতা আহৰণ কৰিব পৰাজন জ্ঞানী, কৌশলী, চতুৰ হোৱাৰ উপৰি সময়ত ধূৰ্ত প্ৰকৃতিৰ হ'ব পৰাটো বাঞ্ছনীয়।

তদুপৰি শক্তিশালী বা পৰিশ্ৰমী যি কোনো এটা হোৱাটো বাধ্যতামূলক বুলি বিবেচিত হৈ আহিছে। অৱশ্যে শক্তিশালীজন ক্ষমতাশালী হ'ব পাৰে নে, ক্ষমতাশালীজনৰ শক্তিশালী ৰূপত আত্মপ্ৰকাশ ঘটে সেই সম্পৰ্কত বিজ্ঞমহলত বিবাদ আছে। ক্ষমতা আহৰণ কৰিব পৰাটো নিজৰ প্ৰচেষ্টাৰ উপৰি ক্ষমতা থকাজনৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰশীল। দীঘলীয়া বন্ধুত্ব যিদৰে উভয় পক্ষৰ সন্তুষ্টিৰ ওপৰত নিৰ্ভৰশীল, তেনেদৰে অনুগ্ৰহ দাবী কৰিব পৰাটোও উভয় পক্ষৰ সন্তুষ্টিৰ ওপৰত নিৰ্ভৰশীল। ক্ষমতা থকাজন আপোনাৰ ওপৰত সন্তুষ্ট হোৱা মানে আপুনি কিবাধৰণৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি সন্তুষ্টি আদায় কৰিব পৰা বুলি ধৰা হয়। ক্ষমতা থকা ব্যক্তি এক নিৰ্দিষ্ট ক্ষমতাৰ অধিকাৰী হোৱাৰ বিপৰীতে ক্ষমতাশীল ব্যক্তি যিকোনো ক্ষমতা প্ৰয়োগত সিদ্ধহস্ত হোৱা দেখা যায়। ক্ষমতা থকা ব্যক্তিক এক নিৰ্দিষ্ট সময়ৰ পাছত কোনেও মনত নাৰাখে যদিও ক্ষমতাশীল ব্যক্তি বহু দিনলৈ সমাজত সমাদৃত হৈ থাকে। ক্ষমতাই বহুতক অপ্ৰিয় কৰাৰ উপৰি শত্ৰুৰ জন্ম দিয়াৰ বিপৰীতে ক্ষমতাশীল ব্যক্তিয়ে কামৰ জৰিয়তে শত্ৰু নাশ কৰিব পাৰে।

*লেখক গুৱাহাটী উচ্চ ন্যায়ালয় অধিবক্তা*
*ফোন ঃ ৬০০১৬৭৫২২৩*

## উপাৰ্জনকাৰীৰ সংগী বহু

অভিমত

**আমাৰ** মাজৰ আপোনত্ব বহিঃমুখী হ'ল। অন্তঃমুখিতাৰ অন্তৰ্ধান হোৱা স্বীকাৰ নকৰি নোৱাৰি। ইয়াৰ মৌলিক কাৰণ হ'ল মানুহে মানুহৰ পৰা কিবা পাবলৈ আশা কৰে। নাপালে বা বঞ্চিত হ'লে হয় ক্ষুব্ধ। নোপোৱাৰ কাৰণ জানিলেও তাত সন্তুষ্ট হ'ব নোৱাৰে বা নহয়। আজি চৰকাৰী সুবিধা লাভ কৰোতে বহু ক্ষেত্ৰতে যে ন্যায় পথেৰে পোৱাৰ অযোগ্য বুলি নিজকে জানিলেও অন্যায় পথেৰে হ'লেও সুবিধা লাভৰ কাৰণে বহুতেই যে বহু পথ অৱলম্বন কৰে, এই কথা অসত্য নহয়। মানুহে প্ৰাপ্তিৰ দৌৰাত্ম্যত ধাৱমান হৈ অন্যায়-অনীতিক সহজে আঁকোৱালি লোৱা হ'ল। এনেবোৰ কাৰণতে আমাৰ মাজত ক্ষন্তেকীয়া বহিঃমুখী আপোনত্ব গঢ়ি উঠে, যি আপোনত্বই ঐক্য-সম্প্ৰীতিত সহায় কৰে বুলি ভাবিব নোৱাৰি। দিব পাৰিলে, খুৱাব পাৰিলে হয় আপোন, নোৱাৰিলে আপোন হোৱা নাযায়। অন্তৰাত্মাৰ বিচাৰ কৰা যে নহয়, তাৰেই এয়া প্ৰমাণ। আজিৰ আপোনত্ব গঢ়ি উঠে লাভালাভৰ প্ৰাবল্যতাৰ ওপৰত নিৰ্ভৰ কৰি। যেনে-উপাৰ্জন ভাল যাৰ, তেওঁৰ সংগী বহু হয়, তেওঁ যি চিন্তাৰ লোকেই নহওক কিয়? নিষ্ঠা আৰু সততাৰ ভাবমূৰ্তি যাৰ অলংকাৰ তেনেলোকৰ প্ৰিয় সংগী তাকৰ। নিষ্ঠা আৰু সততাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ল। সেই কাৰণে অন্যায়কাৰীৰ পক্ষত থিয় হোৱা মানুহৰ অভাৱ নোহোৱা হৈ আহিল। আজি বাহিৰত পৰিপাটি, নিৰ্জু যেন দেখা মানুহো ভিতৰি ভয়ংকৰ হোৱা লোকৰ সংখ্যা বৃদ্ধি পাই আহিল। আজিৰ মানুহৰ মাজত দেখা যায় যে আপোন জ্ঞান কৰি থকা মানুহজনো এটা সময়ত আকস্মিকভাৱে পৰ হোৱা দেখা যায়। সেইকাৰণে পৰিয়ালৰ পৰা ৰাষ্ট্ৰলৈকে কোন, কেতিয়া, কাৰ আপোন হয় বা পৰ হয়, সি অনিশ্চিত হ'ল।

**কেশৱ শৰ্মা**
*ফোন ঃ ৯৪০১৮৭৯৪০৮*

# জন দ্ৰাইদেনৰ সমালোচনা

**চিডনিয়ে কৈছিল যে কবিয়ে বাস্তৱ জগতখন অনুকৰণ নকৰে; সোণালী জগত এখন কল্পনাৰে সৃষ্টি কৰে। প্লেট'ৰ ভাষাত কবিয়ে যি আদৰ্শ ৰূপক অনুকৰণ কৰে, চিডনিৰ মতে সেই আদৰ্শ ৰূপটোকে কবিয়ে আমাক দিব পাৰে। দ্ৰাইদেনেও কবিতা সম্পৰ্কে সেই ধৰণৰ মতকে পোষণ কৰিছিল।**




ড° আনন্দ বৰমুদৈ

**জন** দ্ৰাইদেনৰ (১৯৬১-১৭০০) সাহিত্য সমালোচনাৰ তাত্ত্বিক চিন্তা, An Essay of Dramatic Poesy আৰু তেওঁৰ নিজৰ আৰু আনৰো সাহিত্য কৃতিৰ পাতনিবোৰৰ মাজেদি প্ৰকাশ পাইছে। কাব্যৰ প্ৰকৃতি সম্পৰ্কে প্ৰকাশ পোৱা চিন্তাত তেওঁ এৰিষ্টটলৰ কাব্য চিন্তাৰ দ্বাৰা বহু পৰিমাণে প্ৰভাৱিত। অনুকৰণ নীতিৰ ক্ষেত্ৰত তেওঁ এৰিষ্টটলকে সমৰ্থন কৰে। কাব্যই অতীত আৰু বৰ্তমানৰ তথ্যক অনুকৰণ কৰে। মানুহে কোৱা কথা আৰু আছে বুলিও বা বস্তুক, অৰ্থাৎ জনবিশ্বাস আৰু কুসংস্কাৰক অনুকৰণ কৰে আৰু কেনে হ'ব লাগে, অৰ্থাৎ আদৰ্শ ৰূপ এটাক অনুকৰণ কৰে। দ্ৰাইদেনৰ সময়ত কাব্য সম্পৰ্কে গৃহীত চিন্তা আছিল যে ই অতীত আৰু বৰ্তমানৰ তথ্যৰ ওচৰ চপা হ'ব লাগিব। সমালোচকে কাব্যত অতীত বৰ্তমানৰ তথ্যৰ লগত মিলৰ অনুসন্ধান কৰিছিল। দ্ৰাইদেনে সেইবাবে এৰিষ্টটলৰ সংজ্ঞাত উল্লেখ থকা অনুকৰণৰ আন দুটা কথাৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ শ্বেক্সপীয়েৰৰ নাটকত থকা অতি প্ৰাকৃতিক উপাদানক, অৰ্থাৎ ভূত-প্ৰেত আদিকো এক ধৰণৰ অনুকৰণকে বুলিছিল, কাৰণ সিবিলাক আছিল লোকবিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। এই অনুকৰণ হৈছে আন মানুহৰ কল্পনাৰ পৰা কৰা অনুকৰণ। আদৰ্শ ৰূপৰ অনুকৰণে আনন্দ কিয় দিব পাৰে সেই বিষয়ে দ্ৰাইদেনে কৈছে যে আমাৰ সকলো পূৰ্বাণুমানৰ (speculation) লক্ষ্য যিহেতু সত্য, সিবিলাকৰ আৱিষ্কাৰে আনন্দ দান কৰে। প্ৰকৃতিৰ (Nature) সত্য জ্ঞানে যিহেতু আমাক আনন্দ দান কৰে, কবিতাতেই হওঁক বা চিত্ৰশিল্পতে হওঁক, ইয়াৰ প্ৰাণবন্ত অনুকৰণে মানুহক অনেক বেছি আনন্দ দিবই। কবিতা আৰু চিত্ৰশিল্পই প্ৰকৃতিক কেৱল অনুকৰণ নকৰে, প্ৰকৃতিৰ শ্ৰেষ্ঠ অংশক অনুকৰণ কৰে। এই শ্ৰেষ্ঠ অংশ-মহান উচ্চতাত অধিষ্ঠিত হৈ থাকে। সেই অনুকৰণে আমাক জীৱনৰ যি প্ৰতিকৃতি দান কৰিব পাৰে সি যিকোনো ব্যক্তিৰ জীৱনতকৈ অধিক নিখুঁত। কবিয়ে প্ৰকৃতিৰ মাজত সিঁচৰতি হৈ থকা সৌন্দৰ্যক আনন্দদায়ক ৰসায়নৰ সহায়ত একত্ৰিত কৰি ত্ৰুটি আৰু বিকৃতিৰ পৰা মুক্ত কৰি উপস্থাপন কৰে।

দ্ৰাইদেনে কোৱা কথা বহু পৰিমাণে চিডনিয়ে কোৱা কথাৰ লগত মিলে। চিডনিয়ে কৈছিল যে কবিয়ে বাস্তৱ জগতখন অনুকৰণ নকৰে; সোণালী জগত এখন কল্পনাৰে সৃষ্টি কৰে। প্লেট'ৰ ভাষাত কবিয়ে যি আদৰ্শ ৰূপক অনুকৰণ কৰে, চিডনিৰ মতে সেই আদৰ্শ ৰূপটোকে কবিয়ে আমাক দিব পাৰে। দ্ৰাইদেনেও কবিতা সম্পৰ্কে সেই ধৰণৰ মতকে পোষণ কৰিছিল। সাম্প্ৰতিক কালৰ কোনো কোনো কবিয়ে কোৱা শুনো যে তেওঁলোকে নিজৰ কাৰণেহে লিখে। দ্ৰাইদেন সেই ধৰণৰ কবি নাছিল। তেওঁৰ দিনৰ কোনো কবিয়ে কেৱল নিজৰ ওচৰত আত্মাৰ দুৱাৰ মুকলি কৰা নাছিল। কলাৰ বাবে কলাৰ ধাৰণাটো তেতিয়া নাছিলেই। কবিয়ে যি লিখিছিল পাঠক অথবা শ্ৰোতাক উদ্দেশ্য কৰিয়েই লিখিছিল। পূৰ্বৰ সকলো যুগতে কথাবোৰ তেনেকুৱাই আছিল। প্লেট'ই বিচাৰিছিল যে কবিতাই পাঠক শ্ৰোতাক নিৰ্দেশ দিয়ক। এৰিষ্টটলে বিচাৰিছিল যে কবিতাই মানুহক আনন্দ দান কৰক। হৰেচে বিচাৰিছিল যে কবিতাই আনন্দ দানৰ মাজেদি শিক্ষা দিয়ক। লনজাইনাচে কবিতাই মানুহক আন এখন জগতলৈ লৈ যোৱাৰ কথা কৈছিল। পূৰ্বৰ এই সকলো তাত্ত্বিকৰ চিন্তাৰ লগত দ্ৰাইদেন পৰিচিত আছিল। নিজৰো লেখক আৰু পাঠক হিচাপে তেওঁৰ প্ৰচুৰ অভিজ্ঞতা আছিল। তেওঁ সিদ্ধান্ত কৰিছিল যে কবিতাৰ লক্ষ্য হ'ল পাঠকক আনন্দ দান কৰা আৰু এখন সুকীয়া জগতলৈ লৈ যোৱা। শিক্ষাদান অথবা নিৰ্দেশনা দিয়াটো কবিতাৰ কাম নহয়। তাকে কৰিবলৈ যাওঁতে কবিতাই জীৱনক কেৱল অনুকৰণ নকৰে, নিজৰ ধৰণেৰেই জীৱনক উপস্থাপন কৰে। ই হ'ল সামগ্ৰিকতাৰ লগত এক সুন্দৰ সাদৃশ্য (a beautiful resemblance of the whole)। তেওঁৰ মতে একমাত্ৰ নহ'লেও কবিতাৰ প্ৰধান কাম আনন্দ দান। নিৰ্দেশনাৰ কথাটো দ্বিতীয় স্থানত মানি ল'ব পাৰি। আনন্দ দানৰ মাজেদি কবিতাই নিৰ্দেশ দিব পাৰে। ভালকৈ অনুকৰণ কৰাটো কবিৰ দায়িত্ব, কিন্তু কেৱল অনুকৰণৰ দ্বাৰা আত্মাক প্ৰভাৱিত কৰি, আবেগ উদ্ৰেক কৰি প্ৰশংসা আদায় কৰিব নোৱাৰি। অনুকৰণত অনেক সাদৃশ্যই ধৰা দিব পাৰে, দক্ষ চিত্ৰশিল্পী এজনে সেইবোৰ ধৰি ৰাখিব পাৰে, ছবি এখনত সেই সাদৃশ্য দেখা যাব পাৰে, কিন্তু সকলো বিশিষ্টতাক ধৰি ৰখাটোৱেই ছবি এখনক উৎকৃষ্ট নকৰে। শিল্পীয়ে সাদৃশ্যৰ ইমানখিনিহে গ্ৰহণ কৰিব লাগিব, যিখিনিয়ে সুন্দৰকৈ সামগ্ৰিকতাত সাদৃশ্যক ধৰি ৰাখিব। শিল্পীয়ে প্ৰকৃতিক কৰা মুক্ত তোষামোদৰ মাজেদি প্ৰকৃতিৰ সৌন্দৰ্যৰ কোনোবা অংশক মহান উচ্চতালৈ লৈ যাব আৰু প্ৰকৃতিৰ কোনো অংশত থকা বিকৃতিক ঢাকি ৰাখিব। সেই বাবে দ্ৰাইদেনৰ দৃষ্টিত কবি কেৱল শিক্ষকো নহয় আৰু অনুকৰণকাৰীও নহয়। তেওঁ ফটোগ্ৰাফাৰ এজনৰ নিচিনাকৈ প্ৰকৃতিক হুবহু ৰূপত কেৱল ধৰি নাৰাখে। তেওঁ এজন স্ৰষ্টা।

কবি এজনৰ কাৰণে জীৱন অথবা প্ৰকৃতি সৃষ্টিৰ মূল সামগ্ৰী। জীৱন অথবা প্ৰকৃতিৰ পৰা মূল সামগ্ৰী গ্ৰহণ কৰিলেও তেওঁ নতুন বস্তু এটা সৃষ্টি কৰে। কবিৰ এই সৃষ্টিৰ মূলৰ লগত তেওঁৰ সৃষ্টিৰ সাদৃশ্য থাকিলেও উপৰি সৌধৰ ফালে ই সুকীয়া। ইয়াক শিল্প, অনুকৰণ নহয়। এই কথাকে আচলতে 'পয়েটিকচ'ত এৰিষ্টটলেও কৈছিল। প্লেট'ই যেতিয়া কবিতাক বাস্তৱ সত্যৰ পৰা বহু আঁতৰত বুলি কৈছিল, এৰিষ্টটলে সেই যুক্তি খণ্ডন কৰিছিল। প্লেটৰ মতে আমি দেখা বাস্তৱ জগতখনেই এখন আদৰ্শ সত্য জগতৰ অনুকৰণ। এই জগতক কবিয়ে অনুকৰণ কৰে। গতিকে কবিতা অনুকৰণৰ ইয়েই কাৰণ তাৰ উত্তৰত এৰিষ্টটলে কৈছিল যে, কবিয়ে যাক অনুকৰণ কৰে সি ঘটি যোৱা ঘটনা বা ঐতিহাসিক সত্য হোৱাৰ প্ৰয়োজন নাই। ঘটনাক সম্ভাৱনা সূত্ৰই সমৰ্থন কৰিলেই হ'ল। কবিতাৰ সত্যক জীৱনৰ সত্য বুলি খেলিমেলি কৰিব নালাগে। কবিৰ কামৰ এই অংশটোতে দ্ৰাইদেনে কবিৰ কল্পনাৰ প্ৰয়োজন অনুভৱ কৰিছে। কলৰিজৰ ভাষাত ই হ'ল কল্পনাৰ গঢ় দিব পৰা শক্তি। প্ৰকৃতি জগতৰ পৰা কবিয়ে সংগ্ৰহ কৰা কোনো গঢ় নথকা বস্তুত প্ৰাণৰ সঞ্চাৰ কৰে এই কবি কল্পনাই। এই কল্পনাক কবিয়ে অবাধ স্বাধীনতাও নিদিয়ে। দ্ৰাইদেন নিজেই এটা যুক্তিবাদৰ যুগত জীয়াই আছিল আৰু তেওঁ কল্পনাক বিচাৰ শক্তিৰে নিয়ন্ত্ৰণ কৰাৰ কথা কৈছিল।

কবিতাৰ বিভিন্ন ৰূপৰ ভিতৰত নাটকেই দ্ৰাইদেনৰ আটাইতকৈ বেছি মনোযোগ আকৰ্ষণ কৰিছিল। ধ্ৰুপদী নাটকৰ নীতি কিদৰে সমসাময়িক নাটকত প্ৰয়োগ কৰিব পাৰি সেই কথা ফ্ৰাঞ্চে ইউৰোপৰ আগত দাঙি ধৰিছিল। ফৰাচী নাটকত স্থান, কাল আৰু কাৰ্যৰ ঐক্য ৰক্ষা কৰা হৈছিল, ট্ৰেজিক আৰু কমিক উপাদানক মিহলি কৰা নহৈছিল আৰু যি ঘটনাই দৰ্শক অথবা পাঠকক বিৰক্ত কৰাৰ সম্ভাৱনা থাকে, সিবোৰক মঞ্চত নেদেখুৱাই কেৱল সংবাদ হিচাপে উল্লেখ কৰা হৈছিল। ফৰাচী নাটকৰ তুলনাত ইংৰাজী নাটকৰ মহত্ত্ব হ্ৰাস হোৱা যেন বুলি দ্ৰাইদেনে অনুভৱ কৰিছিল। সেই বাবেই তেওঁ Essay of Dramatic Poesy লিখিছিল। তেওঁৰ উদ্দেশ্য আছিল গ্ৰীচ, ৰোম আৰু সমসাময়িক ফৰাচী নাটকক প্ৰাপ্য মৰ্যাদা দিয়াৰ লগতে ইংৰাজী নাটকৰ প্ৰাপ্য মৰ্যাদা প্ৰতিষ্ঠা কৰা। নাটকৰ ধ্ৰুপদী নীতিক তেওঁ সূক্ষ্মভাৱে পৰীক্ষা কৰিছে।



দ্ৰাইদেনৰ নাটকৰ বিষয়ে কৰা আলোচনা কথোপকথনৰ ৰূপত আছে। এজন অংশগ্ৰহণকাৰীয়ে কৈছে যে নাটক হ'ল মানুহৰ আবেগ আৰু মানসিক অৱস্থা বা মেজাজ ধৰি ৰখা মানুহৰ প্ৰকৃতিৰ প্ৰাণবন্ত ছবি। মানুহৰ ভাগ্যলৈ অহা পৰিবৰ্তনে দৰ্শকক আনন্দ প্ৰদান কৰে। দ্ৰাইদেনে দেখুৱাইছে যে নাটকৰ এই উদ্দেশ্য ফৰাচী আৰু আধুনিক ফৰাচী নাটকৰ দৰে ইংৰাজী নাটকেও পূৰণ কৰিব পাৰিছে। অৱশ্যে ইংৰাজী নাটকত ট্ৰেজিক আৰু কমিক উপাদান এটাৰ পৰা আনটো আঁতৰাই ৰখা নহয় আৰু দৰ্শকৰ ৰুচিত্যবোধত আঘাত কৰিব বুলি কোনো ঘটনাৰ কথা বাহিৰৰ পৰা কেৱল সংবাদ হিচাপে পৰিৱেশন কৰা নহয়। ইংৰাজী নাটকে সাধাৰণতে তিনিটা ঐক্যৰ নীতিও মানি নচলে। তেওঁ এটা পৰিৱৰ্তনৰ কথা উল্লেখ কৰিছে। এই পৰিবৰ্তন নাটকৰ ধ্ৰুপদী নীতিৰ আৰু প্ৰকৃতিৰ নিয়মৰ ফালে হোৱা পৰিৱৰ্তন। প্ৰকৃতিৰ জগতত আনন্দ আৰু বিষাদে ওচৰা-ওচৰিকৈ অৱস্থান কৰে। বিষাদৰ অন্ততঃ অহা আনন্দৰ প্ৰভাৱ সৰ্বাধিক হয়। কাৰুণ্য মিহলি আনন্দৰ দৃশ্য এটাৰ প্ৰভাৱ দুটা অংকৰ মাজত দৰ্শকৰ ওপৰত সংগীতৰ প্ৰভাৱৰ নিচিনা।

দ্ৰাইদেনে এই যুক্তি মানি নলয় যে একেটা বিষয়তে থকা আনন্দ আৰু কাৰুণ্যই ইটোৱে সিটোক পৰস্পৰ ধ্বংস কৰে। তেওঁ ক'লে যে ইংৰাজ নাট্যকাৰে ট্ৰেজেডি কমেডিৰ দৰে নাট্যৰূপ এটা আৱিষ্কাৰ কৰি ধ্ৰুপদী নাট্যকাৰ আৰু আধুনিক ফৰাছী নাট্যকাৰ অৱগত নোহোৱা নাট্যৰূপ এটাক আনন্দদায়ক ৰূপ হিচাপে প্ৰতিষ্ঠা কৰিলে। ট্ৰেজি-কমেডিৰ প্ৰতি দ্ৰাইদেনৰ মত পাছলৈ কিছু সলনি হৈছিল। গহীন আৰু ধেমেলীয়া উপাদানৰ সংমিশ্ৰণক তেওঁ অস্বাভাৱিক বুলিছিল।

ধ্ৰুপদী নাটকে কিছুমান অপ্ৰিয় আৰু অবিশ্বাস্য দৃশ্যক, যেনে যুদ্ধ আৰু মৃত্যুক, বাদ দিছিল। দ্ৰাইদেনেও মঞ্চৰ পৰা মৃত্যুক বাদ দিছিল। তেওঁৰ যুক্তি হ'ল যে মৃত্যুক কেতিয়াও ন্যায্য উচ্চতালৈ অনুকৰণ কৰিব নোৱাৰি। দ্ৰাইদেনে নাটকৰ তিনিটা ঐক্যৰ পৰম্পৰাগত ব্যাখ্যাক মানি লোৱা নাছিল। নাটকৰ কাহিনী একক হ'ব লাগিব, কাহিনীৰ সময় এটা দিনৰ ভিতৰত সীমাবদ্ধ থাকিব লাগিব আৰু ঘটনাৰ ঠায়ো একে থাকিব লাগিব বুলি তেওঁ ভবা নাছিল। স্থানৰ ঐক্যৰ কথা এৰিষ্টটলে পয়েটিকচৰ ক'তো উল্লেখ কৰা নাই। ফৰাছীসকলেহে তাক মঞ্চৰ নীতি কৰিছিল। দ্ৰাইদেনৰ মতে মূল কাহিনীৰ লগত উপ-কাহিনীক জৈৱিক ঐক্য সূত্ৰৰে বান্ধি ৰাখিব পাৰি। সময়ৰ ঐক্যৰ ক্ষেত্ৰতো দ্ৰাইদেনৰ মতামত মন কৰিবলগীয়া। দৰ্শক নাট ঘৰত বহি থকা তিনিঘণ্টা সময়ত তেওঁলোকৰ চকুৰ আগত মঞ্চত এদিনত ঘটা ঘটনাক যদি তিনি ঘণ্টাত ঘটা ঘটনা বুলি দৰ্শকক পতিয়ন নিয়াব পাৰি, দীঘলীয়া সময়ত ঘটা ঘটনাও তিনি ঘণ্টাত ঘটা বুলি দৰ্শকক পতিয়ন নিয়াব পাৰি।

ট্ৰেজেডি নাটকৰ সৰ্বাধিক আলোচিত বিশিষ্টতা হৈছে পুতৌ আৰু ত্ৰাস। এৰিষ্টটলে পুতৌ আৰু ত্ৰাসৰ লক্ষ্য অনুভূতিৰ শোধন বুলি কৈছিল। দ্ৰাইদেনৰ কথা হ'ল যে এৰিষ্টটলে ছফ'ক্লিজ আৰু ইউৰিপিডিজৰ নাটকৰ ভিত্তিত সেই কথা কৈছিল। দ্ৰাইদেনৰ সময়ৰ সমাজ জীৱনৰ সত্য দেখা হ'লে এৰিষ্টটলেও হয়তো মত কিছু সলনি কৰিলেহেঁতেন। দ্ৰাইদেনৰ মতে ট্ৰেজেডি নাটকৰ লক্ষ্য হ'ব লাগে পাপৰ বাবে শাস্তি আৰু সজগুণৰ বাবে পুৰস্কাৰ। তেনে কৰিলে জীৱনৰ বাবে সজ উদাহৰণ দাঙি ধৰা হয়। ট্ৰেজেডি নাটকে দৰ্শকৰ মনত সজগুণৰ প্ৰতি প্ৰেম আৰু পাপৰ প্ৰতি ঘৃণাও জগাই তুলিব লাগে।

সমালোচনাৰ কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কেও দ্ৰাইদেনে নিজা মত প্ৰকাশ কৰিছিল। তেওঁৰ মতে সমালোচনাৰ কোনো নীতি সকলো জাতিৰ বাবে সকলো সময়তে প্ৰযোজ্য হ'ব নোৱাৰে। নীতিবোৰ অৱশ্যে যান্ত্ৰিক নহয়, সিবিলাকক প্ৰকৃতিৰ মাজতেই আৱিষ্কাৰ কৰা হয়। তথাপি ধ্ৰুপদী নীতিবোৰ আন যুগতো চিৰন্তনভাৱে সম্পূৰ্ণ ৰূপত প্ৰযোজ্য হৈ থাকিব যদিহে আন যুগতো আন জাতিবোৰো এৰিষ্টটলৰ সময়ৰ নিচিনা হৈ থাকে। সকলো ঠাইতে প্ৰকৃতি আৰু মানুহৰ যুক্তি বিচাৰ একে থাকিলেও যুগ, জলবায়ু, মানুহৰ স্বভাৱ আদি অনেক সলনি হয়। গতিকে গ্ৰীকসকলক সন্তুষ্ট কৰা সমালোচনাৰ নীতিয়ে ইংৰাজ পাঠকক সম্পূৰ্ণ সন্তুষ্ট কৰিব নোৱাৰিবও পাৰে। লেখক এজনে নিজৰ যুগ আৰু মানুহৰ কাৰণে লিখে আৰু তেওঁ নিজেও সেই যুগৰে সৃষ্টি। আন এটা যুগৰ প্ৰতি প্ৰশ্নাতীত আনুগত্য তেওঁ বোধহয় দেখুৱাবও নোৱাৰে। তেওঁ ধ্ৰুপদী নাটক সূক্ষ্মভাৱে অধ্যয়ন কৰাৰ কথা কৈছিল সিবিলাকক অন্ধভাৱে অনুকৰণ কৰিবলৈ নহয়, সিবিলাকে যাতে আমাৰ পথ পোহৰাব পাৰে তাৰ বাবেহে। তেওঁ বেন জনচনৰ নাটকক প্ৰশংসা কৰিছিল। তেওঁ শ্বেক্সপীয়েৰক ভাল পাইছিল। নাটকৰ ৰূপ সুকীয়া হ'লেও শ্বেক্সপীয়েৰৰ ট্ৰেজেডি নাটকে তেওঁক ছফ'ক্লিজ আৰু ইউৰিপিডিজৰ নাটকৰ দৰেই আকৰ্ষণ কৰিছিল।

দ্ৰাইদেনৰ সমালোচনাত্মক বিচাৰত সময়ত জাতীয়তাবাদী চিন্তাই প্ৰভাৱিত কৰিছিল। প্ৰখ্যাত সমালোচক জৰ্জ ৱাটচনৰ ভাষাত সেয়া সাংস্কৃতিক জাতীয়তাবাদ। তুলনামূলক সমালোচনাৰে তেওঁ ইংৰাজী নাটকৰ গুণাগুণ ফৰাছী নাটকৰ বিপৰীতে জুখি চাইছিল। ৱাটচনৰ মতে ইংৰাজী সমালোচনাত তুলনামূলক বিচাৰৰ কাম দ্ৰাইদেনেই পোনতে কৰিছিল। দ্ৰাইদেনে এই কথাহে প্ৰমাণ কৰিবলৈ গ'ল যে যিকোনো এখন ইংৰাজী নাটকৰ মূল্য দুখন ফৰাছী নাটকৰ সমান। (Dryden is out to prove that any English play is worth any two by a Frenchman, and he doesnot much care how he does it.).

*ফোন ঃ ৯৮৬৪২৩২০৮৬*

# য়েটচৰ গল্পত ধৰ্মীয় ভণ্ডামিৰ নগ্ন চিত্ৰণ (২)



**খ্ৰীষ্টিয়ান** ধৰ্ম মানৱতাবাদৰ ওপৰত প্ৰতিষ্ঠিত ধৰ্ম। পবিত্ৰ বাইবেলৰ বাণীসমূহৰ প্ৰাসংগিকতা আজিও আছে। ইয়াত আমি সকলোৱে পৰস্পৰে পৰস্পৰক স্নেহ কৰাৰ কথা আছে, পৰমেশ্বৰত অটল বিশ্বাস ৰখাৰ কথা কৈছে, আমাৰ জীৱনত হোৱা ভালবোৰৰ প্ৰতি আমি ঈশ্বৰৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত, ইত্যাদি। পৰোপকাৰ বাইবেলৰ মহত্তম শিকনি। এই শিকনি খ্ৰীষ্টিয়ান ধৰ্মৰ আধাৰশিলা স্বৰূপ বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব।

আমি ইতিমধ্যে আলোচনা কৰা য়েট্‌চৰ গল্প The Crucification of the Outpost-ত প্ৰত্যক্ষ কৰিছো কেনেকৈ Gleeman জনক 'ঈশ্বৰবিৰোধী', 'অধাৰ্মিক' গীত ৰচনা কৰাৰ বাবে জীৱন্তে ক্ৰুছবিদ্ধ কৰা হ'ল। পৰিশ্ৰান্ত, ক্ষুধাতুৰ পথিক কাম হ'লে পাহাৰৰ নামনিত থকা এ'বে (মঠ)টোলৈ ঢাপলি মেলিছিল। আমি যি সময়ৰ কথা কৈছো সেই সময়ছোৱাত, মঠৰ বাহিৰত একোটাকৈ অতিথি গৃহ আছিল য'ত পথচাৰীয়ে আশ্ৰয় লাভ কৰাৰ লগতে খাবলৈ খাদ্য আৰু পিবলৈ পানীৰ ব্যৱস্থা আছিল। সেই বিশ্বাস লৈয়েই দূৰ ঠাইলৈ যোৱা পথিকসকলে মঠসমূহত আশ্ৰয় আৰু নিৰাপত্তা লাভ কৰিছিল। আতুৰ পথিক কামহলৰ মনতো তেনে এটা আশাই ক্ৰিয়া কৰি আছিল।

কিন্তু ভেঁকুৰ উঠা পাওৰুটি আৰু তিতিকি-তিতিকি লগা পানীৰ দ্বাৰা 'আপ্যায়িত' হোৱাৰ পাছত স্বাধীনচিতীয়া সৃষ্টিশীল মনৰ শিল্পীজনৰ মত অংকুৰিত হোৱা ভাব-চিন্তাবোৰৰ সুৰবদ্ধ শব্দ ৰূপে কামহলৰ মুখৰ পৰা নিসৃত হ'বলৈ ধৰিলে। সেইটোৱেই কামহলৰ বাবে কাল হ'ল কাৰণ মঠৰ আৱাসীসকলৰ দৃষ্টিত অতিথিয়ে তেওঁক গৃহস্থই যি আহাৰেৰে আপ্যায়িত কৰে সেই আহাৰ গ্ৰহণ কৰিয়েই সন্তুষ্ট হ'ব লাগে। তাকেই তেওঁ ঈশ্বৰৰ 'দান' বা 'কৃপা' বুলি গণ্য কৰিব লাগে। তাৰ অন্যথা হ'লে তেওঁ ঈশ্বৰৰ ওচৰত 'দোষী' হ'ব। মানুহে নিজৰ পৰিস্থিতিৰ বাবে ঈশ্বৰক দায়ী কৰিব নোৱাৰে। মানুহে নিজৰ কৰ্ম অনুসৰি ফল ভোগ কৰে। মঠ নিবাসী ভিক্ষু আৰু মঠাধিকাৰ এবটগৰাকীৰ এনে দৃষ্টিভঙ্গীৰ বাবে ক্লান্তি আৰু ক্ষুধাৰে জৰ্জৰিত পথিক কামহলৰ দুৰ্দশা আৰু অভক্ষ কৰিবলৈ বাধ্য হোৱা পৰিস্থিতিটো সাধাৰণ কথা আছিল।

অথচ মঠাধিকাৰ আৰু তেওঁৰ অনুগামীবৰ্গই তেওঁলোকে কায়মনোবাক্যে গ্ৰহণ কৰা এই সংকল্পৰ বাস্তৱিকতা পাহৰি গৈছিল। সেয়া হৈছে পৰোপকাৰিকতা- যি পৰোপকাৰিতাই ব্যক্তিক সাধাৰণ স্তৰৰ পৰা মহত্ত্ব লক্ষ্য সাধনৰ ফালে অগ্ৰসৰ কৰায়। মাজনিশা মঠত আশ্ৰয় বিচাৰি অহা পথিক গৰাকীক তেওঁলোকে সম্পূৰ্ণ দায়বদ্ধ ভাৱনাৰে সেৱাৰ মনোভাৱেৰে শুশ্ৰূষা কৰা উচিত আছিল। কাৰণ মঠনিবাসী সেই ভিক্ষুসকলৰ জীৱনো এটা বিশেষ উদ্দেশ্যৰে পৰিচালিত হৈছিল। সেয়া আছিল পৰোপকাৰ যাৰ মাধ্যমেদি পৰমজনক লাভ কৰা বা পৰমজনৰ কৃপা লাভ কৰা সম্ভৱ। অথচ অহংভাৱৰ বশৱৰ্তী সেই মঠ নিবাসীসকলে তেওঁলোকৰ সেই পবিত্ৰ কৰ্তব্যৰে কথা পাহৰি আক্ৰোহী মনোভাৱৰ বশৱৰ্তী হৈ তেওঁলোকক অপবাক্য বোলা অতিথি কামহলক পিছদিন পুৱা পৰ্বতৰ শিখৰত ক্ৰুছবিদ্ধ কৰি মৃত্যুদণ্ড বিহিবলৈ স্থিৰ কৰিছিল।

সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন



এইখিনিতে অন্য এটা কথাও মন কৰিবলগীয়া। কামহল এগৰাকী পৰিভ্ৰমী মনোৰঞ্জন প্ৰদানকাৰী গায়ক (Gleeman) আছিল। সেই সময়ছোৱাত ৰোমান কেথ'লিক ধৰ্মত লোক মনোৰঞ্জনৰ বাবে আয়োজন কৰা বা সৃষ্টি কৰা সকলো ধৰণৰ ৰচনা 'অধাৰ্মিক' আছিল। গতিকে 'অধাৰ্মিক' বুলি গণ্য কৰা মনোৰঞ্জনধৰ্মী অনুষ্ঠান বা গীত-মাতক 'চয়তানৰ বস্তু' বুলি গণ্য কৰি সেইসমূহৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছিল। কামহলৰ আচাৰ-আচৰণ আৰু সৃষ্টিশীল ৰচনাৰ মাজত মঠৰ অধিকাৰীয়ে 'চয়তানৰ প্ৰভাৱ' প্ৰত্যক্ষ কৰি তেনে 'অপবিত্ৰ' ৰচনাই যাতে তেওঁলোকৰ মঠৰ অনুগত ভক্ত-ভক্তাসকলৰ মন কলুষিত কৰিব নোৱাৰে তাৰ বাবে স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থিৰ কৰিছিল। সেই সিদ্ধান্ত মৰ্মে কামহলক মৃত্যুদণ্ড দিবলৈ স্থিৰ কৰা হৈছিল।

চেইন্ট বেনিগ্‌নাচৰ অনুগামী এইসকল ভিক্ষুৱে এইটো কথা ভাবি শংকিত হৈছিল - "If we do not do somewhat he will teach his curses to the children in the street, and the girls spinning at the doors, and to the robbers upon Ben Bulben."

কামহলে প্ৰচণ্ড ক্ষোভত মঠৰ নিবাসী ভিক্ষুসকলৰ হৃদয়হীন আচৰণত আঘাতপ্ৰাপ্ত হৈ যি ক্ষোভ সঙ্গীত সৃষ্টি কৰিছিল তাক মঠাধিকাৰে এটা 'অপৰাধ' গণ্য কৰি কামহলক প্ৰথমতে সেই গভীৰ নিশা হিম শীতল পানীত ডুবাই জাৰত ঠেৰেঙা লগাই ৰাখি পিছদিনা মৃত্যুদণ্ড দিয়াৰ আদেশ জাৰি কৰিছিল।

গল্পকাৰ য়েট্‌চে এই গল্প ৰচনাৰ মাধ্যমেদি খ্ৰীষ্টধৰ্মৰ গুৰি বঠা ধৰোতা এ'বেসমূহত চলা ধৰ্মীয় ভণ্ডামি আৰু অনীতিৰ নগ্ন চিত্ৰ উপস্থাপন কৰিছে। সাধাৰণ লোকৰ প্ৰতি গিৰ্জাৰ জ্যেষ্ঠ কৰ্মকৰ্তা তথা ধৰ্মৰ গুৰিয়ালসকলৰ এনে ঠেক মনোবৃত্তি, স্বেচ্ছাচাৰিতা আৰু 'পাশৱিক' আচৰণে অনুভৱীজনৰ মনত খ্ৰীষ্টিয়ান ধৰ্মত সেই সময়ছোৱাত প্ৰত্যক্ষ কৰিবলৈ পোৱা ত্ৰুটিসমূহৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে। আইৰিচ সাহিত্য-সংস্কৃতিৰ আজীৱন সেৱক আৰু আইৰিচ জাতীয় আন্দোলনৰ নেতৃস্থানীয় দিক্ দৰ্শক ৱিলিয়াম ৱাট্‌লাৰ য়েট্‌চৰ এই পথিকৃত গল্পটোৱে আইৰিচ সাহিত্য-সংস্কৃতি আৰু জাতীয় জীৱনৰ প্ৰতি আগ্ৰহীসকলক আকৃষ্ট কৰিব।

*(আগলৈ)*

*ইমেইল- neevarani11@gmail.com*

## মফিজ উদ্দিন আহমদ হাজৰিকাৰ স্মৰণীয় কবিতা পুথি

# জ্ঞানমালিনী



মঃ ওৱাহিদুৰ ৰহমান

**মানুহৰ** দেহ চিৰস্থায়ী নহয়। পোৱা-নোপোৱাৰ বেদনাই মানুহ জুৰুলা কৰে। সেয়েহে মানুহৰ জীৱন কাল চিৰস্থায়ী নহয়। মৃত্যুতেই মানুহৰ জীৱনৰ ওৰ পৰে। কচুপাতৰ পানীৰ দৰে মানুহৰ জীৱন।

এই যে জীৱন কাল পদুমৰ দৰে
দেহা পুখুৰীত চৰে থপথপ কৰে।

এই উক্তি মৌলবী মফিজউদ্দিন আহমদ হাজৰিকা চাহেবৰ ৰচিত জ্ঞানমালিনীৰ। ১৮৯৬ত প্ৰকাশিত জ্ঞানমালিনীৰ ছটা কবিতাৰ ভিতৰত মৰিশালিখনি কবিতাটো শ্ৰেষ্ঠ। আন কবিতাকেইটা হৈছে— বিশ্ব খনিকৰ, মুনি-চুনি বেলি, জীৱনৰ দুটা বাট, আত্মন, দিন কণা। কবিৰ জন্ম হৈছিল ডিব্ৰুগড় নগৰত ১৮৭০ত। তেওঁৰ আন দুখন গ্ৰন্থ হৈছে মালিনীৰ বীণ আৰু তত্ত্ব পাৰিজাত। জ্ঞানমালিনীৰ প্ৰাৰম্ভণিতে কৈছে—

দেখা নাই যদি সৰ্গতো আছে ত্ৰিলোকৰ
নিশ্চয়-নিশ্চয় এটি বিশ্ব-খনিকৰ।

অসমৰ প্ৰাকৃতিক সৌন্দৰ্যই কবিক অভিভূত কৰিছিল। এনে নৈসৰ্গিক শোভাত আতুৰ হৈ কবি সৰুৰে পৰা ভাবুক হৈ পৰিছিল। ডিবৰু নদীয়ে প্ৰাণত হিল্লোল তুলিছিল—

ৰঙালী ছবিটি বুকুৰে সাবটি
নাচিছে ডিবৰু নই,
জপনা জাপিছে ৰখিয়া চাপিছে
দমৰা-দামুৰি লই,

অসমত বাস কৰা সকলো শ্ৰেণী লোকৰ প্ৰতি কবিৰ দৰদ আছিল। সকলোকে আপোন বুলি জ্ঞান কৰিছিল। অসমৰ চৰাই-চিৰিকটি, কীট-পতংগ এই সকলো কবিৰ অতি মৰমৰ বুলি ভাবিছিল। কবিতাত কোনো বাদ নপৰিছিল।

চৰাই-চিৰিকটি আহিছে উলটি
আপোন বাহলৈ উৰি,
হালোৱা-হজুৱা কানীয়া ভণ্ডুৱা
টোকোৰা পঁজালৈ ঘূৰি।

কবিৰ কাপত অসমৰ জাতীয় জীৱনৰ দাপোণ উজ্জ্বল হৈ উঠিছিল। জনমভূমিৰ প্ৰতি কবিৰ দৰদ আছিল। যিহেতু তেওঁ বাঘ হাজৰিকাৰ পৰিয়ালৰ লোক আছিল। তেৰাই শৰাইঘাটৰ যুদ্ধত লাচিত বৰফুকনৰ নেতৃত্বত পানী সেনাপতি হৈ মোগলৰ বিৰুদ্ধে যুঁজিছিল।

দেউতাকৰ নাম হিমতুদ্দিন আহমদ আৰু মাক ৰহনুৰী আহমদ হাজৰিকা ডিব্ৰুগড়তে প্ৰাথমিক শিক্ষা লাভ কৰিছিল। ১৮৯২ত এণ্ট্ৰেছ পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও সাৰ্থকতা লাভ কৰিব নোৱাৰি বন বিভাগৰ এটি সৰু চাকৰিত সোমাইছিল। তাৰ পাছত তহবিলদাৰ হিচাপে উত্তৰ লখিমপুৰৰ কাছাৰীত যোগদান কৰি ১৯২৬ত অৱসৰ গ্ৰহণ কৰিছিল। ১৯৫৮ত এইজনা কবিয়ে এই পৃথিৱীৰ পৰা বিদায় মাগিছিল। ১৯০২ত ডিব্ৰুগড়লৈ বদলি হৈ আহিছিল। অৱসৰ গ্ৰহণৰ পাছত ৩২ বছৰ কাল সাহিত্য চৰ্চা কৰিছিল। ১৯০৪ৰ পৰা ১৯৩৪লৈ ডিব্ৰুগড় সাহিত্য সভাৰ তেওঁ প্ৰধান সম্পাদকৰ পদত আছিল। ১৯৩০ত অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশনৰ সভাপতি হৈছিল। সেই বছৰতে তেওঁ শিৱসাগৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰো সভাপতি হৈছিল। সামাজিক স্বীকৃতিয়ে কবিক সাহিত্য চৰ্চা কৰিবলৈ উৎসাহ যোগাইছিল।

সাংসাৰিক জীৱনত অনেক নিৰ্যাতনৰ সন্মুখীন হৈ কবিয়ে সকলো পৰমেশ্বৰৰ ওপৰতে অৰ্পণ কৰি দিন নিয়াইছিল। কেতিয়াও স্ৰষ্টাৰ গুণানুকীৰ্তন কৰিবলৈ পাহৰি যোৱা নাছিল। সকলো যে বিভুৰেই দান তাক হিয়াৰে মানিছিল।

তেওঁ সকলোৰে বৰ তেৰেঁ খনিকৰ
তেওঁৰেহে গঢ় নাই, নাই কোনো দেহ
তেৰেঁ সকলোৰে সাৰ-নিৰঞ্জণ নিৰাকাৰ
তেওঁৰেহে দিহা মতে ঘূৰে বেলি জোন।

মানুহ স্ৰষ্টাৰ হাতৰ পুতলাৰ নিচিনা। হঠাতে ভাগে, হঠাতে লয় হয়। বিভুয়ে এনে লীলাতে জীৱৰ সৃষ্টি কৰি লয় নিয়াইছে। ধৰালৈ মানুহ আহিছে আৰু গৈছে, এই নিয়ম আদিৰে পৰা চলি আছে। আদি-অন্ত-পূৰ্বাপৰ নথকাজনেই ঈশ্বৰ। ঈশ্বৰৰ মহিমা অপাৰ। সেয়েহে জীৱই ভাবি-চিন্তি দিন কটোৱা উচিত।

যেবে সুখ দুখ আছে দিন ৰাতি
উপজিলে মৰিব লাগিব এদিন।

অকথাতে দিন নিনিয়াই মানুহে জীৱনৰ মূল্য বুজি সৎ কৰ্ম সাধন কৰা দৰকাৰ। কাৰণ মানৱ দেহ পুনৰ পোৱা টান।

অকথাতে নকটাবি নিনিয়াবি দিন
বহুমূলী জীৱনৰ সেই কেইদিন।
নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰি জীৱন অতিবাহিত কৰা আৱশ্যক। অনাহকত সময়বোৰ অতিবাহিত কৰা অনুচিত।
নিজ বেহা বেপাৰত দেদে মন প্ৰাণ
কোনো লীলা ওমলাত নকৰিবি জ্ঞান।
কিয়নো ভগৱানে মৃত্যুৰ পাছত বেয়া কামৰ শাস্তি দিব। এই কথা থিৰাংকৈ জনা উচিত। প্ৰভুৰ যিবোৰ নিয়ম তাত টাংবাং সমূলি নাই, শাস্তি ভুগিবই লাগিব।
এই কথা মনে-মনে জানিবি থিৰাং
প্ৰভু দিহাবিলাকৰ নাই টাং বাং।
নহ'লে অক'লে বাট পথ ভুলি কান্দিব লাগিব, সেই কান্দোনত কোনো সাৰথি নহ'ব, বেলি থাকোতেই সিপুৰীৰ কাৰণে সাজু হোৱা আৱশ্যক।
অকলে কান্দিবি পাছে বাটপথ ভুলি
বেলি থাকোতেই বান্ধ টোপোলা টোপলি।
সিপুৰীত পুণ্য আৰ্জনৰ বাবে বঁটা আৰু পাপৰ বাবে শাস্তি ভোগ কৰিব লাগিব। ইয়াৰ কোনো লৰচৰ নহ'ব— গতিকে মানুহে জীয়াই থাকোতেই সকলো কথা টং কৰা উচিত। পাছত অনুতাপ কৰি লাভ নাই।
পুণ্য বেছি হ'লে বঁটা পাপ হ'লে ভৰ
এবে যেনে ৰুৱা তেনে ভাবা শেহান্তৰ।

*ফোন ঃ ৯৭০৬৯১৪৪২২*

## মিচিং জনসমাজৰ ডুখুৰীয়া ছবি

# মৰুনে

ড° ভূপেন শইকীয়া

**জ্ঞানকমল** ছদ্মনামত লিখা এজন নবীন লেখকৰ উপন্যাস 'মৰুনে'। কবিতা প্ৰবন্ধকে ধৰি কে'বাখনো লেখকৰ দ্বাৰা ৰচিত গ্ৰন্থ ইতিমধ্যে প্ৰকাশ পাইছে। 'মৰুনে' লেখকৰ প্ৰথম উপন্যাস। প্ৰথম প্ৰচেষ্টাতে লেখকে মিচিং গ্ৰাম্য সমাজৰ কিছু লোকৰ জনবিশ্বাসৰ ভিত্তিত গঢ়ি উঠা ডাইনী সংক্ৰান্তীয় এটা সামাজিক সমস্যা উপস্থাপন কৰিছে। উজনি মাজুলীৰ বিভিন্ন ঠাইত সংঘটিত হোৱা ঘটনাৰ বাস্তৱ অভিজ্ঞতাৰে ফচল 'মৰুনে'। মিচিং সমাজত যাদু-মন্ত্ৰ জনা লোকসকলক 'মৰুনে' (মৰুনী) বোলা হয়। ই— 'ডাইনী'ৰ সমাৰ্থক। প্ৰচলিত অৰ্থত 'ডাইনী' শব্দটো স্ত্ৰীলিংকবাচক। কিন্তু মিচিং সমাজত 'মৰুনে' শব্দই কেৱল নাৰীকে নুবুজায়।উপন্যাসখনত 'মৰুনে' সেয়ে পুৰুষ চৰিত্ৰ।

ঘটনাৰ পটভূমি আধুনিকতাৰ পোহৰ নপৰা লাচন গাঁও। জৰাজীৰ্ণ এডাল সাঁকোৰে বহিঃবিশ্বৰ স'তে সংযোগ হৈ থকা পাঁচখন গাঁৱৰ এখন। এই লাচন গাঁৱৰে একমাত্ৰ শিক্ষিত যুৱক প্ৰভাত ১২ বছৰ বাংগালুৰুত কাম কৰি উভতি আহিছে। ফেৰীৰপৰা নামি মাটিত ভৰি দিওতেই লগ পায় বাল্যবন্ধু ৰেগনক। এই ৰেগনৰ সহায়-সহযোগৰ বাবেই গাঁৱৰ পৰা কুসংস্কাৰ আঁতৰোৱা, গাঁৱৰ সৰ্বাংগীণ উন্নয়ন সাধন কৰাত প্ৰভাত সফল হয়। ৰেগনৰ ভনী তুলতুলিৰ স'তে প্ৰভাতৰ গঢ়ি উঠে এক প্ৰেমৰ সম্পৰ্ক।

'মৰুনে'ৰ কাহিনী সৰলৰৈখিক। কাহিনীৰ ভিতৰুৱা দ্বন্দ্ব-সংঘাত বৰ স্বতঃস্ফূৰ্ত যেন নালাগিল। দৰাচলতে উপন্যাসৰ প্ৰাণ হ'ল কাহিনীৰ ভিতৰুৱা পৰিস্থিতিৰ লগত চৰিত্ৰৰ নিৰন্তৰ সংঘাত। সেই নিৰন্তৰ সংঘাতৰ শিল্পগত ৰূপায়ণে কাহিনী আৰু চৰিত্ৰ উভয়ৰে জেউতি চলায়। উপন্যাসৰ কাহিনী বাহিৰৰ পৰা জাপি দিয়া বিধৰ নহৈ চৰিত্ৰৰ বৈশিষ্ট্যপূৰ্ণ আচাৰ-আচৰণৰ পৰিণতি হৈ উঠিলেহে কাহিনী পাগত উঠে বুলি ড° মহেন্দ্ৰ বৰাই অভিমত প্ৰকাশ কৰিছিল। প্ৰভাৱশালী প্ৰতিষ্ঠিত ব্যক্তি বকুল মহাজনৰ মাটিৰ প্ৰতি অত্যধিক লোভৰ বাবেই লাচন গাঁৱৰ তিনিজন ব্যক্তিক 'মৰুনে' সজায়। চতুৰ মহাজনে উপঢৌকনৰে গাঁৱৰ ধৰ্মীয় মুৰব্বী মিবুক হাত কৰে। মিবুৰ দ্বাৰাই গাঁৱৰ পঃৰাগত বকুল মহাজনে বিচৰা ধৰণেই কুসংস্কাৰৰ পাতনি মেলে।



দোষী তিনিজন ব্যক্তিক কিবা উপায়েৰে বধ কৰি সিহঁতৰ ৰাঙলী তেজ আনি ইষ্ট দেৱতাক দেখুৱাব পাৰিলেহে গাঁৱৰ অপাই-অমংগল শেষ হ'ব বুলি মিবুয়ে ঘোষণা কৰে। ঘটনা সেই অনুক্ৰমেই আগবাঢ়ে। 'মৰুনে'ত মিচিং সমাজৰ কৃষ্টি-সংস্কৃতিৰ এক আভাস পোৱা যায়। মিচিং সমাজৰ স'তে ওতঃপ্ৰোত সম্পৰ্ক থকা বাবেই লেখকৰ বাবে ই সম্ভৱ হৈছে। মাজুলীৰ জনজাতীয় সমাজখনৰ ৰীতি-নীতি-আচাৰ-আচৰণক 'মৰুনে' তুলি ধৰা বাবে লেখক জ্ঞানকমল ধন্যবাদৰ পাত্ৰ।

*ফোন ঃ ৮৬৩৮৫৭২৭৭৯*

## আয়নাত দেখা মুখখন

**ডাঃ হৰেন চৌধুৰী**



আয়নাত দেখা মুখখন
কেতিয়াবা নিজৰ নহয় যেন লাগে
অজানা শংকা ভয়ত
নিজক বাৰে বাৰে সোধো
কিয় নিজৰ মুখখন
কেতিয়াবা নিজৰ নহয় যেন লাগে

বিষাদৰ ক্ৰুৰ অন্ধকাৰত
সপোনবোৰ শূন্যত হেৰুৱাৰ দৰে
কেতিয়াবা বিদ্ৰোহ-বিক্ষোভৰ মিছিলত
নিজৰ মুখখন অচিনাকি লাগে
দেহমন সোঁৱৰণীয়ে সাবটি ধৰে

দূবৰিৰ আগৰ নিয়ৰৰ আয়নাত
সূৰুযৰ মুখ কিছুপৰ উজ্বলি থাকে
গধূলি গছবোৰে ছাঁ হেৰোৱাৰ দৰে
সূৰুযেও নিজৰ প্ৰোজ্বল ছবি হেৰায় আবেলি
জীৱনৰ বহু কথা অন্ধকাৰতে লুকাই থাকে কিজানি

আয়নাত দেখা মুখখন
কেতিয়াবা নিজৰ নহয় যেন লাগে
মনৰ আয়নাত চিৰকাল জিলিকি থাকে
নিজৰ আচল মুখখন

## মোৰ এতিয়া মন যায়

**ড° অৰুণজ্যোতি দত্ত**

মন যায় মোৰ কেতিয়াবা চৰাইৰ দৰে উৰিবলৈ
মন যায় কেতিয়াবা শৈশৱলৈ উভতি যাবলৈ
মন যায় কেতিয়াবা শেষ কৰিবলৈ কলংক সনা আধুনিকতা
মন যায় বিনাশ কৰিবলৈ
মানুহৰ পৰশ্ৰীকাতৰতাক
মন যায় উৰি যাবলৈ অচিন দেশলৈ
এক নতুন দিগন্তৰ সন্ধান বিচাৰি

## নীলা চৰাইজনী

**জুৰি গোস্বামী শৰ্মা**

পুৱাৰ চোতালত পাখি কটালি লয়
নীলাপাখিৰ চৰাইজনীয়ে
মই চাই ৰওঁ নীৰৱে তাইক
আৱেগিকভাৱে।
তাইৰ সৰু সৰু দুপাখিৰ ব্যস্ততাত
সাৰ পাই উঠে মোৰ প্ৰভাত,
মই চাই ৰওঁ দূৰৈৰ পৰা
আৱেগত দুধাৰি চকুলো ওলাই
তাইৰ নামত,
দুহাত প্ৰসাৰি তাইক
সাবটি ৰাখিব খোজো
কিন্তু নোৱাৰো,
যদি তাই গুচি যায় প্ৰাণৰ ভয়ত
অচিন দিগন্ত ধিয়াই।
তাই বিহীন চোতালত
কিদৰে হ'ব মোৰ প্ৰভাত !!
দুপৰৰ নিজান বেলাত
কিযে নিৰলস বিচৰণ তাইৰ
খুদকণ বিচাৰি ব্যস্ততা সীমাহীন,
প্ৰাণৰ মায়া দুপাখিত গাঁথি
ব্যস্ততাৰ পৰিধি এৰি
গুচি যায় আকৌ তাই
নৱ দিগবলয়লৈ উৰি,
তাইৰ দুপাখিৰ ধপধপনিত
সাৰ পাই উঠে মোৰ
নিজান চোতাল।

## শৰবিদ্ধ সময়

**বনজিৎ বৰ্মন**

ৰঙা লাখুটিৰে বেলিয়ে
কিমান বাট বুলাব পাছত

তেজে ধোৱা আইৰ আঁচলত
আৰু কিমান জোনাক সৰাৰ পাছত

গণপূজাৰ থাপনা হৈ উজলিব
ৰজাৰ এলান্ধু সিংহাসন
দুখৰ জীৱনে সলাব সাজ

গান্ধাৰী আকাশত
ৰূপান্তৰৰ বিজুলীয়ে আঁকিব
সোণালী সুদিনৰ আল্‌পনা

ইতিহাসৰ বাকৰিত
হালিজালি ফুলিব
বেলিফুলৰ ঋতু

হে শৰবিদ্ধ সময়
শুনি ৰওঁ ঃ অমোঘ শ্ৰুতলিপি তোমাৰ...

## মধ্য আকাশত বিপদত পৰিল মুখ্যমন্ত্ৰী যোগী, হেলিকপ্টাৰৰ জৰুৰী অৱতৰণ



**নিউজ ব্যুৰ', বাৰানসী, ২৬ জুন ঃ** এক বৃহৎ বিপদৰ পৰা ৰক্ষা লাভ কৰিলে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। মুখ্যমন্ত্ৰীজনে যাত্ৰা কৰা হেলিকপ্টাৰত এটি চৰাইয়ে খুন্দা মৰাৰ ফলত ততালিকে বৈমানিকে বাৰানসীত হেলিকপ্টাৰৰ জৰুৰী অৱতৰণ কৰে। বৈমানিকৰ তৎপৰতাত দুৰ্ঘটনাৰ পৰা ৰক্ষা লাভ কৰিলে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীয়ে। কালি বাৰানসীলৈ গৈছিল মুখ্যমন্ত্ৰী যোগী। আজি পুৱাতে বাৰানসীৰ পৰা হেলিকপ্টাৰেৰে লক্ষ্ণৌলৈ মুখ্যমন্ত্ৰীজন ৰাওনা হৈছিল। সেই সময়তে হঠাতে এটি চৰাইয়ে হেলিকপ্টাৰত খুন্দা মৰাত শংকিত হৈ বৈমানিকে বাৰানসীত হেলিকপ্টাৰখনৰ জৰুৰী অৱতৰণ কৰিছিল।

## আমেৰিকাত ৪০ হেজাৰ সৈনিকে লোৱা নাই ক'ভিড প্ৰতিষেধক, হ'ব পাৰে বৰ্খাস্ত



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৬ জুন ঃ** আমেৰিকাৰ আৰ্মি নেচনেল গাৰ্ডৰ ৪০ হেজাৰৰো অধিক সৈনিকে ক'ভিড-১৯ৰ প্ৰতিষেধক গ্ৰহণ নকৰিলে। যোৱা বৃহস্পতিবাৰৰ ভিতৰত সৈনিকৰ ক্ষেত্ৰত ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰাটো বাধ্যতামূলক ঘোষণা কৰা হৈছিল যদিও প্ৰকাশিত তথ্য অনুসৰি ৪০ হেজাৰ সৈনিকে টিকাকৰণৰ পৰা নিজকে আঁতৰাই ৰাখিলে। এইসকল সৈনিকৰ ১৪ হেজাৰজনে প্ৰতিষেধক ল'বলৈ স্পষ্টভাৱে অস্বীকাৰ কৰে। আমেৰিকাৰ আৰ্মি নেচনেল গাৰ্ডৰ মুঠ সৈনিকৰ ১৩ শতাংশই প্ৰতিষেধক গ্ৰহণ কৰা নাই। আমেৰিকাৰ ছখন ৰাজ্যৰ ২০-৩০ শতাংশ আৰু ৪৩ খন ৰাজ্যৰ ১০ শতাংশৰো অধিক সৈনিকে ক'ভিড প্ৰতিষেধকে নিৰ্ধাৰিত সময়ৰ ভিতৰত গ্ৰহণ নকৰিলে। টিকাকৰণৰ পৰা বিৰত থকা এইসকল সৈনিকক আৰ্মি নেচনেল গাৰ্ডৰ পৰা অচিৰে বৰ্খাস্ত কৰাৰ সম্ভাৱনা আছে।

## দৈনিক সংক্ৰমণ হ্ৰাস ১১ হেজাৰৰ ঘৰলৈ, এদিনত মৃত্যু হ'ল ২৫ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ জুন ঃ** দেশত ক'ভিড সংক্ৰমণৰ চতুৰ্থ ঢৌৰ আগমনৰ শংকাৰ মাজতে যোৱা ২৪ ঘণ্টাত কিছু হ্ৰাস পালে ক'ভিডৰ দৈনিক সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি ভাৰতত বিগত ২৪ ঘণ্টাত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ১১,৭৩৯ জন লোক। কেৰল মহাৰাষ্ট্ৰতে বিগত এদিনত ক'ভিড সংক্ৰমিত হ'ল চাৰি হেজাৰৰো অধিক লোক। কেৰালা, তামিলনাডুতো ক'ভিডৰ দৈনিক সংক্ৰমণ বিগত এদিনত বৃদ্ধি পালে। সম্প্ৰতি ভাৰতত ৯২,৫৭৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে। আনহাতে, যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশত পুনৰ ২৫ জন লোকৰ মৃত্যু হ'ল।

## শ্ৰীলংকাত পেট্ৰ'লৰ মূল্য ৪৭০ টকালৈ বৃদ্ধি, ডিজেল ৪৬০ টকা হ'ল



**নিউজ ব্যুৰ', কলম্বো, ২৬ জুন ঃ** চৰম বিত্তীয় সংকটৰ সন্মুখীন হোৱা শ্ৰীলংকাত বিগত দুমাহত তৃতীয়বাৰৰ বাবে ইন্ধনৰ মূল্য বৃদ্ধি পালে। আজিৰে পৰা দ্বীপৰাষ্ট্ৰখনত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ৪৭০ আৰু ডিজেলৰ মূল্য ৪৬০ টকালৈ বৃদ্ধি কৰা হৈছে। বিত্তীয় সংকটে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে শ্ৰীলংকাত ইন্ধনৰ তীব্ৰ নাটনিয়ে দেখা দিছে। দেশখনৰ বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ সীমিত হোৱাৰ ফলত বিদেশৰ পৰা ইন্ধন আমদানি কৰাত সমস্যাৰ সৃষ্টি হৈছে।

## দিল্লীত ক'ভিড-১৯ত পুনৰ ছজনৰ মৃত্যু, সংক্ৰমণ হ্ৰাস ৭.৮ শতাংশলৈ বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ জুন ঃ** দিল্লীত শনিবাৰে ক'ভিড-১৯ত আক্ৰান্ত ছজন ৰোগীৰ মৃত্যু হ'ল। দেশৰ ৰাজধানী চহৰখনত কালি ক'ভিডৰ সংক্ৰমণ হাৰ ৭.৮ শতাংশলৈ বৃদ্ধি পালে। দিল্লীৰ স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা তথ্যত উল্লেখ কৰা অনুসৰি বিগত এদিনত ৰাজধানী চহৰখনত ৬৬৬ জন লোক ক'ভিড সংক্ৰমিত হ'ল। যোৱা শুকুৰবাৰে দিল্লীত ১,৪৪৭ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি বৰ্তমানে দিল্লীত ৪,৭১৭ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

### আদালতৰ ৰায়ে মাৰ্কিন মহিলাৰ মৌলিক অধিকাৰ খৰ্ব কৰিলে ঃ বিক্ষোভকাৰীৰ অভিযোগ

# গৰ্ভপাত নিষিদ্ধকৰণৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ আমেৰিকাত




**নিউজ ব্যুৰ' নিউ য়ৰ্ক, ২৬ জুন ঃ** আমেৰিকাৰ এৰিজ'নাত গৰ্ভপাত নিষিদ্ধকৰণৰ আদালতৰ ৰায়ৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰিলে সহস্ৰাধিক লোকে। উল্লেখ্য যে যোৱা শুকুৰবাৰে আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে গৰ্ভপাতৰ অধিকাৰ মাৰ্কিন নাগৰিকৰ মৌলিক অধিকাৰ নহয় বুলি ঘোষণা কৰিছিল। আদালতৰ এই ৰায়ৰ বিৰুদ্ধে ইতিমধ্যে অগণন মাৰ্কিন নাগৰিকে প্ৰতিবাদ অব্যাহত ৰাখিছে। আৰক্ষীয়ে প্ৰতিবাদকাৰীক নিয়ন্ত্ৰণ কৰিবলৈ কন্দুৱা গেছ প্ৰয়োগ কৰিছে। প্ৰতিবাদকাৰী লোকসকলে 'গৰ্ভপাত আমাৰ অধিকাৰ' শীৰ্ষক শ্ল'গান লিখা বেনাৰ হাতত লৈ ৰাজপথত সমবেত হৈ আদালতৰ ৰায়ৰ তীব্ৰ বিৰোধিতা কৰে। আদালতৰ এই ৰায়ে মাৰ্কিন মহিলাৰ মৌলিক অধিকাৰ খৰ্ব কৰিলে বুলি বিক্ষোভকাৰীয়ে অভিযোগ কৰে। নিউ য়ৰ্কৰ লগতে লছ এঞ্জেলছ, টেক্সাছ, ৱাশ্বিংটন আদিতো সহস্ৰাধিক লোকে আদালতৰ ৰায়ৰ বিৰোধিতাত এইদৰে ৰাজপথত প্ৰতিবাদ জনাইছে। উচ্চতম ন্যায়ালয়ৰ এই সিদ্ধান্তৰ বিপৰীতে আমেৰিকাৰ সৰহসংখ্যক নাগৰিকে মহিলাৰ গৰ্ভপাতৰ অধিকাৰ বাহাল ৰখাৰ সপক্ষে থিয় দিছে। ৰাষ্ট্ৰপতি জ' বাইডেনসহ অন্যান্য ৰাজনৈতিক নেতায়ো আদালতৰ এই ৰায়ৰ তীব্ৰ বিৰোধিতা কৰিছে।

## গৰ্ভপাত সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ৰায়ক 'মৰ্মান্তিক ভুল' আখ্যা বাইডেনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৬ জুন ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে গৰ্ভপাতৰ সন্দৰ্ভত দেশখনৰ উচ্চতম ন্যায়ালয়ে শেহতীয়াভাৱে ৰায়ক 'মৰ্মান্তিক ভুল' অভিহিত কৰিলে। শীৰ্ষ আদালতৰ ৰায় ঘোষণাৰ কেইঘণ্টামানৰ পাছতে দেশবাসীৰ উদ্দেশি দিয়া ভাষণত মাৰ্কিন ৰাষ্ট্ৰপতিয়ে এইদৰে কয়, 'যিদৰে নাৰীৰ সংবিধান প্ৰদত্ত অধিকাৰক কাঢ়ি নিয়া হ'ল, সেয়া অত্যন্ত দুখজনক। আদালতে আমেৰিকাবাসীয়ে মৌলিক অধিকাৰ কাঢ়ি নিলে। শীৰ্ষ আদালতৰ এই ৰায়ৰ ফলত দেশ ১৫০ বছৰ পিছুৱাই গ'ল। উচ্চতম ন্যায়ালয়ৰ এই ধৰণৰ ৰায়ত কেৱল গৰ্ভপাতৰ অধিকাৰে নহয়, সমকামীসকলৰ অধিকাৰকো ক্ষুণ্ণ কৰিব।' উল্লেখ্য যে যোৱা শুকুৰবাৰে এই ৰায়ত আমেৰিকাৰ শীৰ্ষ আদালতে ঘোষণা কৰি কৈছিল যে এতিয়াৰে পৰা মাৰ্কিন সংবিধানে গৰ্ভপাতৰ অধিকাৰ প্ৰদান নকৰিব। মহিলাক গৰ্ভপাতৰ অধিকাৰ দিয়া হ'ব নে নাই, সেয়া স্থিৰ কৰিব স্থানীয় প্ৰদেশৰ প্ৰশাসনে। পাঁচ দশক পূৰ্বে ৰ' বেড গোচৰৰ ৰায়ক বাতিল কৰি উচ্চতম ন্যায়ালয়ে এই নতুন ৰায় দিলে। উল্লেখ্য যে ৰ' বেড গোচৰৰ ৰায়ত ন্যায়ালয়ে কৈছিল যে গৰ্ভপাত আমেৰিকাৰ মহিলাসকলৰ বাবে এক সংবিধানপ্ৰদত্ত অধিকাৰ। সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়ৰ পাছতে সমগ্ৰ আমেৰিকাতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## কাশ্মীৰত জি-২০ বৈঠকৰ আয়োজনত তীব্ৰ বিৰোধিতা পাকিস্তানৰ





**নিউজ ব্যুৰ', ইছলামাবাদ, ২৬ জুন ঃ** পাকিস্তানত কাশ্মীৰত জি-২০ দেশৰ বৈঠক অনুষ্ঠিত কৰাৰ বাবে ভাৰতে চলোৱা প্ৰস্তুতিৰ তীব্ৰ বিৰোধিতা কৰিলে। উল্লেখ্য যে জম্মু-কাশ্মীৰত বিশ্বৰ মুখ্য অৰ্থনৈতিক শক্তি হিচাপে পৰিচিত হোৱা দেশসমূহৰ সংগঠন জি-২০ৰ ২০২৩ বৰ্ষৰ বৈঠক অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় শাসিত প্ৰদেশখনৰ প্ৰশাসনে ইতিমধ্যে এই সন্দৰ্ভত পাঁচ সদস্যবিশিষ্ট উচ্চস্তৰীয় সমিতি গঠন কৰিছে। পাকিস্তানৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ আছিম ইফতিখাৰ আহমেদে এক বিবৃতিত এইদৰে কয়, 'জি-২০ বৈঠক ভাৰতে জম্মু-কাশ্মীৰত অনুষ্ঠিত কৰাৰ যোজা চলাইছে। ভাৰতৰ এনে ধৰণৰ পদক্ষেপৰ পাকিস্তানে সম্পূৰ্ণ বিৰোধিতা কৰে। সকলোৰে জ্ঞাত যে জম্মু-কাশ্মীৰ হৈছে পাকিস্তান আৰু ভাৰতৰ মাজৰ এক আন্তঃৰাষ্ট্ৰীয় বিবাদৰ বিষয়। এই বিষয়টো বিগত সাত দশক ধৰি ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ এজেণ্ডাত আছে। এনে বিতৰ্কিত অঞ্চলত জি-২০ৰ বৈঠক অনুষ্ঠিত কৰাৰ আমি তীব্ৰ বিৰোধিতা কৰিম। পাকিস্তানে কোনো কাৰণতে ভাৰতৰ এনে চক্ৰান্তক সফল হ'বলৈ নিদিয়ে।'

## ডুবাইত অসুস্থ মুশ্বাৰফক সাক্ষাৎ পাক সেনাপ্ৰধান বাজৱাৰ



**নিউজ ব্যুৰ', ডুবাই, ২৬ জুন ঃ** পাকিস্তানৰ সেনা বাহিনীৰ মুৰব্বী জেনেৰেল কমৰ জাভেদ বাজৱাই ডুবাইত চিকিৎসাধীন পাকিস্তানৰ প্ৰাক্তন ৰাষ্ট্ৰপতি পাৰভেজ মুশ্বাৰফক সাক্ষাৎ কৰিলে। পাকিস্তানী সেনা বাহিনীৰ শীৰ্ষ চিকিৎসকৰ স'তে ডুবাইত উপস্থিত হোৱা পাক সেনাপ্ৰধানজনে মুশ্বাৰফ আৰু তেওঁৰ পৰিয়ালৰ লোকক ডুবাইস্থিত এপাৰ্টমেণ্টত সাক্ষাৎ কৰে। পাকিস্তানৰ পৰা যোৱা সেনাৰ চিকিৎসকে ৭৮ বছৰীয়া মুশ্বাৰফৰ স্বাস্থ্য পৰীক্ষাও কৰে।



## দৈনিক আফ্ৰিকাৰ নৈশ ক্লাৱত ১৭ টা মৃতদেহ উদ্ধাৰ

**নিউজ ব্যুৰ' কেপটাউন, ২৬ জুন ঃ** দক্ষিণ আফ্ৰিকাৰ দক্ষিণৰ চহৰ পূৰ্বীত এটা নৈশ ক্লাৱত ১৭ জন লোকৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যকৰ সৃষ্টি কৰিছিল। স্থানীয় আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি চিনৰি পাৰ্ক নামৰ নৈশ ক্লাৱৰ পৰা ১৭ টা মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ কৰা হৈছে। কেনেকৈ নৈশ ক্লাৱটোত ১৭ জনকৈ লোকৰ মৃত্যু হ'ল সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। ব্যক্তিকেইজনৰ মৃত্যু স্বাভাৱিক আছিল নে তেওঁলোকক কোনোবাই হত্যা কৰিলে সেই সন্দৰ্ভত বৰ্তমানলৈকে আৰক্ষীয়ে তথ্য নিশ্চিত কৰিব পৰা নাই।

# অচিৰে ৩০ ত্ৰিলিয়ন ডলাৰৰ অৰ্থনীতিৰ অধিকাৰী হ'ব ভাৰত



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৬ জুন ঃ** কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেলে কয় যে ভাৰতে সকলো খণ্ডতে আন্তঃৰাষ্ট্ৰীয় বজাৰত নিজৰ স্থিতি অধিক শক্তিশালী কৰিব বিচাৰে আৰু অচিৰে ভাৰতৰ অৰ্থনীতি বৰ্তমানৰ তিনি ত্ৰিলিয়ন ডলাৰৰ পৰা ৩০ ত্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি পাব। বস্ত্ৰ-বাণিজ্য আৰু উদ্যোগ মন্ত্ৰীজনে লগতে কয় যে ঘৰুৱা বস্ত্ৰ উদ্যোগত আগন্তুক বৰ্ষসমূহত অধিক কৰ্মসংস্থাপন সৃষ্টিৰ যথেষ্ট সম্ভাৱনা আছে। ভাৰতৰ বস্ত্ৰ উদ্যোগ খণ্ডটোৱে আগন্তুক সময়ত শূন্য কৰ নীতিৰ অধীনত বিদেশলৈ অধিক পৰিমাণত বস্ত্ৰ ৰপ্তানি কৰাৰ সুবিধা লাভ কৰিব বুলি মন্ত্ৰী গোৱেলে জানিবলৈ দিয়ে। কয়ম্বটুৰত কেন্দ্ৰীয় মন্ত্ৰীজনে এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত এইদৰে কয়, 'সকলো খণ্ডতে আমি এক আন্তৰ্জাতিক মানৰ উদ্যোগ স্থাপন কৰিব বিচাৰিছো। আন্তঃৰাষ্ট্ৰীয় বজাৰত আমি আধিপত্য অৰ্জনৰ লক্ষ্য গ্ৰহণ কৰিছো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিক্ নিৰ্দেশনাত কেন্দ্ৰীয় চৰকাৰে কে'বাখনো দেশৰ স'তে মুক্ত বাণিজ্য চুক্তি কাৰ্যকৰী কৰাৰ পদক্ষেপ লৈছে। ইয়াৰ ফলত আগন্তুক সময়ত দেশৰ বস্ত্ৰ উদ্যোগ খণ্ডত ব্যাপক পৰিৱৰ্তনে দেখা দিব। দেশৰ বস্ত্ৰ উদ্যোগে বৰ্তমানৰ তুলনাত অধিক পৰিমাণত বিদেশলৈ ৰপ্তানিৰ সুবিধা লাভ কৰিব।'

## চীনত প্ৰবল বানত প্ৰভাৱিত ৩৭ লাখ লোক ১.৮৬ বিলিয়ন ডলাৰৰ ক্ষতি



**নিউজ ব্যুৰ', বেইজিং, ২৬ জুন ঃ** চীনৰ দক্ষিণ অঞ্চলত হোৱা প্ৰবল বৃষ্টিপাতৰ ফলত বান পৰিস্থিতিয়ে অধিক জটিল ৰূপ ধাৰণ কৰিছে। বানৰ লগতে ভূমিস্খলনৰ ঘটনাই দক্ষিণ চীনত সহস্ৰাধিক লোকক বাসগৃহ ত্যাগ কৰিবলৈ বাধ্য কৰিলে। দক্ষিণ চীনৰ গুৱাংচি জুৱাংগ অঞ্চলত বিগত কিছুদিন ধৰি হোৱা প্ৰচণ্ড বৃষ্টিপাতত বানে ভয়াৱহ ৰূপ ধাৰণ কৰিছে আৰু অঞ্চলটোৰ ৩৭ লাখৰো অধিক লোক প্ৰভাৱিত হৈছে। প্ৰভাৱিত অঞ্চলটো ৪৯০.৮ মিলিমিটাৰ বৃষ্টিপাত হৈছে। বান আৰু ভূমিস্খলনৰ ঘটনাত বৰ্তমানলৈকে অঞ্চলটোৰ ৩,৪৩৬ টা বাসগৃহ ধ্বংস হোৱাৰ লগতে ১,৫৯,৩০০ হেক্টৰ কৃষিভূমি নষ্ট হ'ল। স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি অঞ্চলটোত বৰ্তমানলৈকে বানত ১.৮৬ বিলিয়ন ডলাৰৰ ক্ষতি হ'ল।


## আমেৰিকাৰ বন্দুক হিংসা প্ৰতিৰোধী বিধেয়কত স্বাক্ষৰ ৰাষ্ট্ৰপতি বাইডেনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৬ জুন ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে গুৰুত্বপূৰ্ণ বিবেচিত হোৱা বহু প্ৰতীক্ষিত বন্দুক হিংসা প্ৰতিৰোধী বিধেয়কত স্বাক্ষৰ কৰিলে। এই বিধেয়কজনে ডেম'ক্ৰেটিক আৰু ৰিপাব্লিকান উভয় দলৰ সমৰ্থন লাভ কৰিলে। টেক্সাছত এখন প্ৰাথমিক বিদ্যালয়ত বন্দুকধাৰীয়ে ১৮ জন শিক্ষাৰ্থী আৰু দুগৰাকী শিক্ষকক হত্যা কৰাৰ ঘটনাৰ পাছৰে পৰা আমেৰিকাত অস্ত্ৰ ক্ৰয়ৰ সন্দৰ্ভত কঠোৰ আইন প্ৰৱৰ্তনৰ দাবী উত্থাপিত হৈ আহিছিল। বিগত সময়ছোৱাত আমেৰিকাত সঘনে বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰি আহিছে। মাৰ্কিন ছিনেট আৰু প্ৰতিনিধি সভাই যোৱা সপ্তাহত বন্দুক হিংসা প্ৰতিৰোধী বিধেয়কত অনুমোদন জনাইছিল। ইয়াৰ পাছতে হোৱাইট হাউছত ৰাষ্ট্ৰপতি বাইডেনে শনিবাৰে বিধেয়কত স্বাক্ষৰ কৰে। হোৱাইট হাউছত মাৰ্কিন ৰাষ্ট্ৰপতিয়ে এই সন্দৰ্ভত এনেদৰে কয়, 'এই বিধেয়কৰ জৰিয়তে জীৱন সুৰক্ষিত হ'ব। গুলীয়াগুলিৰ ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালে আমাক এই বিষয়ত ব্যৱস্থা ল'বলৈ হেঁচা দি আহিছিল। আজি আমি ব্যৱস্থা গ্ৰহণ কৰিলো।'

# ইমৰানক হত্যাৰ ষড়যন্ত্ৰ ? প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ শয়নকক্ষত উদ্ধাৰ গোপন কেমেৰা

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৬ জুন ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা পাকিস্তান তেহৰিক ই ইনছাফৰ মুৰব্বী ইমৰান খানক হত্যাৰ ষড়যন্ত্ৰ ৰচনা কৰাৰ বাতৰি প্ৰচাৰিত হৈ অহাৰ সময়তে ইছলামাবাদৰ বেনিগালা অঞ্চলত থকা ইমৰানৰ বাসগৃহৰ শয়নকক্ষত চোৰাংচোৱা কেমেৰা স্থাপন কৰিবলৈ গৈ ধৰা পৰিল এজন কৰ্মচাৰী। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, উক্ত কৰ্মচাৰীজনক ইমৰান আৰু তেওঁৰ পত্নী বুশ্বাৰা বিবিৰ শয়নকক্ষত উক্ত গোপন কেমেৰা সংস্থাপন কৰিবলৈ ধন আদায় দিয়া হৈছিল। আন এজন কৰ্মচাৰীয়ে যেতিয়া শয়নকক্ষত কেমেৰা সংস্থাপন কৰা অৱস্থাত উক্ত কৰ্মীক প্ৰত্যক্ষ কৰিছিল, লগে লগে প্ৰাক্তন প্ৰধানমন্ত্ৰীজনক এই বিষয়ে অৱগত কৰিছিল। ইয়াৰ পাছতে ইমৰানৰ নিৰাপত্তাত নিয়োজিত সেনা জোৱানে উক্ত কৰ্মচাৰীজনক আটক কৰে। পাক সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি ইমৰানৰ ঘৰ চাফা কৰা কৰ্মচাৰীৰ জৰিয়তে এক চক্ৰই এইদৰে প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ শয়নকক্ষত চোৰাংচোৱা কেমেৰা সংস্থাপন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছিল যদিও সফল হ'ব নোৱাৰিলে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।



## ঘৰ ভৰ্তি হৈ আছে উৎকোচৰ টকাৰে, পৰিদৰ্শকৰ ঘৰত তালাচী চলাই হতবাক আৰক্ষী



**নিউজ ব্যুৰ', পাটনা, ২৬ জুন ঃ** বিছনাৰ তলত টকাৰ বাণ্ডিল, দেৱালৰ মাজতো জমা কৰি ৰাখিছে নগদ ধনৰ নোট। ঘৰৰ প্ৰায়বোৰ কোঠাতে বিভিন্ন স্থানত আছে এশ টকাৰ পৰা দুহেজাৰ টকীয়া নোট। চাৰিওফালে কেৱল টকা আৰু টকা। বিহাৰৰ এজন ড্ৰাগছ পৰিদৰ্শকৰ বাসগৃহত তালাচী চলাবলৈ গৈ এইদৰে ঘৰৰ ভিতৰত নগদ ধনৰ সন্ধান লাভ কৰিলে তদাৰকী বিষয়াই। পৰিদৰ্শকৰ বাসগৃহৰ পৰা জব্দ কৰা এনে নোটৰ বাণ্ডিল গণিবলৈ কে'বাঘণ্টা সময়ৰ প্ৰয়োজন হ'ল তদাৰকী বিষয়াৰ। কালি এই ঘটনা সংঘটিত হ'ল বিহাৰৰ ৰাজধানী পাটনাত। বিশেষ সূত্ৰৰ জৰিয়তে হিচাপ বহিৰ্ভূত সম্পত্তি থকাৰ অভিযোগ লাভৰ পাছতে পাটনাৰ ড্ৰাগছ পৰিদৰ্শক জীতেন্দ্ৰ কুমাৰৰ বাসগৃহত তদাৰকী বিভাগে তালাচী চলাইছিল। পৰিদৰ্শকৰ বাসগৃহৰ পৰা ইমান বৃহৎ পৰিমাণৰ নগদ ধন জব্দ কৰি বিস্মিত হ'ল তদন্তকাৰী বিষয়া। প্ৰকাশিত বাতৰি অনুসৰি উৎকোচ গ্ৰহণৰ জৰিয়তে পৰিদৰ্শকজনে এই বৃহৎ পৰিমাণৰ নগদ ধন এনেদৰে বাসগৃহত জমাই ৰাখিছিল। নগদ ধনৰ লগতে বৃহৎ পৰিমাণৰ মূল্যবান আ-অলংকাৰো বিষয়াজনৰ বাসগৃহৰ পৰা তদাৰকী বিভাগে জব্দ কৰে। ইতিমধ্যে হিচাপ বহিৰ্ভূত সম্পত্তি আহৰণৰ অভিযোগত ড্ৰাগছ পৰিদৰ্শকজনক জিম্মাত ল'লে তদাৰকী বিভাগে।



## মঙলৈ ৰকেট প্ৰেৰণত হিন্দু কেলেণ্ডাৰ ব্যৱহাৰ কৰিছিল ভাৰতে ঃ মাধৱনৰ মন্তব্যত বিতৰ্ক

**নিউজ ব্যুৰ' মুম্বাই, ২৬ জুন ঃ** 'ৰকেট্ৰি ঃ দ্য নাম্বি এফেক্ট' শীৰ্ষক চলচ্চিত্ৰৰ জৰিয়তে পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰিছে অভিনেতা আৰ মাধৱনে। সম্প্ৰতি এক মন্তব্যৰ জৰিয়তে অভিনেতাজন যথেষ্ট সমালোচিত হৈছে। মাধৱনে মন্তব্য কৰি কৈছিল যে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো)ই ভাৰতৰ মঙল অভিযানত পি এছ এল ভি চি-২৫ ৰকেট সফলভাৱে মঙললৈ উৎক্ষেপণৰ বাবে হিন্দু কেলেণ্ডাৰ ব্যৱহাৰ কৰিছিল। যোৱা মে'ত ৭৫ সংখ্যক কাঁ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈছিল মাধৱন পৰিচালিত চলচ্চিত্ৰখন। অলপতে তামিলত মাধৱনে ভাৰতৰ মঙল অভিযানৰ সন্দৰ্ভত উক্ত বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিছিল আৰু এই মন্তব্যৰ অনুবাদ কৰিছিল সংগীতশিল্পী টি এম কৃষ্ণই। মাধৱনে এইদৰে কৈছিল, 'ভাৰতীয় ৰকেটত তিনিটা ইঞ্জিন (কঠিন, তৰল আৰু ক্ৰায়জেনিক) নাছিল, পশ্চিমৰ দেশৰ ৰকেটক মঙলৰ কক্ষপথত চালিত হোৱাৰ ক্ষেত্ৰত এইসমূহ ইঞ্জিনে সহায় কৰে। ভাৰতৰ এই অভাৱৰ কাৰণত তেওঁলোকে 'পঞ্চঙ্গম' (হিন্দু কেলেণ্ডাৰ)ৰ তথ্য ব্যৱহাৰ কৰা হৈছিল।' অভিনেতাজনৰ এই মন্তব্যক সামাজিক মাধ্যমত অনেকে কটাক্ষ কৰিছে। একাংশই মন্তব্য কৰি কৈছে যে মঙল অভিযান ইছৰোৰ এক কৃতিত্ব, ইয়াক লৈ ধেমালি কৰা উচিত নহয়।

## প্ৰধানমন্ত্ৰী মোদীক মিউনিখত উষ্ম আদৰণি, জাৰ্মান কইনাই ল'লে আশীৰ্বাদ



**নিউজ ব্যুৰ', বাৰ্লিন, ২৬ জুন ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-৭ৰ ৪৮ সংখ্যক শীৰ্ষ সন্মিলনত অংশ ল'বলৈ আজি জাৰ্মানীৰ মিউনিখত উপস্থিত হয়। মোদীয়ে মিউনিখত উপস্থিত হোৱাৰ পাছতে জাৰ্মানীৰ ভাৰতীয় মূলৰ লোকসকলে প্ৰধানমন্ত্ৰীক উষ্ণ আদৰণি জনায়। ইয়াৰ মাজতে এহাল ভাৰতীয়-জাৰ্মানীৰ দৰা-কইনাই মোদীৰ চৰণ স্পৰ্শ কৰি আশীৰ্বাদ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে দুদিনীয়া কাৰ্যসূচীৰে জাৰ্মানী ভ্ৰমণসূচী গ্ৰহণ কৰিছে। জাৰ্মানীত থকাৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে ১২ জনৰো অধিক আন্তঃৰাষ্ট্ৰীয় নেতাৰ স'তে বৈঠকত অংশ ল'ব আৰু কমেও ১৫ টা অনুষ্ঠানত উপস্থিত থাকিব। জি-৭ শীৰ্ষক সন্মিলন আজিৰে পৰা ২৮ জুনলৈকে চলিব। মোদীয়ে এই সন্মিলনত অংশ লোৱাৰ পাছত অহা ২৮ জুনত সংযুক্ত আৰব আমিৰেটলৈ ৰাওনা হ'ব। উল্লেখ্য যে জি-৭ হৈছে বিশ্বৰ সবাতোকৈ ধনী সাতখন ৰাষ্ট্ৰৰ এক গোষ্ঠী। জি-৭ৰ সদস্য ৰাষ্ট্ৰকেইখন হৈছে ব্ৰিটেইন, কানাডা, ফ্ৰান্স, জাৰ্মানী, ইটালী, জাপান আৰু আমেৰিকা। এইবাৰৰ বৈঠকলৈ ভাৰতৰ লগতে আৰ্জেণ্টিনা, ইণ্ডোনেছিয়া, চেনেগাল, দক্ষিণ আফ্ৰিকাৰ দৰে দেশকো নিমন্ত্ৰণ জনোৱা হৈছে। এইবাৰৰ সন্মিলনৰ আয়োজক হৈছে জাৰ্মানী।

# এলপিজিৰ উজ্বলা আঁচনিত দালালৰাজৰ অভিযোগ

## ■ সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তামুলপুৰ জিলা সমিতিৰ বিবৃতি



জামুগুৰিহাটত ২০ কাৰ্টন অৰুণাচলী সুৰা জব্দ জামুগুৰি আৰক্ষীৰ, দেওবাৰে।

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৬ জুন ঃ** গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহত ভাৰত চৰকাৰে ৰন্ধন গেছৰ উজ্বলা আঁচনিৰ নামত সন্মান প্ৰদৰ্শনেৰে যি আঁচনি বৰ্তমান চলি আছে সেই ক্ষেত্ৰত তামুলপুৰ জিলাৰ গোৰেশ্বৰত দালালিৰাজ আৰম্ভ হোৱা বুলি অভিযোগ উত্থাপন কৰিছে সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তামুলপুৰ জিলা সমিতিয়ে। আজি পৰিষদৰ তামুলপুৰ জিলা সমিতিৰ সভাপতি-ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ক্ৰমে সীমান্ত বায়ন আৰু গকুল ৰাজবংশীয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা প্ৰেছ বিবৃতিত এই অভিযোগ উত্থাপিত কৰা হৈছে। প্ৰেছ বিবৃতিটোত কোৱা হৈছে যে উজ্বলা আঁচনিৰ নামত অহা ৰন্ধন গেছৰ সংযোগ দালালৰ জৰিয়তে মুকলি বজাৰত বিক্ৰী হৈ আছে। দুখীয়া মহিলাৰ নামত আবণ্টিত চিলিণ্ডাৰ আৰু গেছৰ সামগ্ৰীসমূহ দালালে মুকলি বজাৰত বিক্ৰী কৰি থকাৰ সময়তে প্ৰমাণ সহকাৰে ইতিমধ্যে বাইহাটা-চাৰিআলি প্ৰশাসনে সামগ্ৰীসমূহ জব্দ কৰিছে। গোৰেশ্বৰস্থিত গেছ এজেঞ্চি, উপ-এজেঞ্চিসমূহত এই আঁচনিৰ সংক্ৰান্তত তদন্ত কৰিবলৈ পৰিষদে দাবী জনায়। গোৰেশ্বৰ, মহৰিপাৰা, নাওকাটা, শুৱাগপুৰৰ লগতে তামুলপুৰ জিলাৰ বিভিন্ন অঞ্চলত পাণ দোকানৰ পৰা গেলামাল দোকান, ষ্টেচনাৰী দোকানত অবৈধভাৱে চিলিণ্ডাৰৰ ৰমৰমীয়া ব্যৱসায় যোগান বিভাগৰ চকুৰ সন্মুখতে চলি আছে। মূল্যৰ ক্ষেত্ৰত চৰকাৰী মূল্যৰ বিপৰীতে অধিক মূল্যত চিলিণ্ডাৰসমূহ বিক্ৰী কৰি আছে এচাম অসাধু দালাল তথা ব্যৱসায়ীয়ে। যোগান বিভাগৰ এনে চকু মুদা কুলিৰ ভাওক সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তামুলপুৰ জিলা সমিতিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে তামুলপুৰ জিলা উপায়ুক্তৰ হস্তক্ষেপ বিচাৰি পত্ৰ প্ৰদানৰ যো-জা চলাইছে।

## আটছাই বহিঃৰাজ্যৰ পৰা ঘূৰাই অনাত ল'লে ভূমিকা

# ৰঙাপৰাৰ পৰা সন্ধানহীন হোৱা কিশোৰী বাংগালুৰুত উদ্ধাৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৬ জুন ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাৰ পৰা সন্ধানহীন হোৱা এগৰাকী কিশোৰী তথা ছাত্ৰী বহিঃৰাজ্যত উদ্ধাৰ হৈছে। পৰিয়ালৰ লোকক অৱগত নকৰাকৈ একাংশ যুৱকৰ স'তে কিশোৰীগৰাকী বহিঃৰাজ্যলৈ গৈছিল আৰু ষ্টেছনত নমাৰ পাছতে ৰেল আৰক্ষীয়ে সন্দেহবশতঃ কিশোৰীগৰাকীক আটক কৰিছিল। প্ৰাপ্ত তথ্য অনুসৰি, ৰঙাপৰা আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ নাহৰণি গ্ৰাণ্টৰ নিৱাসী প্ৰয়াত পৰিমল তাঁতী আৰু ৰাধিকা তাঁতীৰ তৃতীয় কন্যা তথা ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰীগৰাকীয়ে যাত্ৰীবাহী ৰেলেৰে একাংশ যুৱকৰ স'তে বাংগালুৰুলৈ গৈছিল। যোৱা ১৬ জুনত কিশোৰীগৰাকী সন্ধানহীন হোৱাৰ কথা পৰিয়ালৰ লোকে জানিব পাৰি লগে লগে গাঁওবাসীক ঘটনাৰ সন্দৰ্ভত অৱগত কৰাত গাঁৱৰ ৰাইজে বাংগালুৰুত কৰ্মৰত হৈ থকা নিজৰ পুত্ৰসকলৰ স'তে যোগাযোগ কৰাত ৰঙাপৰাৰ পৰা সন্ধানহীন হোৱা ছাত্ৰীগৰাকীক ৰেল আৰক্ষীয়ে আটক কৰি থোৱাৰ বিষয়ে জানিব পাৰে। ইফালে, অসহায় বিধৱা মাতৃগৰাকীয়ে কিশোৰীগৰাকীক বহিঃৰাজ্যৰ পৰা উদ্ধাৰ কৰি আনিবলৈ আটছাৰ উপ-শাখাৰ বিষয়ববীয়াসকলক আহ্বান জনাইছিল। পাছত উপ-শাখাৰ সভাপতি অখিল যোছেফ তিৰ্কী আৰু সম্পাদক শংকৰ তাঁতীৰ নিৰ্দেশ মৰ্মে শিক্ষা আৰু সাহিত্য সম্পাদক বিপ্ৰাং ভেংৰা আৰু সাংগঠনিক সম্পাদক ধৰমনাথ চাচনিয়ে কিশোৰীগৰাকীৰ জ্যেষ্ঠ ভ্ৰাতৃ বচন তাঁতী আৰু ৰাধিকা তাঁতীক লগত লৈ বাংগালুৰু অভিমুখে ৰাওনা হয়। দুই নম্বৰ নাহৰণি গ্ৰাণ্টৰ কিশোৰীগৰাকীক বাংগালুৰু ৰেলৰে আৰক্ষীৰ হাতৰ পৰা গ্ৰহণ কৰি আজি পুৱা আটাইকেইজন ৰঙাপৰাত উপস্থিত হয়।

# যোগান বিষয়াৰ ধন সংগ্ৰহৰ অভিযোগ

## ব্যৱস্থা গ্ৰহণৰ দাবী বৰমা চেম্বাৰ্ছ অফ কমাৰ্চৰ

অগ্ৰদূত বাৰ্তা

**বৰমা, ২৬ জুন ঃ** বিজেপি নেতৃত্বাধীন অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতি ৰোধৰ বাবে প্ৰায়ে ঘোষণা কৰি আহিছে যদিও সেই ঘোষণাক কেৰেপেই নকৰে একাংশ অসাধু বিষয়াই। যাৰ বাবে বিষয়াৰ বিৰুদ্ধে উপায়ুক্তৰ ওচৰত অভিযোগৰ স্মাৰকপত্ৰ প্ৰদান কৰিব লগা হৈছে। অভিযোগ অনুসৰি বাগ্‌সা জিলাৰ যোগান বিভাগৰ সহকাৰী সঞ্চালক ৰমেন ডেকাই ভয়-ভাবুকিৰে দোকানসমূহৰ পৰা কে'বামাহ ধৰি ধন সংগ্ৰহ কৰি আহিছে। উপ-সঞ্চালকজনে বৰমা অঞ্চলৰ গেলামাল, মিঠাই ভাণ্ডাৰ আদি দোকানলৈ গৈ নথি-পত্ৰ চোৱাৰ অচিলা লৈ পাঁচৰ পৰা ১০ হেজাৰ টকালৈ ধন দাবী কৰে। আনকি দাবী কৰা ধন নিদিলে দোকান বন্ধ কৰি দিয়াৰো ভাবুকি প্ৰদান কৰে। ইতিমধ্যে বৰমা অঞ্চলৰ প্ৰতিগৰাকী ব্যৱসায়ীয়ে যোগান বিভাগৰ বিষয়াৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে। কালি সাংবাদিকৰ আগত এইদৰে অভিযোগ উত্থাপন কৰে বৰমা চেম্বাৰ্ছ অফ কমাৰ্চৰ সম্পাদক ৰূপম দাসে। তেওঁ সমগ্ৰ বিষয়টো ইতিমধ্যে বাগ্‌সা জিলা উপায়ুক্তক এখন স্মাৰক পত্ৰৰ জৰিয়তে অৱগত কৰা বুলিও জানিব দিয়ে। ব্যৱসায়ীৰ ওপৰত হাৰাশাস্তি কৰাটো বন্ধ কৰাৰ লগতে ঘটনাৰ উচিত তদন্ত দাবী কৰিছে। ইফালে যোগান বিষয়া ৰমেন ডেকাই তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দৰ্ভত প্ৰশ্ন কৰাত তেওঁ সেই অভিযোগ নসাৎ কৰি সেৱা বদনাম কৰাৰ বাবে কৈছে বুলি জানিব দিয়ে। অৱশ্যে তদন্ততহে ওলাই পৰিব যোগান বিষয়াৰ প্ৰকৃত ৰহস্য।

# পশ্চিম নলবাৰীৰ বানাক্ৰান্ত বাতৰি কাকত বিতৰকক বান সাহায্য বিতৰণ

অগ্ৰদূত বাৰ্তা

**চামতা, ২৬ জুন ঃ** নলবাৰী জিলাৰ পশ্চিম নলবাৰীৰ প্ৰলয়ংকৰী বানত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ক্ষতিগ্ৰস্ত পশ্চিম নলবাৰীৰ বাতৰি কাকত বিতৰক (হকাৰ)সকলৰ মাজত আজি বান সাহায্য হিচাপে খাদ্য সামগ্ৰীৰ টোপোলা বিতৰণ কৰা হয়। পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ে আজি ধৰ্মপুৰ আঞ্চলিক বাতৰি কাকত বিতৰক (হকাৰ) সন্থাৰ জৰিয়তে খাদ্য সামগ্ৰীৰ টোপোলাসমূহ বিতৰণ কৰা হয়। আজি সন্ধিয়া ছয় বজাত চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ মোহন ভাইৰা কাৰ্যালয় গৃহত ধৰ্মপুৰ আঞ্চলিক বাতৰি কাকত বিতৰক (হকাৰ) সন্থাৰ সম্পাদক বিপ্লৱ শৰ্মাৰ নেতৃত্বত পশ্চিম নলবাৰী সন্থাৰ অন্তৰ্ভুক্ত ৬৩জন কাকত বিতৰকক চাউল, দাইল, চিৰা আদিৰ টোপোলা বিতৰণ কৰে। উল্লেখ্য যে পশ্চিম নলবাৰীৰ প্ৰলয়ংকৰী বানত একাংশ কাকত বিতৰক প্ৰত্যক্ষ আৰু বাকীসকল ভয়ংকৰ বানত কাকত বিতৰণ কৰিব নোৱাৰি ক্ষতিগ্ৰস্ত হৈছিল।

# টিহুত গাঁঠিৰ ধন ভাঙি বানাক্ৰান্তই বান্ধিলে মৰাপাগলদিয়াৰ মথাউৰি

অগ্ৰদূত বাৰ্তা

**টিহু, ২৬ জুন ঃ** নলবাৰী জিলা তথা বৰমা সমষ্টিৰ অন্তৰ্গত পশ্চিম নামবৰভাগ গাঁও পঞ্চায়তৰ দক্ষিণ বালি কলিতাপাৰাৰ বানাক্ৰান্ত ৰাইজে আজি গাঁৱৰ সমীপৰে বৈ যোৱা মৰাপাগলদিয়া নৈৰ মথাউৰিৰ ভগ্ন অংশ হাতে হাতে দা-কোৰ লৈ গাঁঠিৰ ধন ভাঙি বাঁহ, শিল, মাটি আদিৰে বান্ধিছে। উল্লেখ্য যে ৭০ ঘৰ মানুহে বাস কৰা দক্ষিণ বালি কলিতাপাৰাৰ আটাইকেইটা পৰিয়াল কৃষিজীৱী আৰু আৰ্থিকভাৱে দুৰ্বল। মাত্ৰ কিছুদিন পূৰ্বে হৈ যোৱা মৰাপাগলদিয়াৰ বিধ্বংসী বানে কলিতাপাৰাৰ সমীপৰ মথাউৰি ভাঙি উক্ত পৰিয়ালকেইটাৰ ঘৰ-বাৰী, কৃষিপথাৰ তচনচ কৰি পেলোৱাৰ উপৰি মানুহ আৰু পোহনীয়া জীৱ-জন্তুবোৰৰ বিলাই বিপত্তি নোহোৱা কৰে। ইয়াৰ পূৰ্বে পঞ্চায়তৰ তৰফৰ পৰা মথাউৰিটোৰ কাম কৰিছিল যদিও



সম্পূৰ্ণ কৰা নহ'ল আৰু কামখিনি ৰাইজৰ মনপুতঃ হোৱা নাছিল। উপায়ান্তৰ কলিতাপাৰাৰ ৰাইজে স্থানীয় বিধায়ক ভূপেন বড়োক তেওঁলোকৰ বিপদৰ কথা অৱগত কৰাত বিধায়কজনে চৰজমিন তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে। অথচ বৰষুণ আহিলেই বাঢ়নী পানীয়ে ভগ্ন মথাউৰিৰে সোমাই পুনৰ বিপদ মাতি অনাটো নিশ্চিত দেখি আজি ৰাইজে নিজে শ্ৰমদান কৰি মথাউৰিটো বান্ধিবলৈ বাধ্য হয়। দক্ষিণ বালি কলিতাপাৰাৰ ৰাইজে মৰাপাগলদিয়াৰ ভগ্ন মথাউৰিটোৰ সমস্যা শীঘ্ৰে সমাধান কৰি অঞ্চলবাসীৰ জীৱন আৰু সা-সম্পত্তিৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ তথা স্থানীয় বিধায়কৰ ওচৰত দাবী জনাইছে।

# চতমাত কৃতীমান শিক্ষাৰ্থীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৬ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ উদ্যোগতো আজি মণ্ডলটোৰ অন্তৰ্গত ১০২ টা বুথত প্ৰধানমন্ত্ৰীৰ মন কি বাত অনুষ্ঠানত দলীয় কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰে। মণ্ডলটোৰ অন্তৰ্গত ২০৪ নম্বৰ বুথত আজি মণ্ডল বিজেপিৰ সম্পাদক মৃগেন শৰ্মাৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা গাঁওখনৰ আঠগৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়। 'মন কি বাত' অনুষ্ঠানত সদ্য বানেধোৱা গাঁওখনৰ বিভিন্ন সমস্যাৰ ওপৰতো আলোচনা কৰাৰ লগতে পাঁচটাকৈ জ্বলন্ত সমস্যাৰ সমাধান কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনোৱাৰ উদ্দেশ্যে প্ৰস্তাৱ কৰে। বৰনামখলাস্থিত আই ঠাকুৰাণী গোসাঁই ঘৰ প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানত গাঁওখনৰ জ্যেষ্ঠ নাগৰিক তথা অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক বীৰেন্দ্ৰ নাথ শৰ্মা, দেহাৰকুছি গাঁও পঞ্চায়তৰ সভাপতি যোগেশ্বৰ শৰ্মা, বুথ সভাপতি কমল শৰ্মা, সামাজিক মাধ্যমৰ আহ্বায়ক খঞ্জন তালুকদাৰ আদিয়ে অংশগ্ৰহণ কৰে। বুথ সম্পাদক মিন্টু শৰ্মাই আঁত ধৰা অনুষ্ঠানত শিক্ষাৰ্থীসকলক গামোচা, ফুলৰ থোপা, কলম আদিৰে সম্বৰ্ধনা জনায়।

# শ্ৰীৰামপুৰত দপ্‌দপাই জ্বলিল গাঞ্জা সৰবৰাহ কৰা ট্ৰাক



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৬ জুন ঃ** অসম-বংগ সীমান্তৱৰ্তী গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত আজি পুৱতি নিশা দপ্‌দপাই জ্বলি উঠিল এখন গাঞ্জা সৰবৰাহ কৰা ট্ৰাক। শ্ৰীৰামপুৰ আৰক্ষী চকীৰ পৰা প্ৰায় ডেৰশ মিটাৰ দূৰত আৰক্ষীয়ে ৰখাই থোৱা ট্ৰাকখন কেনেকৈ জ্বলিল তাক লৈ সন্দেহৰ সৃষ্টি হৈছে যদিও গাঞ্জা সৰবৰাহৰ লগত জড়িত দুৰ্বৃত্তই ট্ৰাকখন জ্বলাই দিয়াৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে যোৱা নিশা শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে এক বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জাভৰ্তি ট্ৰাক এখন জব্দ কৰিবলৈ সক্ষম হয়। গাঞ্জা সৰবৰাহ কৰা ট্ৰাকখন জব্দ কৰাৰ লগতে চালক আৰু সহকাৰী চালকক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। উক্ত গাঞ্জা সৰবৰাহ কৰা কামৰ স'তে কোন জড়িত তাক নিশ্চিত কৰিবলৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰখাৰ সময়ত আজি পুৱতি নিশা দুৰ্বৃত্তই জ্বলাই দিয়ে আৰক্ষীৰ জিম্মাত থকা গাঞ্জা কঢ়িয়াই অনা এনএল-০৬ এ-৪৪৩৮ নম্বৰৰ ট্ৰাকখন। উক্ত ট্ৰাকখনৰ পৰাই মুঠ ৩৭ টা পেকেটত ৪৪৭ কিলোগ্ৰাম গাঞ্জা উদ্ধাৰ হৈছিল। গাঞ্জা সৰবৰাহ কৰা ট্ৰাকখন শ্ৰীৰামপুৰ আৰক্ষী চকীৰ নিচেই কাষত নিশা দুৰ্বৃত্তই জ্বলাই দিয়াত সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অতি গুৰুত্বপূৰ্ণ কথা যে আজি ৰাজ্যখনৰ চুকে-কোণে ড্ৰাগছ বিৰোধী দিৱস চলি থকা সময়ত শ্ৰীৰামপুৰত গাঞ্জা কঢ়িওৱা ট্ৰাকখন থানাৰ চৌহদত জ্বলোৱাৰ ঘটনাই গভীৰ ৰহস্যৰ সৃষ্টি কৰিছে।

# অসম নাট্য সন্মিলনৰ নৱনিৰ্বাচিত স্বৰ্ণপীঠ মাণ্ডলিক কাৰ্যনিৰ্বাহ সমিতিৰ শপতগ্ৰহণ



অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৬ জুন ঃ** অসম নাট্য সন্মিলন, বিশ্বনাথ চাৰিআলি শাখাৰ আতিথ্যত নৱনিৰ্বাচিত স্বৰ্ণপীঠ মাণ্ডলিক কাৰ্যনিৰ্বাহক সমিতিৰ দায়িত্বভাৰ আৰু শপতগ্ৰহণ অনুষ্ঠান আজি বিশ্বনাথ জিলাৰ পাভৈ ফিছ ফাৰ্মত অনুষ্ঠিত হয়। আজিৰ হিৰণ্য হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপ-সভাপতি মৃগেন বৰা, সহকাৰী সম্পাদক জয়ন্ত শইকীয়া প্ৰমুখ্যে বিষয়ববীয়াসকল উপস্থিত থাকে। সাতখন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে যোগানন্দ গগৈয়ে। আদৰণি ভাষণ দিয়ে সন্মিলনৰ বিশ্বনাথ চাৰিআলি শাখাৰ সভাপতি হেমন্ত শইকীয়াই। সভাত পাভৈ ফিছ ফাৰ্মৰ স্বত্বাধিকাৰী বীৰেন ভাগৱতীয়ে বক্তব্য আগবঢ়ায়। হিতৈষী সদস্য হীৰেন বৰা, অৰুণা বৰা আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিগত সময়ছোৱাত মৃত্যুবৰণ কৰা নাট্যকৰ্মী আৰু বৰেণ্য ব্যক্তিসকলৰ স্মৃতিত এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়। সভাত বিভিন্ন জিলাৰ পৰা অহা প্ৰতিনিধিসকলক আদৰণি জনোৱা হয়। এই সভাত নাট্য সন্মিলনৰ ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# হোজাইত হেৰ'ইন, গাঞ্জা, টেবলেটসহ ছয় কোটিৰ ড্ৰাগছ জ্বলালে আৰক্ষীয়ে

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৬ জুন ঃ** ড্ৰাগছৰ বিৰুদ্ধে হোজাই আৰক্ষীৰ অভিযান অব্যাহত আছে। বিভিন্ন সময়ত ড্ৰাগছ সৰবৰাহকাৰী চক্ৰৰ পৰা উদ্ধাৰ কৰা অনুমান ছয় কোটি টকা মূল্যৰ ড্ৰাগছ আজি হোজাই জিলাৰ শংকৰদেৱ নগৰত জ্বলাই দিয়া হয়। জিলাখনৰ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে, জিলাখনৰ বিভিন্ন আৰক্ষী থানাত ড্ৰাগছ সম্পৰ্কীয় পঞ্জীয়ন হৈ থকা ৬৯টা গোচৰৰ লগত জব্দ কৰা বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰীখিনি নিৰ্দিষ্ট চৰকাৰী নিয়মৰ মাজেৰে জ্বলাই দিয়া হয়। ফৰেনছিক বিজ্ঞানাগাৰৰ প্ৰতিবেদন পোৱাৰ পাছত জিলা ড্ৰাগছ ডিছপ'জেল কমিটীৰ অনুমোদনমৰ্মে আৰু প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্যৰ উপস্থিতিত এই সামগ্ৰীখিনি জ্বলাই দিয়া হয়। জ্বলাই দিয়া সামগ্ৰীৰ মাজত আছে হেৰ'ইন তিনি কিলোগ্ৰাম, দুই গ্ৰাম, গাঞ্জা ৫৬৭ কেজি ৭০১ গ্ৰাম, টেবলেট ৩৭,৬৭৮টা, কফ ছিৰাপ ৩৭৭ বটল আৰু কানি এক কেজি ২৮ গ্ৰাম। ইয়াৰ বজাৰ মূল্য অনুমান পাঁচ কোটি ৮০ লাখ টকা হ'ব বুলি জানিবলৈ দিয়ে জিলাখনৰ আৰক্ষী অধীক্ষকজনে।

# ৰঙাপৰাত ছৌল বেচৰকাৰী সন্থাৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৬ জুন ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত এক নম্বৰ নামনি গাঁৱত এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন হৈ যায়। ছৌল ফাউণ্ডেছন নামৰ বেচৰকাৰী সংগঠনৰ উদ্যোগত নামনি গাঁও বৌদ্ধ মন্দিৰ প্ৰেক্ষাগৃহত দিনৰ তিনি বজাৰ পৰা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। ছৌল ফাউণ্ডেছনৰ সভাপতি এঞ্জেল হালদাৰ আৰু সম্পাদক স্বপন মহাজনৰ নেতৃত্বত সাতজনীয়া এটা চিকিৎসকৰ দলৰ সহযোগিতাত বিভিন্নজনৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ৰক্তচাপ, মধুমেহ ৰোগ আদি বিভিন্ন ৰোগৰ কাৰকসমূহৰ বিষয়ে বুজাই দিয়াৰ লগতে ৰোগসমূহৰ নিৰাময় প্ৰণালী বৰ্ণনা কৰে আৰু কি কি ঔষধ কেনে ধৰণে সেৱন কৰিব লাগে, সেই বিষয়ে পৰামৰ্শ আগবঢ়ায়। তাৰ উপৰি স্বাস্থ্য শিবিৰটোত বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। ছৌল ফাউণ্ডেছনৰ হৈ ডাঃ তাবাৰক হুছেইন, সহদেৱ ধাম, অজয় চক্ৰৱৰ্তী, অৰূপ বৰুৱা আৰু ৰজমণি কলিতাই অংশগ্ৰহণ কৰে। এই স্বাস্থ্য শিবিৰৰ জৰিয়তে শিশু তথা ৰাইজ যথেষ্ট উপকৃত হ'ব বুলি আশাবাদী জ্যেষ্ঠ সাংবাদিক তথা ছৌল ফাউণ্ডেছনৰ উপদেষ্টা ছাহিন আহমেদ। স্থানীয় গ্ৰাম্য ৰাইজৰ সুবিধাৰ্থে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। এই বিনামূলীয়া স্বাস্থ্য শিবিৰত বিশেষভাৱে সহযোগিতা আগবঢ়ায় ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি পংকজ নাথ, ৰঙাপৰা প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক ছাজাহান কুৰেছী, নামনি গাঁও পঞ্চায়তৰ উপ-সভানেত্ৰী ৰূপালী পাটোৱাৰী আৰু মন্দিৰ পৰিচালনা সমিতিৰ সদস্য অসীম বৰুৱাই। উল্লেখ্য যে আজি অনুষ্ঠিত এই শিবিৰত প্ৰায় এশৰো অধিক লোকে স্বাস্থ্য পৰীক্ষা আৰু বিনামূলীয়া ঔষধ লাভ কৰি উপকৃত হয়।

# আন্তঃৰাষ্ট্ৰীয় ছেমি ক্লাছিকেল নৃত্য প্ৰতিযোগিতাত কৃতিত্ব দানিছা বেগম হাজৰিকাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২৬ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকিল নগাঁৱৰ প্ৰতিভাবান ছাত্ৰী দানিছা বেগম হাজৰিকা। ডুবাইত ভাৰত সংস্কৃতি যাত্ৰাৰ উদ্যোগত অনুষ্ঠিত হোৱা 'ফেষ্টিভেল অৱ ইণ্ডিয়ান আৰ্ট কালছাৰ'ৰ আন্তঃৰাষ্ট্ৰীয় ছেমি ক্লাছিকেল নৃত্য প্ৰতিযোগিতাত নগাঁৱৰ মধুপুৰৰ দানিছাই প্ৰথম পুৰস্কাৰ লাভ কৰি নগাঁৱৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। দানিছা ডিফু মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক ড° এ বি ৰাজীৱ আৰু নগাঁৱৰ প্ৰিয়দৰ্শনী শিশু নিকেতনৰ অধ্যক্ষা হেলমিন হাজৰিকাৰ সু কন্যা। নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰামানুজন মহাবিদ্যালয়ত কলা শাখাৰ দ্বাদশ শ্ৰেণীত অধ্যয়নৰত দানিছাই পূৰ্বে বহিঃৰাজ্যৰ ওড়িছাত অনুষ্ঠিত হোৱা শাস্ত্ৰীয় নৃত্যৰ আন্তঃৰাজ্যিক প্ৰতিযোগিতাত ভাগ লৈ প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পূৰ্বে দানিছাই ৰাজ্যৰ বিভিন্ন ঠাইত বিহু নৃত্য, ভাৰত নাট্যম, সংস্কৃতি নৃত্য আদি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বহু পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। ছাত্ৰীগৰাকীৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এনে সফলতাত নগাঁৱৰ সাংস্কৃতিক ক্ষেত্ৰখনত এতিয়া আনন্দনৰ বন্যা বৈছে। ছাত্ৰীগৰাকীৰ সাফল্যত আনন্দিত ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী লগতে শিক্ষক-শিক্ষয়িত্ৰীসকল।

# ছাত্ৰ-ছাত্ৰীৰ বাবে বিশুদ্ধ খোৱাপানী ব্যৱস্থা মুকলি প্ৰাক্তন মন্ত্ৰী কলিতাৰ

## ছয়গাঁও মহাবিদ্যালয় কৰ্তৃপক্ষৰ প্ৰশংসনীয় পদক্ষেপ

অগ্ৰদূত বাৰ্তা

**ছয়গাঁও, ২৬ জুন ঃ** কামৰূপ জিলাৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান ছয়গাঁও মহাবিদ্যালয় কৰ্তৃপক্ষই নিজাববীয়া প্ৰচেষ্টাত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে নিৰ্মাণ কৰি উলিওৱা এক অত্যাধুনিক বিজ্ঞানসন্মত বিশুদ্ধ পানী যোগান ব্যৱস্থাৰ কালি উদ্বোধন কৰা হয়। মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত এই বিশুদ্ধ পানী যোগান ব্যৱস্থাৰ উদ্বোধন কৰে অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ তথা প্ৰাক্তন স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই। ডাঃ কলিতাই ভাষণ প্ৰসংগত মহাবিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে এইদৰে স্থানীয়ভাৱে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰা কাৰ্যক ভূয়সী প্ৰশংসা কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱ কুমাৰ কলিতাই আঁতধৰা অনুষ্ঠানত ছয়গাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° নগেন কলিতা, জ্যেষ্ঠ অধ্যাপিকা শৰ্মিলা ৰয় দাস, উপাধ্যক্ষ কমল ঠাকুৰীয়া, স্থানীয় বিশিষ্ট ব্যক্তি অৱসৰপ্ৰাপ্ত শিক্ষক চন্দ্ৰকান্ত কলিতা, পৰশুৰাম দাস, লোহিত ঠাকুৰীয়া, মহকুমা স্বাস্থ্য বিষয়া ডাঃ ৰাধাচৰণ দাসকে ধৰি বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# মুছলপুৰত গ্ৰীণ আৰ্মীৰ যোগ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৬ জুন ঃ** ভৱিষ্যতৰ সেউজীয়া পৃথিৱীৰ এজাক স্বপ্নদ্ৰষ্টা 'গ্ৰীণ আৰ্মী'। আজিৰ এই সুন্দৰ আৰু সেউজীয়া পৃথিৱীখন অনাগত দিনতো সেউজীয়া আৰু সুন্দৰ কৰি ৰখাটোৱেই গ্ৰীণ আৰ্মীৰ প্ৰতিগৰাকী সদস্যাৰ কামনা। সেউজপ্ৰেমী গ্ৰীণ আৰ্মীয়ে আজি ল'লে ব্যতিক্ৰমী কাৰ্যসূচী। সু-স্বাস্থ্যৰ বাবে গ্ৰীণ আৰ্মীয়ে আয়োজন কৰিছে যোগ কৰ্মশালা। আজি মুছলপুৰৰ গাৰামদেউত মুকলি কৰা হয় উক্ত কৰ্মশালা। বাংনাবাৰী ভিচিডিচিৰ অধ্যক্ষ চিন্তু ডেকাই মুকলি কৰি কয় যে স্বাস্থ্যৰ প্ৰতি সজাগ আৰু সচেতন হোৱাটো প্ৰত্যেক লোকৰে দায়িত্ব। অনাগত সময়তো গ্ৰীণ আৰ্মীয়ে পৰিৱেশ সজাগতাৰ লগতে যোগৰ দৰে অত্যন্ত দৰকাৰী কাৰ্যসূচী হাতত লওক সেয়া আমাৰ কামনা। আনহাতে, গ্ৰীণ আৰ্মীৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰিয়ংকা ৰয়ে এইসমূহ কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ লগতে নিজৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি শিশুৰ পৰা জ্যেষ্ঠজনলৈ সকলোকে আগুৱাই আহিবলৈ অনুৰোধ জনায়। চৰকাৰে আৰম্ভ কৰিবলৈ লোৱা প্লাষ্টিক বৰ্জন কাৰ্যসূচীতো গ্ৰীণ আৰ্মীয়ে পোনপ্ৰথমে সহযোগ কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজিৰ কাৰ্যসূচীত গ্ৰীণ আৰ্মীৰ উপদেষ্টা হিৰণ্য কলিতা, স্থানীয় সমাজসেৱক নৱ শৰ্মাৰ লগতে গ্ৰীণ আৰ্মীৰ একাংশ বিষয়ববীয়া উপস্থিত থাকে।

# কৰ্তব্যৰত বিদ্যুৎ কৰ্মীক আক্ৰমণৰ গোচৰত তিনি গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৬ জুন ঃ** আপদকালীন সেৱাত জড়িত কৰ্মীক মঙলদৈৰ মোৱামাৰীত দলবদ্ধ আক্ৰমণ কৰি আহত কৰাৰ গোচৰত মঙলদৈৰ আৰক্ষীয়ে তিনি অভিযুক্ত ক্ৰমে শান্তিৰঞ্জন সৰকাৰ (৪০), পংকজ সৰকাৰ (৩২) আৰু জ্যোতিষ সৰকাৰ (৫১)ক গ্ৰেপ্তাৰ কৰি আদালতৰ জৰিয়তে জেললৈ প্ৰেৰণ কৰে। ধৃত আটাইকেইজনৰ ঘৰ মোৱামাৰী গাঁৱত। ঘটনাৰ মূল অভিযুক্ত গোপাল সৰকাৰ (৪০)ক এই পৰ্যন্ত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব পৰা নাই। এটা মহলে দাবী কৰা মতে, পলাতক সৰকাৰে গুৱাহাটীৰ লখৰাত থকা পত্নীৰ আত্মীয়ৰ ঘৰত বৰ্তমান আত্মগোপন কৰি আছে। সদৌ অসম বিদ্যুৎ যোগান কৰ্মী ইউনিয়নৰ মঙলদৈ শাখাই ঘটনাৰ মূল অভিযুক্ত সৰকাৰক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি শাস্তি বিহাৰ দাবী জনাইছে।

# ঘগ্ৰাপাৰত ৰাইজে নিৰ্মাণ কৰিলে বানে বিধ্বস্ত কৰা পথৰ দলং



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৬ জুন ঃ** নলবাৰী জিলাৰ ৫৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত দুই নম্বৰ নিমুৱা গাঁৱত আজি সদ্য প্ৰলয়ংকৰী বানে বিধ্বস্ত কৰা এটা পথৰ ওপৰত যাতায়াতৰ সুবিধাৰ বাবে ৰাইজে গাঁঠিৰ ধন ভাঙি নিৰ্মাণ কৰে এখন বাঁহৰ দলং। উল্লেখ্য যে যোৱা ১৬ জুনত সমষ্টিটোৰ নাৰিকুছি (বিলপাৰ)-বৰখলা সংযোগী লোক নিৰ্মাণ বিভাগৰ উক্ত স্থানত এটা কালভাৰ্ট বাঢ়নী পানীয়ে উটুৱাই নিয়াৰ ফলত বিগত প্ৰায় ১১ দিন ধৰি পথটোৰ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰ কুশল বেজবৰুৱা আৰু নলবাৰী লোক নিৰ্মাণৰ বৰমূৰীয়া তথা কৰ্মচাৰীয়ে আজি পৰ্যন্ত উক্ত স্থানত উপস্থিত নোহোৱাত ৰাইজে ক্ষোভ প্ৰকাশ কৰে। সেয়েহে অঞ্চলটোৰ ৰাইজে আজি নিজৰ পকেটৰ ধন খৰচ কৰি আৰু নিজৰ বাৰী-বস্তিৰ পৰা বাঁহ কাটি আনি পথটোৰ ওপৰত বানে উটুৱাই নিয়া কালভাৰ্টৰ ওপৰত এখন বাঁহৰ দলং নিৰ্মাণ কৰি যাতায়াতৰ উপযোগী কৰি তোলে।

# শিশুসকলৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে ধলাইবিলত জন্ম 'ধলাইবিল কলাকেন্দ্ৰ'

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৬ জুন ঃ** কেইজনমান সমাজ সচেতক লোকৰ আশাশুধীয়া প্ৰচেষ্টাত জন্মগ্ৰহণ কৰা জামুগুৰিহাটৰ ধলাইবিলত আজি 'ধলাইবিল কলাকেন্দ্ৰ' উদ্বোধন কৰা হয়। শিশুসকলৰ চিত্ৰ-নৃত্য-কণ্ঠ সংগীতকে ধৰি একাধিক বিষয়ৰে আগবঢ়াই নিয়াৰ লক্ষ্য আৰু উদ্দেশ্যৰে জন্মগ্ৰহণ কৰা ধলাইবিল কলা কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক-সমাজকৰ্মী নৰেন নাথে। ধলাইবিলস্থিত উত্তৰ জামুগুৰি সাহিত্য সভা ভৱনত অনুষ্ঠিত অনুষ্ঠানত কলা কেন্দ্ৰটো বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, সমাজ সংগঠক নলিনী ৰঞ্জন ভূঞাই। ভাষণ প্ৰসংগত উদ্বোধকজনে কয় যে কলাক জীৱনৰ ব্ৰত হিচাপে লৈ আগবাঢ়িলে এখন সুস্থ সমাজ গঠন কৰাত সহায়ক হয়। ভালেকেইগৰাকী শিশুৰ নৃত্য-গীতে মন্ত্ৰমুগ্ধ কৰি ৰখা সভাত উত্তৰ জামুগুৰি সাহিত্য সভাৰ সভাপতি ৰত্নকান্ত নাথ, সমাজকৰ্মী কৃতী শিক্ষক জয়ন্ত ভূঞা, অৱন্তী ভাগৱতী, মহেশ্বৰ শইকীয়া, লাহৰী বৰা হাজৰিকা, অৰ্চনা বৰুৱাৰ লগতে কলা কেন্দ্ৰৰ দুগৰাকী প্ৰশিক্ষকেও মননশীল বক্তব্য আগবঢ়ায়। ইফালে, কলা কেন্দ্ৰৰ তৰফৰ পৰা জানিব পৰা মতে, অহা শনিবাৰৰ পৰা শ্ৰেণীসমূহ নিয়মীয়াকৈ অনুষ্ঠিত হোৱাৰ লগতে অহা ৩০ জুনৰ ভিতৰত নামভৰ্তি কৰাৰ ব্যৱস্থা ৰখা হৈছে।

# সাংসদ সন্ধানহীন বুলি প'ষ্টাৰিং নগাঁৱত

## ■ দুই 'সন্ধানহীন' সাংসদৰ খবৰ দিলে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই



*ভাওৰাগুৰিত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানৰ এটি মুহূৰ্ত।*

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ জুন ঃ** চলিত মাহৰ ভিতৰত দুটাকৈ বানে নগাঁও জিলাত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰাৰ পাছতো নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈৰ ছাঁটোকে দেখিবলৈ পোৱা নাই বানাক্ৰান্ত ৰাইজে। বিপদৰ সময়ত দুয়োজন সাংসদৰ এনে ভূমিকাক কেন্দ্ৰ কৰি এতিয়া সৰ্বত্ৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনকি কোনো বিক্ষুব্ধ লোকে নগাঁও লোকসভা সমষ্টিৰ সাংসদ বৰদলৈ সন্ধানহীন বুলি প'ষ্টাৰিং কৰাও পৰিলক্ষিত হয়। কলং-কপিলী, হাৰিয়া, নিশাৰী, ননৈ আদি নৈয়ে জিলাখনত সৃষ্টি কৰা সংহাৰী ৰূপৰ পাছত বানাক্ৰান্তই যিটো সময়ত এক হাহাকাৰ পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলগা হৈছে, সেই সময়ছোৱাতে এই দুয়োজন সাংসদৰ 'সন্ধানহীন' হোৱা ঘটনাই এতিয়া ৰাজনৈতিক মহলতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাইজৰ বিপদৰ সময়ত ৰাইজৰ কাষত আহি এষাৰি মাত দিবলৈও সময় নোপোৱা এই দুজন সাংসদৰ আজি অৱশ্যে 'সন্ধান' দিলে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। নগাঁৱত আজি বানাক্ৰান্তৰ মাজত বান সাহায্য বিতৰণ কৰিবলৈ আহি দুয়োজন সাংসদ ক'ত কেনেকৈ ব্যস্ত সেই বিষয়ে সংবাদ মাধ্যমৰ আগত তেওঁ সদৰী কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাই কয়, 'তিনিখন পাৰ্লিয়ামেন্টৰী কমিটীৰ বৈঠকৰ বাবে সাংসদ গগৈ ব্যস্ত থাকিবলগীয়া হৈছে। পৰহি মই কথা পাতিছো, তেওঁ আহিব।' আনহাতে, সাংসদ বৰদলৈৰ সন্দৰ্ভত কয়, 'বৰদলৈৰ পুত্ৰৰ অসুস্থতাৰ বাবে ভাৰত বৰ্ষৰ বাহিৰত আছে। ২০ দিন অসমত নাথাকিম বুলি মোক কৈ গৈছে। ২০ দিন হৈ গৈছে সাংসদজন আহি পাবহি। মোৰ বিশ্বাস দুয়ো ৰাইজৰ মাজত সোনকালে আহিব।' আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কঠোৰ সমালোচনা কৰি সভাপতি বৰাই কয়, 'আমাক এনেকুৱা মুখ্যমন্ত্ৰী নালাগে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা বান সাহায্য আদায় কৰিব পৰা মুখ্যমন্ত্ৰীহে লাগে। ৰাজ্যত এতিয়া বন্যাৰ্তই ঘোচ দি বানসাহায্য ল'ব লগা পৰিৱেশৰ সৃষ্টি হৈছে। চৰকাৰী বান সাহায্যৰ নামত ৩০ টকাকৈ আদায় লোৱাৰ ঘটনাও সংঘটিত হৈছে।' আনহাতে, মহাৰাষ্ট্ৰৰ চৰকাৰ ভঙা পতা ৰাজনীতি সন্দৰ্ভত প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনে সংবাদ মাধ্যমৰ আগত কয়, 'এইটো বৰ চিন্তনীয় কথা হৈছে। চৰকাৰ বনোৱা মানুহখিনিয়ে নিজৰ ঠাইত থাকিবলৈ সাহস নকৰি, ভয়ত তেওঁলোক গুচি আহিবলগা হৈছে।' তেওঁলোকে ইয়াত থাকি মহাৰাষ্ট্ৰ চলাব নেকি বুলি প্ৰশ্ন উত্থাপন কৰি হুছেইনে আৰু কয়, 'এতিয়া কথাটো হ'ল তেওঁলোক প্ৰথমে চুৰাটত আছিল। এতিয়া দুহেজাৰ কিলোমিটাৰ দূৰলৈ আহিছে। তাৰ মানে বিজেপিৰ বাকী প্ৰদেশৰ মুখ্যমন্ত্ৰীসকলে গাত ক'লা দাগ লগাব বিচৰা নাই। কাৰণ তেওঁলোকে এইটো বেয়া পায়।' তেওঁ মুখ্যমন্ত্ৰীৰ নাম উল্লেখ নকৰাকে কয়, 'কিন্তু ইয়াৰ মুখ্যমন্ত্ৰীগৰাকীৰ গাত বগা দাগ দিয়াৰে জেগা নাই। ক'লা দাগেই দাগ। গতিকে তেওঁ কৈছে মোৰ তালৈকে পঠাই দিয়া। মধ্যপ্ৰদেশ, গুজৰাট ৰাজ্য আছে। তালৈ নপঠাই ইয়ালৈ কিয় পঠাইছে? আমাৰ জনে কৈছে আমাৰ তালৈ পঠায় দিয়ক। কাৰণ তেওঁৰ গাত ক'লা দাগেই দাগ।' উল্লেখ্য যে প্ৰদেশ কংগ্ৰেছে বানে প্ৰলয় সৃষ্টি কৰা ৰাজ্যৰ ১৬ খন জিলালৈ বান সাহায্য প্ৰেৰণৰ দিহা কৰিছে । ইয়াৰ অংশৰূপে শনিবাৰে নগাঁৱৰ বৰঘাটৰ পৰা হোজাই আৰু নগাঁও জিলাৰ বন্যাৰ্তৰ বাবে বানসাহায্য বিতৰণ কাৰ্যসূচী মুকলি কৰা হয়। এই অনুষ্ঠানত প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰা, বিধায়ক হুছেইন, নুৰুল হুদা, শিবামণি বৰা, জিলা কংগ্ৰেছৰ কে'বাজনো বিষয়ববীয়াই অংশগ্ৰহণ কৰে ।

## উত্তৰ লখিমপুৰ জিলা মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ অভিনন্দন অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**লালুক, ২৬ জুন ঃ** উত্তৰ লখিমপুৰ জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সৌজন্যত যোৱা ২৫ জুনত লালুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীৰ এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। লালুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে উত্তৰ লখিমপুৰ জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ স্থায়ী সভাপতি গুণীন্দ্ৰ বৰাই। সভাৰ আঁত ধৰে সন্থাৰ সম্পাদক সঞ্জীৱ কোঁৱৰে। লালুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সুনীল পদুম কোঁৱৰে উদ্বোধনী ভাষণ আগবঢ়োৱা সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে লখিমপুৰ জিলাৰ সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰমেশ চুতীয়াই। ছাত্ৰ-ছাত্ৰীসকলক ফলাফল কেন্দ্ৰিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ নকৰি ব্যৱহাৰিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ তেওঁ আহ্বান জনায়। অভিনন্দনমূলক সভাত বিশিষ্ট অতিথিৰূপে লখিমপুৰ জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক প্ৰদীপ বৰা, অধিবিদ্যা পৰিষদৰ কাৰ্যকৰী সভাপতি মৃদুল কুমাৰ ভূঞা, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মঞ্চৰ সভাপতি মনোজ বৰাৰ লগতে মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ৰাজ্যিক সদস্য গিৰিশ বৰা, সন্থাৰ প্ৰাক্তন জিলা সভাপতি বুবুল বৰা, প্ৰাক্তন ৰাজ্যিক সদস্য পুতুল শইকীয়া, সন্থাৰ উপ-সভাপতি ক্ৰমে মোহন কুমাৰ দাস, দিগন্ত নেওগ, মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ প্ৰধান ক্ৰমে দৌলতপুৰ মাদ্ৰাছা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চাহাবুদ্দিন আহমেদ, হাৰমতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কমলেশ্বৰ হাজৰিকা, লোহিত ডিক্ৰং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সত্যজিৎ বৰা, লালুক একাডেমী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান ধীৰাজ কুমাৰ বৰা, যুৱ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান চক্ৰেশ্বৰ বৰা, ফুলবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান সুভাষ দাসৰ লগতে বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। সভাত জিলাখনৰ সাত গৰাকী স্থানপ্ৰাপ্ত আৰু ১০৩ গৰাকী ডিষ্টিংছন আৰু ষ্টাৰ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়।

## এলেঙামাৰীত বেঁকী নৈৰ খহনীয়া পৰিদৰ্শন উপায়ুক্তৰ



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৬ জুন ঃ** বাগ্সা আৰু বৰপেটা জিলাৰ প্ৰান্তে প্ৰান্তে বেঁকী নৈয়ে বছৰ ধৰি তীব্ৰ খহনীয়াৰ সৃষ্টি কৰি আহিছে যদিও আজিকোপতি খহনীয়াৰ স্থায়ী সমাধান নহ'ল। এইবেলি ভূটান পাদদেশৰ পৰা মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে বৈ অহা বেঁকী নৈয়ে নাৰায়ণগুৰি, বিশপানী, চূণবাৰী, কালপানী, এলেঙামাৰী, গোৰৰ্ধনা আদি কৰি বহুকেইখন গাঁৱত ভয়াৱহভাৱে খহনীয়াৰ সৃষ্টি কৰিছে। অন্যৰ তুলনাত এইবাৰ বেঁকীয়ে এলেঙামাৰী গাঁওখনক ভয়ংকৰ খহনীয়াৰ কবলত পেলাইছে। ৰাজ্যৰ বিভিন্ন জিলা বৰ্তমানো বানৰ কবলত কিন্তু সেই সেই অনুপাতে বাগ্সা জিলা বৰ্তমান একপ্ৰকাৰ বানমুক্ত যদিও বেঁকী নদীৰ খহনীয়া প্ৰতিটো দিনতেই অব্যাহত আছে। খহনীয়া ৰোধ কৰাৰ বাবে জি অ' বেক আৰু বাঁহৰ পাৰ্কুপাইন ব্যৱহাৰ কৰাৰ ফলত সাময়িকভাৱে খহনীয়া কমিছে যদিও দুই-চাৰিদিন পাছত আকৌ পূৰ্বৰ দৰেই অব্যাহত থাকিব খহনীয়া। তাৰ মাজতে কালি বাগ্সা জিলা উপায়ুক্ত আয়ুষ গাৰ্গে জিলাখনৰ শালবাৰী মহকুমাৰ অন্তৰ্গত এলেঙামাৰীত বেঁকী নৈৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি কয় যে ৰাইজৰ বিপদৰ সময়ত যিকোনো সহায়-সহযোগ কৰিবলৈ সক্ষম জিলা প্ৰশাসন। তাৰ লগতে জিলা প্ৰশাসনে নৈপৰীয়া ৰাইজলৈ আগজাননী দিয়া প্ৰতিটো জাননী গুৰুত্বসহকাৰে ল'বলৈ আহ্বান জনায় আৰু যিসকলৰ পৰিয়ালৰ ঘৰ-বাৰী বেঁকী নৈৰ বুকুত জাহ গৈছে সেইসকল পৰিয়াললৈ চৰকাৰী অনুদান আগবঢ়োৱা হ'ব বুলিও মন্তব্য কৰে। উপায়ুক্তৰ লগত সংগ দিয়ে বাগ্সাৰ জালাহ ৰাজহ চক্ৰ বিষয়া বন্তি তালুকদাৰ, চক্ৰ বিষয়া অৰুণজ্যোতি দাস, জালাহ লাট মণ্ডল ওমৰ শিকদাৰ, কাৰ্যকৰী অভিযন্তা জিতেন দাসকে ধৰি বহু বিভাগৰ বিষয়ববীয়া।

## ডাঙৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ২৪ ঘণ্টাই চিকিৎসা ব্যৱস্থাৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ২৬ জুন ঃ** শদিয়া বিধানসভা সমষ্টিৰ ডাঙৰী সামূহিক স্বাস্থ্য কেন্দ্ৰ। কেন্দ্ৰটোৱে কে'বাখনো গাঁও পঞ্চায়তৰ অন্তৰ্গত ডাঙৰী, মেগেলা, বৰপথাৰ, বৰালি, হাঁহখাটি, লাউপানী, চিৰিং, লাউপতি, চামগুৰি, গাখীৰভেটি, ধুলিজান, বেতনী, তামুলী, খোবাং, মিচিমিকটা, তালাপ, তালাপ-ডাঙৰী চাহ বাগিচাবোৰক সামৰি লৈছে। এই স্বাস্থ্য কেন্দ্ৰটোত পাঁচজন চিকিৎসকক নিয়োগ কৰিছিল যদিও বৰ্তমান দুজন চিকিৎসকে ৰাইজক চিকিৎসা সেৱা আগবঢ়াই আহিছে। এটা বৃহৎ অঞ্চলৰ পৰা অহা যথেষ্ট ৰোগীৰ সমাগম হোৱা সত্ত্বেও পৰ্যাপ্ত পৰিমাণে চিকিৎসক নথকাৰ ফলত ৰোগীসকলে যথেষ্ট কষ্টৰ সন্মুখীন হ'ব লগা হৈছে। চিকিৎসকৰ অভাৱৰ বাবেই দিনৰ দুই বজাৰ পাছৰ পৰা চিকিৎসা সেৱা বন্ধ ৰখা আৰু দেওবাৰৰ দিনটো সম্পূৰ্ণ বন্ধ ৰাখিব লগা হৈছে। ফলত দৰিদ্ৰ পৰিয়ালবোৰে আৰ্থিক অভাৱত ব্যক্তিগত খণ্ডৰ চিকিৎসালয়বোৰত দেখুৱাবলৈ অপাৰগ হোৱাত চিকিৎসাৰ ক্ষেত্ৰত জীয়াতু ভুগিবলগীয়া হৈছে। চিকিৎসালয়খনত সপ্তাহৰ প্ৰতি দিনা ২৪ ঘণ্টাই চিকিৎসক নিয়োগ কৰাৰ সন্দৰ্ভত তালাপ গাঁও পঞ্চায়তৰ সভাপতি মানৱজ্যোতি সোণোৱালে কালি তিনিচুকীয়া জিলা পৰিষদৰ এখন সভাত অতিৰিক্ত উপায়ুক্তক বিষয়টো অৱগত কৰে। লগতে ৰাজ্য চৰকাৰখনলৈও সভাপতিজনৰ লগতে ভুক্তভোগী ৰাইজে সপ্তাহৰ প্ৰতিদিনাই সকলো সময়তে সেৱা আগবঢ়াব পৰাকৈ চিকিৎসক নিয়োগ কৰিবলৈ আহ্বান জনাইছে।

## উৰিয়ামঘাটত নৱনিৰ্মিত ধনশিৰি বড়ো অতিথিশালাৰ উদ্বোধন



**সৰুপথাৰ, ২৬ জুন ঃ** উৰিয়ামঘাটবাসী ৰাইজৰ এটি দীৰ্ঘদিনীয়া অভাৱ পূৰণ হ'ল। ৰাইজৰ সহযোগত আৰু বিটিচি তথা তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ আৰ্থিক সহযোগেৰে আৰম্ভ কৰা বড়ো অতিথিশালাৰ নিৰ্মাণকাৰ্য অসম্পূৰ্ণভাৱে বহুদিন পৰি আছিল। বিধায়ক বিশ্বজিৎ ফুকনে বিষয়টো অৱগত হোৱাৰ পাছত তৎপৰতাৰে বিভিন্ন শিতানৰ পৰা আৰ্থিক অনুদান আগবঢ়াই অতিথিশালাটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰে। কালি উৰিয়ামঘাটত নিৰ্মাণ কৰা ধনশিৰি বড়ো অতিথিশালাটোৰ উদ্বোধন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিধায়ক ফুকনক বড়ো কৃষ্টি প্ৰদৰ্শনেৰে আদৰণি জনায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা মুকলি সভাত বড়ো কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীয়ে আৰম্ভণি ভাষণ প্ৰদান কৰে। সভাত বড়ো কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ৰমিঅ' নাৰ্জাৰী উপস্থিত থাকে।

## নাহৰণি মাজগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২৬ জুন ঃ** গোলাঘাট কেন্দ্ৰীয় শিক্ষা খণ্ডৰ অন্তৰ্গত ধোদাং মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ নাহৰণি মাজগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী হাছনা চুলতানাৰ বিদায় সম্বৰ্ধনা সভা কালি শিক্ষক তথা অভিভাৱকৰ উপস্থিতিত অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক ৰাজেন বৰাই সভাপতিত্ব কৰা সভাত চিআৰচিচি চন্দন কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক ৰোমেশ্বৰ কলিতা, মাজগাঁও জামাতৰ বিষয়ববীয়াসকলৰ লগতে মাজগাঁও অঞ্চলৰ শতাধিক ৰাইজে অংশগ্ৰহণ কৰে। বিদায়ী শিক্ষয়িত্ৰী হাছনা চুলতানাক গুৰযোগনীয়া কেন্দ্ৰৰ শিক্ষকৰ হৈ এখন সফুৰা, গামোচা, চেলেং, জাপি আৰু ধৰ্মগ্ৰন্থৰে সম্বৰ্ধনা জনায় ক্ৰমে আফটাবুদ্দিন আহমেদ, অনজুমা বেগম, লীনা ৰাজখোৱা, মেৰিজা বেগম আৰু গীতাঞ্জলি গগৈয়ে। বিদ্যালয়ৰ ফালৰ পৰা প্ৰধান শিক্ষক প্ৰণৱজ্যোতি ৰাজখোৱা আৰু সহকাৰী শিক্ষয়িত্ৰীসকলে সম্বৰ্ধনা জনোৱাৰ লগতে স্থানীয় ৰাইজেও সম্বৰ্ধনা জ্ঞাপন কৰে। চিআৰচিচি চন্দন কলিতাই ভাষণ প্ৰসংগত কয় যে শিক্ষকতাৰ দৰে মহান বৃত্তিত জড়িত হৈ কৰ্তব্য সুচাৰুৰূপে সম্পাদন কৰি সমাজৰ প্ৰতিজন ব্যক্তিৰ প্ৰিয়ভাজন হ'ব পৰাটো বিদায়ী প্ৰাৰ্থী হাছনা চুলতানা এক আদৰ্শ হৈ ৰ'ব।

## হাজোত বানপীড়িত লোকৰ কাষত থিয় দিলে কামৰূপ জিলা ছাত্ৰ সন্থা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৬ জুন ঃ** কামৰূপ জিলাৰ হাজোত, বানপানীয়ে কালৰূপ ধাৰণ কৰাত, হাজো ৰাজহ চক্ৰৰ কে'বাটাও অঞ্চল, দিহিনা, জাপিয়া, হৈনাদি, হোমৰগুৰী আদি অঞ্চলত এসপ্তাহ ধৰি আদি অঞ্চলত চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰায় গণ বিচ্ছিন্ন হৈ থকাত, অঞ্চলটোৰ জনসাধাৰণ ভোকে-পিয়াহে জীৱন কটাবলগীয়া হৈছে। ইতিমধ্যেই কে'বাজনো লোক মৃত্যুমুখত পৰিবলগীয়া হৈছে। এতিয়াও অঞ্চল কেইটাৰ, পৰিৱেশ জটিলতাৰ পথত থকা বাবে গাঁও কেইখনলৈ প্ৰশাসনে কোনো ধৰণৰ সাহায্য লৈ যাব নোৱাৰাত কালি কামৰূপ জিলা প্ৰশাসনৰ সম্পূৰ্ণ সহযোগত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসৰ নেতৃত্বত, আছুৰ এটা প্ৰতিনিধি দলে ভাৰতীয় সেনাৰ স'তে উপস্থিত হৈ বিস্কুট, মমবাতি, ফেনাইল, কচুৰা, শিশুৰ খাদ্যৰ লগতে চিকিৎসা প্ৰদান কৰি ঔষধ বিতৰণ কৰে। আছুৰ প্ৰতিনিধি দলটোত উপস্থিত হৈ সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে, কামৰূপ জিলাৰ উপায়ুক্তৰ লগতে আছুৰ স'তে উপস্থিত থকা ভাৰতীয় সেনা বাহিনীৰ দলটোক ধন্যবাদ জ্ঞাপন কৰি, অসম চৰকাৰৰ বানপানীৰ ক্ষেত্ৰত কোনো ধৰণৰ আগতীয়া পৰিকল্পনা নাছিল বুলি উল্লেখ কৰি, চৰকাৰৰ দায়িত্বহীনতা আৰু এচাম অকৃতজ্ঞ বিষয়াৰ দায়িত্বহীনতাৰ কাৰণে অসমৰ মানুহে বানপানীত জীয়াতু ভুগিবলগীয়া হৈছে। সদৌ অসম ছাত্ৰ সন্থা ৰাইজৰ সংগঠন, অসমীয়া ৰাইজৰ দুৰ্যোগৰ সময়ত ছাত্ৰ সন্থা সদায়েই ৰাইজৰ মাজত থাকিব বুলি উল্লেখ কৰি। অসম চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে বানপানীৰ সময়ত, বানপীড়িত লোকক অধিক গুৰুত্ব প্ৰদান নকৰি মহাৰাষ্ট্ৰ চৰকাৰৰ একাংশ বিধায়কক অসমলৈ আনি, বিলাসী হোটেলত আতিথ্য কৰি, কু- ৰাজনীতিৰ অভিসন্ধি ৰচনা কৰাটো অতিকৈ দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি, নিৰ্বাচনৰ সময়ত অসমলৈ আহি ডাঙৰ ডাঙৰ ভাষণৰ ফুলজাৰি মৰা বিজেপি চৰকাৰৰ নেতা মন্ত্ৰীসকল, এতিয়া অসমৰ দুৰ্যোগৰ সময়ত ক'ত আছে বুলিও উত্থাপন কৰি ডিঙিত অসমীয়া গামোচা লৈ অসমৰ জনসাধাৰণক ডাঙৰ ডাঙৰ আশ্বাস দিয়া ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে, অসমৰ বানপীড়িত লোকৰ বাবে বৃহৎ পেকেজ ঘোষণা কৰিব নোৱাৰাটো এক লজ্জাজনক কথা বুলি কয়। ছাত্ৰ নেতাজনে সাংবাদিকৰ প্ৰশ্নোত্তৰত স্পষ্টভাৱে কয় যে হাজোৰ অঞ্চলসমূহ কৃষি আৰু মীন পালনৰ জীৱিকাৰ অঞ্চল। বানপানীয়ে বৰ্তমানে হাজোৰ সকলো কৃষি পথাৰৰ লগতে মীন পালনৰ সকলো পুখুৰী বানপানীয়ে নিঃশেষ কৰাৰ পাছত, অঞ্চলটোৰ জনসাধাৰণ সৰ্বস্বান্ত হৈ পৰিছে। গতিকে সকলো ধৰণৰ ক্ষয়-ক্ষতিৰ কাৰণে, অসম চৰকাৰে ক্ষতিপূৰণৰ লগতে কৃষি লোণ আৰু মাটিৰ ৰাজহ বিনাচৰ্তে ৰেহাই দিবৰ কাৰনে দাবী উত্থাপন কৰে। আজিৰ এই কাৰ্যসূচীত উপস্থিত আছিল, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা ,আছু নেতা- নৱজ্যোতি দাস, তপন দাস, প্ৰাণজিত দেওৰীয়া, নিতু দাসৰ লগতে কে'বাজনো আছু কৰ্মী উপস্থিত থাকে।

## সমাজকৰ্মী, ধৰ্মপ্ৰাণ মূখেশ্বৰ শইকীয়াৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ২৬ জুন ঃ** দক্ষিণ যোৰহাটৰ কৰণ্ডা ৰাইদাং কমাৰ গাঁও নিৱাসী সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি মূখেশ্বৰ শইকীয়া (৮৬)ৰ কালি দিনৰ ভাগত মৃত্যু হয়। বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত শইকীয়াক যোৱা ২৩ জুনত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত ভৰ্তি কৰা হৈছিল। শইকীয়া অঞ্চলটোৰ লগতে জিলাখনৰ বিভিন্ন সামাজিক-সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ স'তে জড়িত থাকি সমাজৰ বিভিন্ন স্তৰত উন্নয়ন সাধিছিল। তেওঁৰ নেতৃত্বতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা কৰণ্ডা আঞ্চলিকৰ সভাপতিৰ দায়িত্ব পালন কৰাৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তিতাবৰ জিলাৰ অন্তৰ্গত উত্তৰ-পূব তিতাবৰ আঞ্চলিক শাখা প্ৰতিষ্ঠা কৰি লগতে সভাপতিৰ পদো অলংকৃত কৰিছিল। অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত থকা লোকজনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰাৰ পূৰ্বে গৃহতে অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰয়াত শইকীয়ালৈ শ্ৰদ্ধাঞ্জলি জনায়। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে তিনি কন্যা আৰু এজন পুত্ৰক এৰি যায়।

## আগিয়াত আৰক্ষীয়ে জব্দ কৰিলে চোৰাং বালিৰ ট্ৰাক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৬ জুন ঃ** গোৱালপাৰাৰ আগিয়াত কালি আৰক্ষীয়ে চালানবিহীনভাৱে বালি সৰবৰাহ কৰা এখন ট্ৰাক জব্দ কৰে। জিলাখনৰ কৃষ্ণাইৰ পৰা এ এছ-১২ বি-৮৪০৭ নম্বৰৰ বালিভৰ্তি ট্ৰাকখন গোৱালপাৰা চহৰ অভিমুখে আহি থকা অৱস্থাত চালান দেখুৱাব নোৱৰা বাবেই আৰক্ষীয়ে জব্দ কৰে। পাছত আৰক্ষীয়ে জব্দ কৰা চোৰাং বালিৰ ট্ৰাকখন গোৱালপাৰা আঞ্চলিক বন বিভাগক গতাই দিয়ে। উল্লেখ্য যে ১০টাকৈ বৈধ বালি মহল থকাৰ পাছতো জিলাখনৰ বিভিন্ন ঠাইত অসাধু চক্ৰই চোৰাংকৈ বালি সৰবৰাহ কৰি থকাটো এক পৰম্পৰাত পৰিণত হৈছে।

ইফালে একাংশ বৈধ মহলৰ পৰাও চালানবিহীনভাৱে বালি সৰবৰাহ কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ফলত এফালে, চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হোৱাৰ বিপৰীতে আনফালে, একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলি অভিযোগ উঠিছে। ইপিনে, আজি গোৱালপাৰা বন সুৰক্ষা বাহিনীয়ে উজিৰৰ চৰত অবৈধ কাঠফলা কলৰ বিৰুদ্ধে অভিযান চলায় যদিও কোনো কল নাপাই পানীত পৰি থকা সৰু সৰু আকাৰৰ ২৫টা চেগুনৰ টুকুৰা জব্দ কৰি লৈ আহে।

## ডিকেডি কলেজত 'অস্তিত্ববাদ' শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২৬ জুন ঃ** দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সমৃদ্ধিমূলক পদক্ষেপ হিচাপে 'অস্তিত্ববাদঃঈশ্বৰবাদী আৰু নিৰীশ্বৰবাদী ধাৰা 'শীৰ্ষক এক বক্তৃতানুষ্ঠান যোৱা ২৪ জুনত জীৱনাথ হাজৰিকা সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। দৰ্শন বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক নিৰঞ্জন হালৈৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দৰ্শন অধ্যয়ন কেন্দ্ৰৰ সহকাৰী অধ্যাপক ড° কীৰ্তিনাথ কলিতাই। দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক সুকান্ত ঘোষে আঁত ধৰা বক্তৃতানুষ্ঠানটোত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰূপা বড়া, অতিৰিক্ত উপাধ্যক্ষ ড° পৱিত্ৰ মহন্ত, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মূল্যায়ন নিৰূপণ কোষৰ আহ্বায়ক ড° ক্ষীৰেশ্বৰ লইং, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° চণ্ডীচৰণ গোস্বামী, অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সংগীতা হাজৰিকা, জ্যেষ্ঠ সহযোগী অধ্যাপক ড° পৰশমণি ঠাকুৰ, পাৰ্থজিৎ শইকীয়া, অধ্যাপক ৰূপক নেওগ, ড° ৰঞ্জন বৰঠাকুৰ, অধ্যাপিকা শুভ্ৰজ্যোতি শইকীয়াকে ধৰি কে'বাগৰাকী অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। বিষয়বস্তুৰ ওপৰত হোৱা আলোচনাত ড° নৱনীতা দেৱী, ড° ৰঞ্জন বৰঠাকুৰ, আবুল কালাম, লাবন্য বৰা, অমল দাস আদি কে'বাগৰাকী অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰা অনামিকা চাহু, সমীক্ষা দুৱৰা, ডিমাস্পী বৰা আদিয়ে অংশগ্ৰহণ কৰি অনুষ্ঠান সফল কৰি তোলে।

## বাগ্সাৰ শিমলাত কৃতী শিক্ষাৰ্থীক ৰাজহুৱা অভিনন্দন

**অগ্ৰদূত বাৰ্তা**



**জালাহ, ২৬ জুন ঃ** বাগ্সা জিলাৰ শিমলা মাজৰ চুবাৰ শ্ৰীশ্ৰীকলীয়া ঠাকুৰ গঞা ৰাইজে সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচনসহ প্ৰথম বিভাগত উত্তীৰ্ণ চাৰিগৰাকী কৃতী শিক্ষাৰ্থীক কালি আবেলি ৰাজহুৱাভাৱে শ্ৰীশ্ৰীকলীয়া ঠাকুৰ গোসাঁই ঘৰ প্ৰাংগণত অনুষ্ঠিত এখন সভাত অভিনন্দন জনায়। এই উপলক্ষে বয়োজ্যেষ্ঠ ব্যক্তি ধ্ৰুৱ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সমাজকৰ্মী অনিল ঠাকুৰীয়াই। সভাত শৈক্ষিক দিশৰ ওপৰত প্ৰেৰণাদায়ক ভাষণ আগবঢ়ায় বিজ্ঞান শিক্ষক, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, জালাহৰ সমন্বয়ক ভাস্কৰজ্যোতি চৌধুৰী আৰু অৱসৰপ্ৰাপ্ত শিক্ষক হৰিহৰ দাসে। সভাত গাঁওখনৰ কৃতী শিক্ষাৰ্থী অৰুণোদয় একাডেমীৰ ক্ৰমে বিশাল দাসে গণিতত ১০০ শতাংশসহ পাঁচটা বিষয়ত লেটাৰ নম্বৰ (৮৮.১৬ শতাংশ), গৰিমা দাসে পাঁচটা বিষয়ত লেটাৰসহ (৮৭.৩৩ শতাংশ) আৰু মমী দাস পাঁচটা বিষয়ত লেটাৰসহ (৮৫.৬৭ শতাংশ) লাভ কৰি ডিষ্টিংচনসহ প্ৰথম বিভাগত আৰু পাঠশালা শিক্ষাপীঠৰ গৌৰৱ দাসে গণিত আৰু উচ্চ গণিতত এশ শতাংশ নম্বৰসহ আটাইকেইটা বিষয়তে লেটাৰ লাভ কৰি ৯৫.৩৩ শতাংশ নম্বৰেৰে ডিষ্টিংচনসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এই কৃতী শিক্ষাৰ্থী চাৰিগৰাকীক প্ৰত্যেককে অভিনন্দন পত্ৰ, কিতাপৰ টোপোলা, ফুলাম গামোচাৰে ৰাইজে অভিনন্দন জনায়। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক সহদেৱ ঠাকুৰীয়া, অবিনাশ দাস প্ৰমুখ্যে গাঁওখনৰ মুখীয়াল ব্যক্তিসকল, মহিলা আইসকল আৰু গঞা ৰাইজ উপস্থিত থাকে।

## ডিফুত ১১ কোটি টকা মূল্যৰ ড্ৰাগ্ছসহ নিচাজাতীয় দ্ৰব্য দাহ

**অগ্ৰদূত বাৰ্তা**



**ডংকামোকাম, ২৬ জুন ঃ** কাৰ্বি আংলং জিলাৰ ডিফুত কালি দিনৰ ভাগত জিলা প্ৰশাসন আৰু আৰক্ষীয়ে যৌথভাৱে প্ৰায় ১১ কোটি টকা মূল্যৰ ড্ৰাগ্ছসহ নিচাজাতীয় দ্ৰব্য দাহ কৰে।

ইপিনে, আন্তঃৰাষ্ট্ৰীয় ড্ৰাগ্ছ এব্যুজ দিৱসৰ প্ৰাককক্ষণত আজি ডিফুৰ পাঁচ মাইলস্থিত ক্ৰিকেট খেলপথাৰৰ কাষত কাৰ্বি আংলঙৰ ডিফু আৰু মনজা আৰক্ষী থানাৰ অধীনত বিগত এবছৰৰ ভিতৰত জব্দ কৰা বিভিন্ন ধৰণৰ ড্ৰাগ্ছসহ নিচাজাতীয় দ্ৰব্যসমূহ ৰাজহুৱাভাৱে দাহ কৰি বিনষ্ট কৰা হয়। জিলা প্ৰশাসন আৰু আৰক্ষীৰ যৌথ সহযোগত আজি দাহ কৰা ড্ৰাগ্ছ আৰু নিচাজাতীয় দ্ৰব্যৰ ভিতৰত আছে ন কিলোগ্ৰাম হেৰ'ইন, গাঞ্জা ১৫৬.২ কিলোগ্ৰাম, অপিয়াম প'ড ২৮১৩.৭ কিলোগ্ৰাম, কাহৰ ছিৰাপ ৯৬ বটল আৰু নিচাযুক্ত টেবলেট ৭৫৮৩টা। এই ড্ৰাগ্ছসহ নিচাজাতীয় দ্ৰব্যসমূহ জিলা ড্ৰাগ্ছ বিৰোধী কমিটীৰ উদ্যোগত দাহ কৰে।

## কৃত্ৰিম বানত বিধ্বস্ত ঘগ্ৰাপাৰৰ বাট-পথ

### ■ নাৰিকুছি-বৰখলা সংযোগী পথত যাতায়াত-যোগাযোগ বন্ধ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৬ জুন ঃ** একেবাৰে কে'বাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানত বিধ্বস্তপ্ৰায় হৈ পৰিছে বৃহত্তৰ ঘগ্ৰাপাৰকে ধৰি বালিতাৰা, চটাইবাৰী, আল্লিয়া, খাতিকুছি, বৰাজোল, দেহাৰকুছি আদি গাঁও পঞ্চায়তৰ বাট-পথসমূহ কৃত্ৰিম বানত বুৰ যোৱাৰ পাছত সম্প্ৰতি পানী শুকাবলৈ লৈছে যদিও বাট-পথসমূহত সৃষ্টি হোৱা প্ৰকাণ্ড গাঁত আৰু ঠায়ে ঠায়ে পথৰ ওপৰত থকা কালভাৰ্ট ছিঙি নিয়াৰ উপৰি একাংশ পথ বাঢ়নী পানীয়ে ভাঙি-ছিঙি পেলোৱাত যাতায়াত কৰাত অসুবিধাৰ সৃষ্টি হৈছে। অঞ্চলটোৰ জৰুৰীকালীন ৰোগী আৰু গৰ্ভৱতী



মহিলাক চিকিৎসালয়লৈ নিবলগীয়া হ'লে কৃত্ৰিম বানত বিধ্বস্ত পথসমূহৰে এম্বুলেন্স তথা ১০৮ সোমাবলৈ নোৱৰা অৱস্থা হৈছে। ইয়াক লৈ স্থানীয় গঞা-ৰাইজ দুশ্চিন্তাত ভুগিছে। উল্লেখ্য যে ঘগ্ৰাপাৰ-তামুলপুৰ পথৰ ভদাৰত এটা কালভাৰ্ট বানে উটুৱাই নিয়াত সম্প্ৰতি যাতায়াত বন্ধ হৈ থকাৰ উপৰি ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ নাৰিকুছি (বিলপাৰ)ৰ পৰা বৰখলা সংযোগী পথছোৱা চিলিং দুই নম্বৰ নিমুৱা লাটিমাত এটা কালভাৰ্ট বানে ভাঙি পেলোৱাত যাতায়াত সম্পূৰ্ণ বন্ধ হৈ আছে। ইফালে, ঘগ্ৰাপাৰ পঞ্চায়তৰ মিলনপুৰৰ পৰা সঠামৌ সংযোগী পথৰ একাংশ ভাঙি-ছিঙি যোৱাৰ লগতে একেখন পঞ্চায়তৰ নিজখগটা আৰু বুৰবুৰী মূল পথ দুটা ঠায়ে ঠায়ে বাঢ়নী পানীয়ে ছিঙি পেলোৱাত সম্প্ৰতি যাতায়াত বিধ্বস্ত হৈ পৰিছে যদিও লোকনিৰ্মাণ বিভাগৰ বৰমূৰীয়াসকলে এইসমূহ পথ পুনৰ নিৰ্মাণৰ বাবে এতিয়ালৈ কোনো ব্যৱস্থা হাতত লোৱা নাই বুলি বিভিন্ন মহলত চৰ্চিত হৈছে।

## নাজিৰা আঞ্চলিক যুৱ সমাজৰ উদ্যোগত খোলৰ প্ৰশিক্ষণ কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**নামতি, ২৬ জুন ঃ** নাজিৰা আঞ্চলিক যুৱ সমাজৰ উদ্যোগত আৰু শ্ৰীশ্ৰী বুদবাৰী সত্ৰবাসী ৰাইজৰ সহযোগত বুদবাৰী সত্ৰৰ নামঘৰত অহা সাতৰ পৰা ১১ জুলাইলৈকে খোলৰ প্ৰশিক্ষণ (বৰপেটা শৈলী) কৰ্মশালা আয়োজন কৰিছে। প্ৰথমদিনা পুৱা ন বজাত আৰম্ভ হ'বলগীয়া কৰ্মশালাত মনোজ কুমাৰ দাসে প্ৰশিক্ষক হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰিব। ইচ্ছুক ব্যক্তিসকলক ৭০০২৮৮৬১৫৪, ৯১০১৯৩১৫২২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে আয়োজক সমিতিয়ে।

# কামজান এলেঙীত বিধ্বংসী খহনীয়া

## ■ বহু পৰিয়ালে হেৰুৱাইছে পৈতৃক ভেটি



অগ্রদূত বাৰ্তা

**কমলাবাৰী, ২৬ জুন ঃ** মাজুলী জিলাৰ বানবিধ্বস্ত শালমৰাত চলি আছে ব্যাপক খহনীয়া। খহনীয়াত জাহ যোৱাৰ দিশে শালমৰাৰ অন্তিমখন সত্ৰ পুনিয়া বৰসত্ৰসহ আঠটাকৈ পৰিয়াল। শালমৰাবাসী খহনীয়া কৱলত পৰা লোকসকলে খহনীয়া প্ৰতিৰোধত ব্যৰ্থ মন্ত্ৰী পীযুষ হাজৰিকাক সাংবাদিকৰ কেমেৰাৰ সন্মুখত ভৰ্ৎসনা কৰে। তেওঁলোকৰ ক্ষোভ খহনীয়া সম্পৰ্কে অভিযোগ দিবৰ বাবে মন্ত্ৰীজনে মুকলি কৰা হোৱাটছ এপ নম্বৰ নাচাই মন্ত্ৰীজনে। তেওঁলোকৰ এতিয়া প্ৰশ্ন, শালমৰাবাসীৰ চকুলো কোনে মচিব। খহনীয়াত জাহ গৈছে ইখনৰ পাছত সিখন ঘৰ। বানৰ পৰিমাণ হ্ৰাস পোৱাৰ লগে লগে ভয়াবহ হৈ পৰিছে খহনীয়া। জাহ গৈছে সপোনৰ ঘৰখন। খৰালি দিনকেইটাত খহনীয়া প্ৰতিৰোধৰ আঁচনি নকৰিলে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে। ব'ৰ্ডৰ কোনো বিষয়া-অভিযন্তাৰ দেখা-দেখি নাই খহনীয়াগ্ৰস্ত অঞ্চলত। আনহাতে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই এটা হোৱাটছএপ নম্বৰ মুকলি কৰিছিল অভিযোগৰ বাবে। সেয়া ভেঁকোভাওনা দেখা গ'ল মাজুলীৰ খহনীয়াত সৰ্বস্বান্তই মেছেজ পঠিয়াই কোনো উত্তৰ নাপালে। ক্ষোভত ফাটি পৰিছে খহনীয়াগ্ৰস্ত। বৰ্তমান ঘৰ-ভেটি উছন হৈছে, কলিমন কলিতা, সুৰেন হাজৰিকা, তোলন দাস, ৰঞ্জন গোস্বামী, তুলাৰাম কলিতা, পোৱাল দাস, খগেশ্বৰ দাস, বিদ্যুৎ দাস, টিলিমী কলিতা, ৰমেশ হাজৰিকাই পুনৰ সংস্থাপনৰ বাবে দিক্‌দিবিক হেৰুৱাই পেলাইছে। এইকেইটা পৰিয়ালৰ দৰে আৰু বহু পৰিয়ালে দিকবিদিক হেৰুৱাইছে পুনৰ সংস্থাপনৰ চিন্তাত। কিয়নো এনেদৰেই যদি খহনীয়া চলি থাকে তেতিয়া নিশ্চিতভাৱে এইসমূহ পৰিয়াল নিঠৰুৱা হ'ব। ইফালে কালি সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ এটি প্ৰতিনিধি দলে উজনী মাজুলীৰ অন্যতম বান আৰু খহনীয়া বিধ্বস্ত অঞ্চল বৃহত্তৰ শালমৰা আৰু কামজান এলেঙী পৰিদৰ্শন কৰে। বছৰ বছৰ ধৰি বান-খহনীয়াত সৰ্বস্বান্ত হোৱা এই অঞ্চলত আজিৰ ছবি অতি দুখজনক, মৰ্মান্তিক আৰু হৃদয় বিদাৰক। বিশেষকৈ খহনীয়াত পতিত হৈ এই বছৰ ইতিমধ্যে আঠটা পৰিয়াল পৈতৃক ভেটি হেৰুৱাই স্থানান্তৰিত হোৱাৰ লগতে প্ৰায় ৪০টা পৰিয়ালে সপোনৰ ঘৰখন ভাঙি স্থানান্তৰিত হ'বলৈ অগ্ৰসৰ হৈছে। তাৎক্ষণিকভাৱে জিলা প্ৰশাসন আৰু অসম চৰকাৰে এই ভূমিহীন পৰিয়ালসমূহক মাটি দি তেওঁলোকক সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে মাজুলী জিলা ছাত্ৰ সন্থাই। লগতে এই বান বিধ্বস্ত অঞ্চলসমূহত শীঘ্ৰে খাদ্য সামগ্ৰী, বিশুদ্ধ খোৱাপানী, শিশু খাদ্য আৰু পশুধনৰ খাদ্য তাৎক্ষণিকভাৱে যোগান ধৰিবলৈ দাবী জনাইছে সংগঠনটোৱে। সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক সূৰ্য কুমাৰ ভূঞা, ৰাজ্যিক কাৰ্যনিৰ্বাহক পৱিত্ৰ গোস্বামী, জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা, সাধাৰণ সম্পাদক বিতোপন শৰ্মাৰ নেতৃত্বত যোৱা দলটোত আছে সহকাৰী সাধাৰণ সম্পাদক কাকুমণি কলিতা, দিগন্ত বৰুৱা, বিত্ত সম্পাদক মণ্টু গায়ন, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল শইকীয়া, ক্ৰীড়া সম্পাদক পংকজ বৰুৱা, যদুমণি হাজৰিকা, পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ভাস্কৰ শইকীয়া আৰু প্ৰান্ত চাহু। আছুৰ দাবী শীঘ্ৰে বান-খহনীয়াত পতিত লোকৰ বাবে দীৰ্ঘম্যাদী আঁচনি প্ৰস্তুত কৰি এই লোকসকলক সকাহ দিব লাগে। লগতে খহনীয়াক লৈ ল'ৰা-ধেমালি খেলি থকা ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু টি কে নামৰ কোম্পানীৰ ওপৰত উচ্চ পৰ্যায়ৰ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। লগতে খহনীয়া প্ৰতিৰোধত ব্যৰ্থ হোৱা ব্ৰহ্মপুত্ৰ ব'ৰ্ডক মাজুলীৰ পৰা বিদায় দিবলৈ দাবী জনাইছে আছুৱে। উল্লেখ্য যে এই বৰ্ষৰ খহনীয়াই শালমৰা অঞ্চললৈ অন্তিম ভাবুকি মাতি অনাৰ লগতে সমীপৰ্তী অঞ্চলসমূহলৈ ভাবুকি মাতি আনিছে। ১৯৭৪ৰ পৰা শালমাৰা অঞ্চলত হোৱা খহনীয়াই মৌজাখনৰ বৃহৎ অঞ্চল নিঃশেষ কৰিলে যদিও খহনীয়াৰ নামত কোটি কোটি টকা খৰচ কৰিলেও এই পৰ্যন্ত এচপৰাও মাজুলীৰ ভূমি ৰক্ষা কৰিব নোৱাৰা মাজুলীবাসীৰ বাবে যুগৰ অভিশাপ স্বৰূপ।

## দৰং মহাবিদ্যালয়ৰ ছাত্ৰী জটিল ৰোগত আক্ৰান্ত ঃ সাহায্যৰ আহ্বান

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৬ জুন ঃ** তেজপুৰৰ অগ্ৰণী শিক্ষানুষ্ঠান দৰং মহাবিদ্যালয়ত অৰ্থনীতি বিজ্ঞান বিভাগৰ দ্বিতীয় যাণ্মাসিকত অধ্যয়নৰত ছাত্ৰী চিমি গোস্বামী জটিল ৰোগত আক্ৰান্ত। ছাত্ৰীগৰাকীক সম্প্ৰতি ব্যয়বহুল চিকিৎসা প্ৰদান কৰিবলগীয়া হোৱাত সুহৃদসকলৰ সঁহাৰিৰ প্ৰয়োজন হৈছে। উল্লেখ্য যে, কলিয়াবৰৰ মূল নিবাসী ছাত্ৰীগৰাকী পৰীক্ষাৰ মাজতে যোৱা ১২ জুনত হঠাৎ অসুস্থ হৈ পৰে আৰু তেওঁক খানাপাৰাস্থিত হেল্‌থ কেয়াৰ চিটি হাস্পতালত ভৰ্তি কৰিব লগা হয়। ব্যক্তিগত খণ্ডৰ চিকিৎসালয়খনত ছাত্ৰীগৰাকী ব্ৰেইন হেম'ৰে'জত আক্ৰান্ত বুলি ধৰা পৰাৰ পাছত ততাতৈয়াকৈ অস্ত্ৰোপচাৰো কৰিবলগীয়া হয়। ছাত্ৰীগৰাকীক সম্প্ৰতি ভেন্টিলেছনত ৰখা হৈছে যদিও তেওঁ সংকটমুক্ত হৈ উঠা নাই। আনহাতে, চিকিৎসাৰ বৰ্ধিত খৰচ বহন কৰাটো এতিয়া প্ৰায় অসম্ভৱ হৈ পৰিছে বুলি ছাত্ৰীগৰাকীৰ পৰিয়ালটোৱে জানিবলৈ দিছে। যোৱা ১৩ জুনৰ পৰা চিকিৎসাধীন ছাত্ৰীগৰাকীৰ জীৱন ৰক্ষাৰ্থে এতিয়া সুহৃদসকলে সহায়ৰ হাত আগবঢ়োৱাৰ আশা কৰিছে পৰিয়ালবৰ্গই। সুহৃদসকলৰ সহায়ে এই ছাত্ৰীগৰাকীৰ জীৱন ৰক্ষা কৰাত অলপ হ'লেও যে সহায় কৰিব সেয়া নিশ্চিত। এনে পৰিপ্ৰেক্ষিতত অসুস্থ ছাত্ৰীগৰাকীক আৰ্থিক সহযোগিতা প্ৰদানৰ উদ্দেশ্যে পুঁজি সংগ্ৰহ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। দৰং মহাবিদ্যালয় গোট ছাত্ৰ সন্থাই প্ৰত্যেকগৰাকী হৃদয়ৱান দৰঙীয়ান তথা ৰাইজক ছাত্ৰী চিমি গোস্বামীৰ চিকিৎসাৰ বাবে গ্ৰহণ কৰা এই প্ৰচেষ্টাৰ সহযোগী হ'বলৈ আহ্বান জনাইছে। ছাত্ৰীগৰাকীক আৰ্থিক সাহায্য প্ৰদানৰ বাবে তেজপুৰৰ লগতে বিভিন্ন প্ৰান্তৰ ইচ্ছুক সুহৃদসকলৰ জ্ঞাতাৰ্থে পৰিয়ালবৰ্গৰ তৰফৰ পৰা সদৰী কৰা বেংক একাউন্ট আৰু যোগাযোগ নম্বৰ হ'ল, একাউন্ট নম্বৰ ৫০১৪৭২৪৪০৯৬ আই এফ এছ চি আই ডি আই বি ০০০ এন ৫০৯ ইণ্ডিয়ান বেংক, একাউন্টৰ গৰাকী, পংকজ মহন্ত, ফোন নম্বৰ ৮৪৮৬৩১২৮৫৪। ৰাইজৰ সঁহাৰি চিমি পৰিয়ালৰ বাবে বিশেষ সহায়ক হ'ব বুলি পৰিয়ালটোৱে প্ৰকাশ কৰিছে।

## যোৰহাটত হিতাধিকাৰী কৃষকক প্ৰয়োজনীয় নথি পত্ৰ জমা দিবলৈ আহ্বান

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৬ জুন ঃ** দেশৰ কৃষকসকলক আৰ্থিকভাৱে সমৰ্থন আগবঢ়াই কৃষি কাৰ্যৰ প্ৰতি উৎসাহিত কৰিবলৈ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি চমুকৈ পি এম কিষাণ নামৰ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিখন দেশৰ আন আন জিলাৰ লগতে যোৰহাট জিলা কৃষি বিভাগৰ অধীনতো ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনিখনৰ জৰিয়তে প্ৰতিটো যোগ্য কৃষক পৰিয়াললৈ বছৰি তিনিটা কিস্তিৰ জৰিয়তে প্ৰতিটো কিস্তিত দুই হেজাৰ টকাকৈ মুঠ ছয় হেজাৰ টকা আগবঢ়োৱা হয়। প্ৰত্যক্ষ হস্তান্তৰ প্ৰক্ৰিয়াৰ জৰিয়তে হিতাধিকাৰী কৃষকৰ বেংক একাউন্টত এই ধন জমা দি অহা হৈছে। পি এম কিষাণ সন্মান নিধিৰ অধীনত যোৰহাট জিলাত বৰ্তমানলৈকে ৬৬,৬১৭ জন হিতাধিকাৰীয়ে কমেও এটাকৈ কিস্তি লাভ কৰিবলৈ সক্ষম হৈছিল। শেহতীয়া পৰীক্ষণ অনুযায়ী ৩৫,৭৮৭ জন কৃষক যোগ্য হিতাধিকাৰীৰূপে চিনাক্ত হৈছে। ইয়াৰে ৩৪,৬৪৫ জন হিতাধিকাৰীক আধাৰৰ লগত সংযুক্ত কৰা হৈছে। ইতিমধ্যে জিলাখনৰ ১৭,০৭৩ জন হিতাধিকাৰীক কেন্দ্ৰীয় চৰকাৰে যোগ্য হিতাধিকাৰীৰূপে অনুমোদন দিছে। শেহতীয়াকৈ পঞ্জীয়নৰ ক্ষেত্ৰত হিতাধিকাৰীৰ বেংক একাউন্টৰ লগত আধাৰ নম্বৰ আৰু ই-কেৱাইচি সংযুক্তকৰণ বাধ্যতামূলক কৰা হৈছে। আধাৰ সংযুক্তকৰণৰ বাবে এতিয়াৰে পৰা সমূহীয়া সেৱা কেন্দ্ৰসমূহত যোগ্য হিতাধিকাৰীয়ে নিজৰ কৃষিযোগ্য ভূমিৰ মালিকীস্বত্বৰ নথিপত্ৰ (যেনে শেহতীয়া খাজনা দিয়া ৰচিদ, জমাবন্দী), আধাৰ সংযুক্ত বেংক পাছবুক আৰু আধাৰ কাৰ্ড লৈ পঞ্জীয়নৰ বাবে আবেদন কৰিব পাৰিব। আধাৰ সংযুক্তকৰণৰ পাছত যোগ্য হিতাধিকাৰী কৃষকে ওচৰৰ সমূহীয়া সেৱা কেন্দ্ৰত বায়মেট্ৰিক অথবা অ'টিপি পদ্ধতিৰে নিজৰ ই-কেৱাইচি কৰাব লাগিব। আধাৰ সংযুক্ত আৰু সফল ই-কেৱাইচি কৰা কৃষকেহে এক আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ আঁচনিৰ সুবিধা লাভ কৰিব পাৰিব। সেয়েহে যোৰহাট জিলাৰ যিসকল কৃষকে এটা হ'লেও পিএমকিষাণ সন্মান নিধিৰ কিস্তিৰ ধন পাবলৈ সক্ষম হৈছিল, তেওঁলোকক অহা ২৭ জুনৰ পৰা কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ সহায়ক আৰু গাঁও পঞ্চায়তৰ সভাপতিৰ ওচৰত প্ৰয়োজনীয় নথি-পত্ৰ জমা দিবলৈ যোৰহাট জিলাৰ জিলা কৃষি বিষয়া বেণী মাধৱ বৰুৱা আৰু মহকুমা কৃষি বিষয়া ড° নিতুমণি গগৈয়ে অনুৰোধ জনাইছে। কাকতলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিৰ জৰিয়তে এই তথ্য সদৰী কৰিছে কৃষি বিভাগৰ যোৰহাট জিলাৰ মেডিয়া বিশেষজ্ঞ আভা ভৰালীয়ে।

## খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত গ্ৰীষ্মকালীন নৃত্য কৰ্মশালা আয়োজন

অগ্রদূত বাৰ্তা

**নামতি, ২৬ জুন ঃ** নামতিৰ কলামঞ্জৰী সংগীত মহাবিদ্যালয়ৰ উদ্যোগত অহা দুই জুলাইৰ পৰা এক ১০ দিনীয়া গ্ৰীষ্মকালীন নৃত্য কৰ্মশালা আয়োজন কৰা হৈছে। খেজুৰিতল জ্ঞানজ্যোতি বিদ্যাপীঠৰ প্ৰাংগণত আয়োজন কৰা হিপ-হপ, ব্ৰেক আৰু আধুনিক নৃত্যৰ কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে বিমল ডান্স একাডেমীৰ অধ্যক্ষ তথা কৰিঅ'গ্ৰাফাৰ বিমল আৰন্ধৰা আৰু ভাৰত নাট্যম বিশাৰদ ডিম্পী চেতিয়াই প্ৰশিক্ষণ প্ৰদান কৰিব। কৰ্মশালাত অংশগ্ৰহণৰ বাবে ৯৫৭৭১১০৩৯৩, ৯১০১০২২৫২৬ নম্বৰত অথবা জ্ঞানজ্যোতি বিদ্যাপীঠত যোগাযোগ কৰিব পাৰিব।


## হাজো ৰাজহ চক্ৰ বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱাৰ দাবীত মুখ্যমন্ত্ৰীলৈ আছুৰ স্মাৰকপত্ৰ



অগ্রদূত বাৰ্তা

**হাজো, ২৬ জুন ঃ** ৰাজ্যখনৰ সমান্তৰালভাৱে কামৰূপ জিলাৰ সমগ্ৰ হাজো বিধানসভা সমষ্টিত বৰলীয়া, পুঠিমাৰী, পাগলদিয়া, ক'লাজল আৰু ব্ৰহ্মপুত্ৰৰ প্ৰলয়ংকৰী বানপানীয়ে কালৰূপ ধাৰণ কৰাত জনসাধাৰণৰ আলাই-আথানি নোহোৱা হৈছে। হাজোৰ এই বানপানীৰ জটিল পৰিস্থিতিত হাজো ৰাজহ চক্ৰ বিষয়াজনে যি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল, তেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। চক্ৰ বিষয়াজনৰ দায়িত্বহীন কাণ্ড আৰু অদূৰদৰ্শিতাৰ কাৰণে হাজোৰ বহুত লোক বানপানীৰ মাজৰ পৰা উদ্ধাৰ কৰিব নোৱাৰাত বানপীড়িত লোকসকলে পানীৰ মাজতে অনাহাৰে দিন কটাবলগীয়া হৈছে। শেহতীয়াভাৱে কিছুমান ঠাইত বানপানী ক্ৰমাৎ হ্ৰাস পোৱাৰ পাছত হাজো ৰাজহ চক্ৰ বিষয়াজনে চৰকাৰী সাহায্য ৰাইজৰ মাজত ভালদৰে বিতৰণ কৰি দিবলৈ সক্ষম হোৱা নাই। তদুপৰি বহুতো ঠাইত এতিয়ালৈ কিঞ্চিত পৰিমাণৰ চৰকাৰী সাহায্যও গৈ নোপোৱাত বানপীড়িত ৰাইজৰ মাজত প্ৰতিবাদৰ জোৱাৰ আৰম্ভ হৈছে। যাৰ ফলত ৰাইজৰ মাজত অসম চৰকাৰ আৰু কামৰূপ জিলা প্ৰশাসনৰ বিৰুদ্ধে ক্ষোভৰ বহিঃপ্ৰকাশ হোৱা দেখিবলৈ পোৱা গৈছে। হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ঠাই সমূহৰ জনসাধাৰণ বিষয়াজনৰ দায়িত্বহীন কাণ্ডৰ কাৰণে বিপদৰ মুখত পৰিছে। গতিকে হাজোৰ ৰাইজক ভয়াবহ বানৰ সময়ত জটিল পৰিস্থিতিলৈ ঠেলি দিয়া এনে এজন অদক্ষ, অদূৰদৰ্শী ৰাজহ চক্ৰ বিষয়া জাহ্নবী সোণোৱালৰ ওপৰত অনতি পলমে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰি হাজো আঞ্চলিক ছাত্ৰ সন্থাই কালি কামৰূপ জিলাৰ উপায়ুক্তজনৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইয়াৰ পাছতো চক্ৰ বিষয়াজনৰ বিৰুদ্ধে কোনো বিহিত ব্যৱস্থা নল'লে অনাগত সময়ত হাজো আঞ্চলিক ছাত্ৰ সন্থাই বৰ্তমানৰ হাজো ৰাজহ চক্ৰ বিষয়াজনৰ লগতে অসম চৰকাৰ আৰু কামৰূপ জিলা প্ৰশাসনৰ বিৰুদ্ধে ৰাইজৰ সহযোগত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য থাকিব বুলিও ভাবুকি দিয়ে।

## বিকিদেৱী গট্টানী উচ্চ মাধ্যমিক বিদ্যালয়ত অধিবিদ্যা পৰিষদৰ অধিবেশন সম্পন্ন



**তিতাবৰ, ২৬ জুন ঃ** যোৰহাট জিলা অধিবিদ্যা পৰিষদৰ ঊনবিংশতিতম দ্বিবাৰ্ষিক অধিবেশন যোৱা ২৫ জুনত এদিনীয়া কাৰ্যসূচীৰে তিতাবৰৰ বিকিদেৱী গট্টানী উচ্চ মাধ্যমিক বিদ্যালয়ত সুকলমে অনুষ্ঠিত হয়। পুৱা পৰিৱেশ নিকাকৰণৰে আৰম্ভ হোৱা অধিবেশনৰ দিনজোৱা কাৰ্যসূচীত পতাকা উত্তোলন কৰে পৰিষদৰ সভাপতি তথা যোৰহাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° শুভালক্ষ্মী ৰাজকুমাৰীয়ে। স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে স্থানীয় সমাজসেৱক ৰত্নেশ্বৰ বৰাই। গছপুলি ৰোপণ কাৰ্যসূচীৰ আনুষ্ঠানিক আৰম্ভ কৰে বিকিদেৱী গট্টানী বিদ্যালয়ৰ দাতা পৰিয়ালৰ সদস্য নাৰায়ণ গট্টানীয়ে। সভা উদ্বোধন কৰে বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিজয় মোহন সন্দিকৈয়ে। প্ৰতিনিধি সভাত অধিবিদ্যা পৰিষদৰ পুৰণি সমিতিখন ভংগ কৰি ২৫ জনীয়া এখন নতুন সমিতি গঠন কৰে। যোৰহাট সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° শুভালক্ষ্মী ৰাজকুমাৰীক সভাপতি, টীয়ক ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰাজকুমাৰ শইকীয়াক কাৰ্যকৰী সভাপতি আৰু আদৰ্শ ট্ৰাইবেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰাজীৱ কুমাৰ বৰুৱাক সম্পাদকৰূপে নতুন সমিতিৰ দায়িত্ব অৰ্পণ কৰে। গড়াজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নিৰলা ৰাজবংশী, এলেংমৰা সোণাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক খগেন হাজৰিকা, টীয়ক ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হেমন্ত ভূঞাক উপ-সভাপতি আৰু গৰুমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱজিত পাত্ৰ আৰু ৰেলৰে উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰথীন্দ্ৰ দে'ক নৱনিৰ্বাচিত সমিতিখনৰ সহকাৰী সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে। বিয়লি দুই বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাৰ আঁত ধৰে বাঢ়ৈবাৰী কুকুৰাচোৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ঋতুপৰ্ণ হাজৰিকাই। আদৰণি ভাষণ প্ৰদান কৰে বিকিদেৱী গট্টানী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পল্লৱ কুমাৰ গগৈয়ে। ৰাজ্যিক অধিবিদ্যা পৰিষদৰ উপদেষ্টা নাচিৰ চুলতানে নিৰ্দিষ্ট বক্তাৰ ভাষণত নতুন শিক্ষানীতি প্ৰৱৰ্তন হোৱাৰ লগে লগে ৰাজ্যৰ শিক্ষা ব্যৱস্থাসমূহলৈ আহিবলগীয়া নতুন প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোকপাত কৰি শিক্ষকসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে অৱগত কৰে। বহু শিক্ষকে শ্ৰেণীকোঠাত পাঠদান কৰাৰ নামত ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰাত চৰম ব্যৰ্থতা প্ৰদৰ্শন কৰে মুকলিকৈ সমালোচনা কৰে। একেদৰে ছেবাইও ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ বহী পুনৰীক্ষণৰ নামত এখন বজাৰহে মুকলি কৰে বুলি সমালোচনা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ কোনো উপকাৰ সাধন নহয় বুলি দ্বিধাহীভাৱে প্ৰকাশ কৰে। অধিবেশনৰ মুকলি সভাত বিকিদেৱী গট্টানী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি অতিথিসকলক মনোৰঞ্জন দিয়ে।

## বৰপেটাৰ চৰত বানপীড়িত অঞ্চলত ভ্ৰাম্যমাণ চিকিৎসাকৰ্মীৰ বিনামূলীয়া চিকিৎসা প্ৰদান

**আলোপতি, ২৬ জুন ঃ** সমগ্ৰ ৰাজ্যৰ লগতে বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ চৰাঞ্চলতো বান পৰিস্থিতি কিছু উন্নত হ'লেও এতিয়াও বিভিন্ন ঠাইত বানাক্ৰান্ত ৰাইজে নানা দুখ-দুৰ্গতি আৰু সমস্যাৰ মাজত ককবকাই থাকিবলগীয়া হৈছে। ভয়াৱহ বানৰ কবলত পৰি বন্যাৰ্তসকলে অত্যাৱশ্যকীয় সামগ্ৰী, পশু, খাদ্য, বিশুদ্ধ খোৱাপানী, শিশু খাদ্যকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱত এক জটিল পৰিস্থিতিৰ মাজেৰে জীৱন যাপন কৰিব লগা হৈছে। ইফালে, একাংশ বানাক্ৰান্ত অঞ্চলত বিভিন্ন বেমাৰ-আজাৰৰ প্ৰাদুৰ্ভাৱ ঘটিব ধৰিছে। এনে পৰিস্থিতিত জিলা স্বাস্থ্য বিভাগৰ অধীনস্থ আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ খাইৰুল ইছলামৰ নেতৃত্বত নাৰ্ছ, লেবৰেটৰী টেকনিচিয়ান, আশা ছুপাৰভাইজৰ, এমপিডব্লিউ, আশাকৰ্মীসহ প্ৰায় ১২-১৩জনীয়া এটি ভ্ৰাম্যমাণ চিকিৎসাকৰ্মীৰ সঁজাতী দলে কালি স্বাস্থ্য কেন্দ্ৰৰ পূব মাজৰচৰত ঘৰে ঘৰে গৈ গৰ্ভৱতী মহিলা, শিশু, বৃদ্ধ-বৃদ্ধা আদি ৰোগীক বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে ঔষধ বিতৰণ কৰে।

## বঙাইগাঁও জিলা বিজেপিৰ কাৰ্যালয়ত ক'লা দিৱস পালন



অগ্রদূত ব্যুৰ'

**বঙাইগাঁও, ২৬ জুন ঃ** বিজেপিৰ বঙাইগাঁও জিলা সমিতিৰ কাৰ্যালয়ত আজি দলৰ নেতা-কৰ্মীসকলে ক'লা দিৱস পালন কৰে। এই সন্দৰ্ভত ক'লা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি বঙাইগাঁও জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰীয়ে কয় যে বিগত ১৯৭৫ৰ ২৫ জুনৰ মাজনিশা তদানীন্তন কংগ্ৰেছৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে স্বেচ্ছাচাৰী মনোভাবেৰে ভাৰতবৰ্ষত জৰুৰীকালীন অৱস্থা ঘোষণা কৰি দেশৰ জনতাৰ মৌলিক অধিকাৰ খৰ্ব কৰাৰ লগতে সেই সময়ত সংবাদ মাধ্যমৰ ওপৰতো আঘাত হানি গণতন্ত্ৰক হত্যা কৰিছিল। যি স্বাধীন ভাৰতবৰ্ষৰ ইতিহাসত এক কংলকিত অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ব। তেওঁ কংগ্ৰেছৰ হঠকাৰী কাৰ্যৰ সমালোচনা কৰে। অনুষ্ঠানত উপস্থিত থাকে বিজেপিৰ প্ৰাক্তন জিলা সভাপতি তথা ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সুকেন ৰায়, প্ৰাক্তন জিলা সভাপতি গোপেশ্বৰ তালুকদাৰ, বিজেপিৰ জ্যেষ্ঠ নেতা বিপুলানন্দ শৰ্মা, জিলা বিজেপিৰ উপ-সভাপতি কৌস্তভ দাস, সম্পাদক দেৱব্ৰত শীল, বিনোদ শৰ্মা, জিলা সমিতিৰ বিষয়ববীয়া, মণ্ডল সভাপতি-সভানেত্ৰী, পঞ্চায়ত প্ৰতিনিধি, কোষৰ আহ্বায়ক আৰু কাৰ্যকৰ্তাসকল উপস্থিত থাকে। আনহাতে, অনুষ্ঠানৰ শেষত জিলা সমিতিৰ বিষয়ববীয়াসকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত কাৰ্যালয়ৰ আচবাবৰ বাবদ 'দীপক সিংহি' নামৰ ব্যৱসায়ী প্ৰতিষ্ঠানটোৱে জিলা সমিতিৰ পৰা পাবলগীয়া সমুদায় ধন জিলা সমিতিৰ নেতৃত্বৰ উপস্থিতিত ব্যৱসায়ীজনক আদায় দিয়া হয়।

## বৰমপুৰত 'নাট আৰু নৃত্য' কৰ্মশালাৰ আয়োজন

অগ্রদূত বাৰ্তা

**পুৰণিগুদাম, ২৬ জুন ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'নৱসূৰুজ গোষ্ঠী আৰু ছহিদ পুথিভঁৰাল'ৰ ব্যৱস্থাপনাত অহা তিনিৰ পৰা ২৪ জুলাইলৈ বঢ়মপুৰ ছহিদ ভৱন প্ৰাংগণত এক গ্ৰীষ্মকালীন 'নাট আৰু নৃত্য' কৰ্মশালাৰ আয়োজন কৰা হৈছে। গোষ্ঠীৰ সম্পাদক বিমল বৰাই জানিবলৈ দিয়া মতে, বিগত ২০২১ৰ পৰাই বৃহত্তৰ বঢ়মপুৰ আঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশত থকা প্ৰতিভাসমূহ বিকশিত কৰাৰ মানসেৰে বিভিন্ন বিষয়, যেনে-যোগাসন, সত্ৰীয়া নৃত্য, আধুনিক নৃত্য, নাটক, ঢোলবাদন, বিহুনাচ, তবলাবাদন, কবিতা আবৃত্তি, সুন্দৰ হাতৰ আখৰ লিখন আৰু হস্তশিল্প আদি অন্তৰ্ভুক্ত কৰি অভিজ্ঞ আৰু প্ৰতিষ্ঠিত প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদানেৰে উক্ত কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। কৰ্মশালাত অংশগ্ৰহণ কৰাৰ বাবে গোষ্ঠীৰ সভাপতি ৰঞ্জন কলিতা আৰু সম্পাদক বিমল বৰাই ৯৮৬৪২৯৮৯৬৯ আৰু ৭০০২৯৪০২৯২ নম্বৰত যোগাযোগ কৰিবলৈ ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলক আহ্বান জনাইছে।

## বানাক্ৰান্তলৈ সাহায্য বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ



অগ্রদূত বাৰ্তা

**শুৱালকুছি, ২৬ জুন ঃ** ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ লগতে জালুকবাৰী সমষ্টিৰ শুৱালকুছি উন্নয়ন খণ্ডৰ পূব বংশৰ আৰু পশ্চিম বংশৰ মৌজাৰ বিভিন্ন অঞ্চল বানৰ কৱলত পৰে। শিঙিমাৰী দদৰা পচৰীয়াৰ বান বিধ্বস্ত অঞ্চলসমূহ বিজেপিৰ শুৱালকুছি খণ্ডৰ উদ্যোগত অনুসূচিত জাতি মৰ্চা ড০ হিমন্ত বিশ্ব শৰ্মা অনুৰাগী সমাজসেৱী দল, পূব শুৱালকুছি ওম এছ'চিয়েছন পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। ইয়াৰ উপৰি ইয়াৰে ৩০০ টা পৰিয়ালক সাহায্য বিতৰণ কৰে। অনুসূচিত জাতি মৰ্চাৰ শুৱালকুছি মণ্ডল সভাপতি ৰাজীৱ দাসৰ নেতৃত্বত সঁজাতী দলটোৰ লগত দদৰা পচৰীয়া শিঙিমাৰীৰ পঞ্চায়ত সভাপতি-সম্পাদকৰ লগতে বিজেপিৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

## বিহালীৰ যুৱকৰ হাতৰ পৰশত ৰঙালাওত প্ৰাণ পাই উঠিল ঃ হাৰ্টথ্ৰৱ জুবিন গাৰ্গ

অগ্রদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৬ জুন ঃ** পাচলিত ছবি অংকন কৰি চৰ্চালৈ আহিছে এজন অখ্যাত শিল্পী। ৰঙালাওত প্ৰিয় শিল্পী জুবিন গাৰ্গক হুবহু অংকন কৰি ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হৈছে প্ৰণৱ দাস নামৰ এই যুৱকজন। সৰুৰে পৰা নীৰৱে চিত্ৰশিল্প কৰি অহা বিহালী টেলেঙনীয়া গাঁৱৰ দৰিদ্ৰ কৃষক ভক্ত দাস আৰু মহিলা দাসৰ একমাত্ৰ পুত্ৰ প্ৰণৱ দাসে তৃতীয় শ্ৰেণীত পঢ়ি থকাৰে পৰা নিৰৱচ্ছিন্নভাৱে কৰি আহিছে শিল্পচৰ্চা। আঁকি গৈছে বহু মহান মনীষীৰ অবিকল ছবি, প্ৰকৃতিৰ ছবিৰ লগতে গছৰ পাতত আঁকিছে বহুতো চিত্ৰ। প্ৰচাৰ বিমুখ, লোক চক্ষুৰ আঁৰত থকা স্নাতক ডিগ্ৰীধাৰী যুৱকজন এটা ব্যক্তিগত চাহ ফেক্টৰীত কৰ্মৰত হৈও নিৰন্তৰ কৰি গৈছে শিল্প সাধনা। শেহতীয়াকৈ, পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি এজোপা কঠাল গছত গছৰে ছবি আঁকি পৰিৱেশ সংৰক্ষণৰ চানেকি দাঙি ধৰাৰ লগতে এটা ৰঙালাওত প্ৰিয় শিল্পীজনক অংকন কৰি স্থানীয় ৰাইজৰ মাজত বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

## গোৱালপাৰাৰ পঞ্চৰত্নত মাটি খনন কৰা ফকলেণ্ড জব্দ



অগ্রদূত বাৰ্তা

**মাটিয়া, ২৬ জুন ঃ** গোৱালপাৰা পঞ্চৰত্নত আজি বন বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত পল্লৱ জ্যোতি নাথৰ নিৰ্দেশনামৰ্মে পঞ্চৰত্ন বন খণ্ডৰ বিষয়া পৱিত্ৰ ৰয়ে মাটি খনন কৰা এখন ফকলেণ্ড জব্দ কৰে। উল্লেখ্য যে পঞ্চৰত্নৰ ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথৰ কাষত পট্টা মাটিত বন বিভাগৰ অনুমোদন মৰ্মে ৰাজহ আদায় দি দীৰ্ঘদিনৰ পৰাই মাটি খনন কৰি আছে। ইপিনে, খননস্থলীত উপস্থিত হৈ আজি অতিৰিক্ত উপায়ুক্তজনে স্থানীয় বন খণ্ড বিষয়া ৰয়ক আজি মাটি খনন কৰি থকা ফকলেণ্ডখন জব্দ কৰিবলৈ নিৰ্দেশ দিয়ে। অতিৰিক্ত উপায়ুক্তৰ উপস্থিতিতেই ফকলেণ্ডখন জব্দ কৰি স্থানীয় জাহিদুল ইছলাম নামৰ এজন লোকৰ জিম্মাত দিয়ে। লগতে উক্ত ঠাইত মাটি খননৰ বাবে পোৱা অনুমোদনৰ নথিপত্ৰ পৰীক্ষণ নকৰা পৰ্যন্ত খনন কাৰ্য স্থগিত ৰখাৰ বাবে নিৰ্দেশ দিয়ে অতিৰিক্ত উপায়ুক্তই।

## নাহৰকটীয়াত ১৬ ঘণ্টাই নাথাকে বিদ্যুৎ সংযোগ

### ■ বতাহত বেঁকা হৈ পৰা বিজুলীৰ খুঁটা, হাত মেলিলেই ঢুকি পোৱাকৈ থকা বিজুলীৰ তাঁৰে বিপদ মাতিছে ৰাইজৰ

অগ্রদূত বাৰ্তা

**নাহৰকটীয়া, ২৬ জুন ঃ** অসম চৰকাৰৰ এটা বিয়াগোম বিভাগ হৈছে বিজুলী বিভাগ। এই বিজুলী বিভাগৰ কৰ্মকাণ্ডত অতিষ্ঠ হৈছে নাহৰকটীয়া বিদ্যুৎ উপভোক্তাসকল। নাহৰকটীয়াৰ বিভিন্ন অঞ্চলত প্ৰতিদিনেই কমেও ১০ৰ পৰা ১৬ ঘণ্টা বিজুলী নথকাটো এতিয়া এক সাধাৰণ পৰিঘটনালৈ পৰিণত হৈছে। বিজুলীৰ বা বিদ্যুতৰ সংযোগ বিচ্ছিন্ন হৈ থাকিলে যদি কোনোৱে বিদ্যুৎ বিভাগৰ অভিযোগ নম্বৰত ফোন কৰে সেই ফোন প্ৰায়েই ব্যস্ত হৈ থাকে নাইবা ফোন উঠালেও অভিযোগকাৰীক বেয়া ব্যৱহাৰ কৰা অথবা অভিযোগকাৰীৰ অভিযোগ শুনিও সেই অভিযোগক গুৰুত্ব নিদিয়া অভিযোগ পোৱা যায়। অৱশ্যে কোনোৱে যদি এই অভিযোগ নাহৰকটীয়া মহকুমা বিদ্যুৎ বিভাগৰ কাৰ্যালয়ৰ মহকুমা বিদ্যুৎ বিষয়াক দাখিল কৰে তেনেহ'লে সেই অভিযোগক বিষয়াজনে গুৰুত্ব প্ৰদান কৰা দেখা যায় যদিও প্ৰতিগৰাকী নাগৰিকৰ পক্ষে মহকুমা বিদ্যুৎ বিষয়াক লগ ধৰি অভিযোগ দাখিল কৰা সম্ভৱ নহয়। ইফালে, নাহৰকটীয়াৰ আলিছিগা গাঁৱৰ এটা বিজুলী পৰিবাহী বিদ্যুতৰ খুঁটা দুটা বছৰ ধৰি বতাহত বেঁকা হৈ বিজুলীৰ তাঁৰসমূহ হাত মেলিলেই ঢুকি পোৱাকৈ হেলনীয়া হৈ আছে। এই বিষয়ে মৌখিক আৰু লিখিতভাৱে অভিযোগ দাখিল কৰাৰ পাছতো এইদৰে মানুহ তথা পশুধনৰ জীৱনৰ প্ৰতি শংকা নমাই অনা বিপদ সংকুলভাৱে থকা বিদ্যুতৰ খুঁটা আৰু পৰিবাহী তাঁৰসমূহ সলনি কৰিবলৈ কৰ্মচাৰীৰ অভাৱ বুলি সততে অজুহাত দেখুওৱা বিভাগটোৰ কিন্তু কোনো লোকে যদি বিজুলীৰ বিল পৰিশোধ নকৰে তেন্তে সেই লোকজনৰ ঘৰলৈ বিজুলী সংযোগ বিচ্ছিন্ন কৰিবলৈ ১০ৰ পৰা ১৫জন লোক একে সময়তে যাবলৈ কৰ্মচাৰীৰ অভাৱ নহয়। তদুপৰি নাহৰকটীয়াৰ জয়পুৰ অঞ্চলত যদি বিজুলী সংযোগ বিচ্ছিন্ন ঘটে তেনেহ'লে নিয়ম মতে, সেই বিজুতি মেৰামতি কৰিবলৈ নাহৰকটীয়া কলেজৰ সমীপত থকা কাট-আউটত বিজুলী সংযোগ বিচ্ছিন্ন কৰি এই মেৰামতি কৰিব লাগে। কিন্তু ইয়াৰ বিপৰীতে বিদ্যুৎ বিভাগৰ লোকসকলে নাহৰকটীয়া চাহ বাগিচাৰ সমীপত থকা কাট-আউটত বিদ্যুতৰ সংযোগ ওৰে নিশা কাটি থৈ পুৱা মেৰামতি কৰি পুনৰ সংযোগ দিয়ে। ফলত নাহৰকটীয়া চাহ বাগিচা, লংজং গাঁও, ছেৰেপোজান, উত্তৰ মাটি, নামফাকে গাঁৱকে ধৰি এটা বৃহৎ অঞ্চলৰ বিদ্যুতৰ কোনো বিজুতি নথকা সত্ত্বেও উৎকট গৰমত অন্ধকাৰত থাকিবলগীয়া হয়। সেইদৰে নাহৰকটীয়াৰ বিভিন্ন অঞ্চলতো একেই ব্যৱস্থা গ্ৰহণ কৰি আহিছে বিদ্যুৎ বিভাগটোৱে যাৰ ফলত সৰ্বসাধাৰণ বিদ্যুৎ উপভোক্তা ৰাইজে দুৰ্ভোগ ভুগি আহিছে।

# বাৰেচহৰীয়া ভাওনাই জামুগুৰিবাসীক সুৰক্ষা দি আহিছে ঃ বিধায়ক হাজৰিকা

■ ভাওনা মহোৎসৱলৈ আমন্ত্ৰিত হ'ব প্ৰধানমন্ত্ৰী ■ উদ্‌যাপন সমিতিসহ ২৫খন উপ-সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৬ জুন ঃ** দেশৰ একক বৃহৎ সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰূপে পৰিচিত ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনা মহোৎসৱ এইবেলি ২০২৩ৰ মাৰ্চত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই উদ্দেশ্যে জামুগুৰিহাটৰ বৰভগীয়া গাঁৱৰ নামঘৰ প্ৰাংগণত বৃহত্তৰ জামুগুৰিহাটৰ পাঁচ শতাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হয় এক ৰাজহুৱা সভা। বাৰেচহৰীয়া ভাওনা সমিতিৰ স্থায়ী সভাপতি ভৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাক সভাপতি, ভৱ গোস্বামীক কাৰ্যকৰী সভাপতি আৰু জয়ন্ত বৰাক প্ৰধান সম্পাদকৰূপে নিৰ্বাচিত কৰাৰ লগতে ২৫খন উপ-সমিতিও গঠন কৰা হয়। সভাত অংশগ্ৰহণ কৰি চতিয়া সমষ্টিৰ বিধায়ক তথা উদ্‌যাপন সমিতিৰ সভাপতি হাজৰিকাই কয়, 'বাৰেচহৰীয়া ভাওনা জামুগুৰিয়া ৰাইজৰ পৰিচয়। বাৰেচহৰীয়া ভাওনাই জামুগুৰিবাসীক বিপদে-আপদে সহায় কৰি আহিছে। মোকো বাৰেচহৰীয়া ভাওনাই সুৰক্ষা দি আহিছে। এই ভাওনাৰ মহত্ত্ব তথা আধ্যাত্মিকতাই জামুগুৰিহাটৰ প্ৰতিজন লোকৰ হৃদয় পৱিত্ৰ কৰি ৰাখিছে। এইবেলি ভাওনা মহোৎসৱত জামুগুৰিহাটৰ ২১খন বিভিন্ন ধৰ্মীয় সমাজে অংশগ্ৰহণ কৰিব।' ভাওনা মহোৎসৱলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো আমন্ত্ৰণ জনোৱাৰ চিন্তা-চৰ্চা কৰা বুলিও হাজৰিকাই মন্তব্য কৰে। ইয়াৰ উপৰি ২৮ কোটি টকাৰে নিৰ্মাণ হৈ থকা বাৰেচহৰীয়া ভাওনাৰ সাংস্কৃতিক প্ৰকল্পটোও ভাওনাৰ সময়তে উদ্বোধন কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। ১৭৫৭তে আৰম্ভ হোৱা এই ভাওনা পকামূৰা পথাৰত ১৭বাৰকৈ অনুষ্ঠিত কৰাৰ পাছত এইবেলি চৰকাৰে পকামূৰা পথাৰৰ মুঠ ৯০ বিঘা মাটি আঠ কোটি টকাৰে চৰকাৰী নিৰিখত ক্ৰয় কৰা বুলিও মন্তব্য কৰে বিধায়ক হাজৰিকাই। বাৰেচহৰীয়া ভাওনাৰ স্থায়ী কমিটীৰ সম্পাদক জয়ন্ত বৰাই আঁত ধৰা সভাখনত সম্প্ৰতি ৯,৭৭,০৪৫ টকা জমা থকাৰ বিষয়ে জানিবলৈ দিয়ে সভাপতি গোস্বামীয়ে। সভাপতিজনে কয়, 'অহা সাত, আঠ আৰু ন মাৰ্চত এই ভাওনা মহোৎসৱ অনুষ্ঠিত কৰা হ'ব। এই ভাওনা মহোৎসৱলৈ দেশৰ বহুকেইজন সামাজিক, সাহিত্যিক, সাংস্কৃতিক ক্ষেত্ৰৰ আগশাৰীৰ ব্যক্তিক আমন্ত্ৰণ জনোৱা হ'ব।' এইবেলি ভাওনা মহোৎসৱত বড়ো, মিচিং, আদিবাসী জনগোষ্ঠীৰ উপৰি ইছলাম ধৰ্মীয় লোকসকলেও সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি মন্তব্য কৰে সভাপতি গোস্বামীয়ে।



# বিদ্যুৎ কৰ্মীৰ গাফিলতি ঃ কথমপি প্ৰাণ ৰক্ষা বিদ্যুৎ বিভাগৰ অস্থায়ী কৰ্মীৰ

**খুমটাই, ২৬ জুন ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ৰ অধীনস্থ ৰঙাগড়া ৰয়েল ফিডাৰৰ বিদ্যুৎ বিভাগৰ কৰ্মচাৰীৰ গাফিলতিৰ বাবে কালি মৃত্যুৰ মুখৰ পৰা কথমপি ৰক্ষা পৰে বিদ্যুৎ বিভাগৰ অস্থায়ী কৰ্মী ৰণ্টু বৰি নামৰ এজন যুৱকৰ। উল্লেখ্য যে বিদ্যুৎ বিভাগৰ কমাৰগাঁও উপ-সংমণ্ডলৰ অন্তৰ্গত ৰঙাগড়া ৰয়েল ফিডাৰত বিদ্যুৎ বিভাগৰ অস্থায়ী সহায়ককৰ্মী হিচাপে কৰ্মৰত ৰণ্টু বৰিক কালি দিনৰ ১-৩০ বজাত ৰাধাবাৰী বাগান অঞ্চলৰ বিদ্যুৎ মেৰামতিৰ বাবে পিটিচি কৰ্মী ৰিতুৰাজ শইকীয়াৰ স'তে যায়। বিদ্যুৎ বিভাগৰ নীতি-নিয়ম অনুসৰি লাইনমেন প্ৰবীণ শৰ্মাই বিদ্যুৎ মেৰামতিৰ সময়ত উক্ত স্থানত উপস্থিত থাকি খুঁটাত উঠি বিদ্যুৎ মেৰামতি কৰিব লাগে যদিও অস্থায়ী কৰ্মী ৰণ্টু বৰিক উক্ত খুঁটাত উঠি বিদ্যুৎ মেৰামতি কৰিবলৈ পঠায়। তাৎপৰ্যপূৰ্ণ বিষয় যে পিটিচি কৰ্মী ৰিতুৰাজ শইকীয়া ৰঙাগড়া ৰয়েল ফিডাৰ কাৰ্যালয়লৈ উক্ত বিদ্যুৎ সংযোগ কৰ্তন কৰিবলৈ নিৰ্দেশ দিয়ে যদিও উক্ত কাৰ্যালয়ত কৰ্মৰত মনোৰঞ্জন গগৈ নামৰ বিদ্যুৎ কৰ্মচাৰীজনে লাইনমেনে ক'লেহে বিদ্যুৎ সংযোগ কৰ্তন কৰা হ'ব বুলি জনায়। তেতিয়াই ৰাধাবাৰী চাহ বাগিচাৰ চাহ ফেক্টৰী বিদ্যুৎ সংযোগ কৰ্তন কৰিবলৈ লাইনমেন শৰ্মাই কোৱাৰ সলনি অন্য এটা অঞ্চলৰ বিদ্যুৎ সংযোগী কৰ্তন কৰিবলৈ কোৱাত উক্ত কাৰ্যালয়ত কৰ্মৰত মনোৰঞ্জনে লাইনমেনৰ নিৰ্দেশ মতে বিদ্যুৎ কৰ্তন কৰে বুলি সদৰী কৰে। ইফালে ভুলকৈ বিদ্যুৎ সংযোগ কৰ্তন কৰাৰ ফলত ৰাধাবাৰী চাহ বাগিচা ফেক্টৰীত কৰ্মৰ বাবে যোৱা ৰণ্টু বৰি বিদ্যুৎস্পৃষ্ট হৈ কৰ্মস্থলীতে ঢলি পৰে। বিদ্যুৎ বিভাগৰ কৰ্মচাৰী আৰু লাইনমেনৰ চূড়ান্ত ভুলৰ বাবে বিদ্যুৎস্পৃষ্ট হৈ ৰণ্টু মাটিৰ তলত পৰি যোৱাৰ লগে লগে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। ততাতৈয়াকৈ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ৰণ্টুক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ নিয়া হয়। মূৰত আৰু হাতত বেয়াকৈ আঘাতপ্ৰাপ্ত হোৱা ৰণ্টু ইতিমধ্যে যোৰহাট চিকিৎসাল মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। বিদ্যুৎ বিভাগৰ কৰ্মচাৰীৰ চূড়ান্ত গাফিলতিৰ বাবে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ৰণ্টুক উন্নত চিকিৎসা কৰিবলৈ আহ্বান জনাইছে পৰিয়ালৰ লোকে। ইফালে দোষী বিদ্যুৎ কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে। সচেতন ৰাইজে।

# বাসুগাঁও পৌৰসভাৰ পৰিচালনা সমিতি গঠন ঃ অনিয়মৰ অভিযোগত ক্ষোভ

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৬ জুন ঃ** দলীয় বাদ-প্ৰতিবাদৰ বাবে দীৰ্ঘদিনে পৰিচালনা সমিতি বিহীনভাৱে বাসুগাঁও পৌৰসভাখন চলি আছিল। যদিও অলপতে গোপনে, নীৰৱে-নিৰলে চহৰখনৰ বিশিষ্ট লোক, বুদ্ধিজীৱী, বয়োজ্যেষ্ঠ লোক, সাংবাদিকক অন্ধকাৰত ৰাখি পৌৰসভাখন গঠন কৰা হয়। এই লৈ 'সেৱাই সংগঠন ছ'চাইটি'ৰ নামৰ সংস্থাটো জাঙুৰ খাই উঠে। সংস্থাটোৰ সভানেত্ৰী আশাদেৱী মণ্ডলে ক্ষোভেৰে কয় যে বাসুগাঁও পৌৰসভাৰ সভাপতিকে আদি কৰি অন্যান্য বিষয়ববীয়াসকল বিজেপিৰ যদিও বহুতৰে দলৰ উত্থানত কোনো অৱিহণা নাই। এই বুলি ক্ষোভ প্ৰকাশ কৰি যোৱা বিটিআৰ নিৰ্বাচনত বিজেপিৰ হৈ প্ৰাৰ্থিত্ব লাভ কৰা অলক কুমাৰ বসুমতাৰী দলটোত সুখে-দুখে লাগি থাকি দলৰ উত্থানত যথেষ্ট অৱিহণা যোগাই আহিছে। এজন যোগ্য আৰু নেৰানেপেৰাকৈ লাগি থকা নেতাৰ সলনি দলৰ প্ৰতি বিশেষ অৱিহণা নথকা পৌৰসভাৰ সভাপতিৰূপে দায়িত্ব লাভ কৰা সাধন মণ্ডলৰ লগতে অন্যান্য পদবী ধাৰীসকলৰ অধিকাংশই যোগ্য নহয় বুলি অভিযোগ কৰি পুনৰ বিবেচনা কৰিবলৈ উৰ্দ্ধতন কৰ্তৃপক্ষক আহ্বান জনায় সেৱাই সংগঠন নামৰ সংস্থাটোৰ সভানেত্ৰী মণ্ডলে। আনহাতে, প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱা বসুমতাৰীয়ে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি দলৰ উন্নয়নত সকলো ত্যাগ কৰিও কোনো এক অজান কাৰণত দলৰ পৰা বাৰে বাৰে বঞ্চিত হোৱা, অসন্মানজনক আচৰণ লাভ কৰি মন-প্ৰাণ ভাঙি যোৱা বুলি ক্ষোভ প্ৰকাশ কৰি এনে পৰম্পৰা অব্যাহত থাকিলে এদিন সকলো ত্যাগ কৰি নীৰৱে ঘৰত বহি থকাৰ বাহিৰে অন্য গত্যন্তৰ নাই বুলি দুখেৰে কয়।

# উত্তৰ বংগত সত্ৰীয়া সংস্কৃতি প্ৰচাৰৰ আঁচনি

মধুপুৰ সত্ৰ সমিতি আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰশংসনীয় পদক্ষেপ

অগ্ৰদূত বাৰ্তা

**হাউলী, ২৬ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ইহলীলা সম্বৰণ কৰা বৈষ্ণৱ ধৰ্মৰ পীঠস্থান কোচবিহাৰৰ মধুপুৰ সত্ৰক কেন্দ্ৰ কৰি সমগ্ৰ উত্তৰ বংগৰ বিভিন্ন ঠাইত ১০ তাতকৈও অধিক নামঘৰ প্ৰতিষ্ঠা কৰা হৈছে। এই নামঘৰসমূহৰ মাধ্যমেৰে উত্তৰ বংগৰ বিভিন্ন অঞ্চলত বসবাস কৰা মহাপুৰুষ দুজনাৰ একান্ত অনুগামীসকলে সত্ৰীয়া সংস্কৃতিৰ শিক্ষা গ্ৰহণকে ধৰি এই ঐশ্বৰ্যশালী সংস্কৃতিসমূহ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে বিভিন্ন কৰ্মসূচী আৰু প্ৰচেষ্টা চলাই আছে। এনেধৰণৰ বহুমুখী প্ৰচেষ্টাক প্ৰণালীবদ্ধ আৰু বিজ্ঞান সন্মতভাৱে এক সাকাৰ ৰূপ দিয়াৰ লক্ষ্য আগত ৰাখি মধুপুৰ সত্ৰ সমিতিয়ে কেতবোৰ অভিলাষী আঁচনি গ্ৰহণ কৰিছে। ইয়াৰ অংশৰূপে অহা চাৰি জুলাইৰ পৰা ২০ জুলাইলৈ মধুপুৰ সত্ৰ চৌহদত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত বৰগীত আৰু সত্ৰীয়া নৃত্যৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। এই সম্পৰ্কত ইতিমধ্যে মধুপুৰ সত্ৰ সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানী আৰু উপ-সভাপতি বনমালী পাঠক তথা সম্পাদক হৰিদেৱ দাসে উত্তৰ বংগৰ বিভিন্ন সত্ৰ তথা নামঘৰৰ ভকত বৈষ্ণৱসকলৰ লগত আলোচনা কৰি উক্ত অঞ্চলৰ প্ৰায় অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়াৰ বাবে এক বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰিছে। ইয়াৰ উপৰি আগন্তুক জুলাইৰ ভিতৰত উত্তৰ বংগৰ কোচবিহাৰ চহৰত শংকৰী সংস্কৃতিৰ লগত জড়িত শিক্ষাবিদ, বুদ্ধিজীৱী আৰু সাংস্কৃতিক সংগঠকৰ উপস্থিতিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মৰাজিৰ লগতে উত্তৰ বংগ অঞ্চলত মহাপুৰুষগৰাকীয়ে জীৱন নিৰ্বাহ কৰা সময়ৰ ওপৰত তথ্য ভিত্তিক বিশ্লেষণ কৰাৰ বাবে এখন আন্তঃৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ বাবেও যো-জা চলোৱা হৈছে। মধুপুৰ সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে প্ৰকাশ কৰা এটা বিবৃতিত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালক ড° দেৱজিত খনিকৰৰ ঐকান্তিক প্ৰচেষ্টাত শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শত বিশ্বাসী ভকত বৈষ্ণৱসকলৰ মাজত সত্ৰীয়া নৃত্য আৰু বৰগীতৰ জৰিয়তে সত্ৰীয়া সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপে এক যুগান্তকাৰী অধ্যায়ৰ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰিছে। সত্ৰ সমিতিয়ে মধুপুৰ সত্ৰ আন্তঃগাঁথনিৰ উন্নয়ন আৰু চহকী সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণ কৰাৰ ক্ষেত্ৰত অসম চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জনোৱাৰ লগতে বৰ্তমান সত্ৰখনত এক অশুভ শক্তি আৰু মুনাফা লোভী ঠিকাদাৰৰ প্ৰৰোচনাত গঢ়ি উঠা সত্ৰীয়া পৰম্পৰা ভংগ কৰা শক্তিটোৰ কাৰ্যকলাপ বন্ধ কৰিবলৈ অসম চৰকাৰক অনুৰোধ জনাইছে। সত্ৰ সমিতিয়ে লগতে সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি অনুসৰি মধুপুৰ সত্ৰত স্থাপিত অসম চৰকাৰৰ সাংস্কৃতিক কেন্দ্ৰৰ কাৰ্যালয়টোৰ বৰ্তমানৰ ভগ্নপ্ৰায় অৱস্থাত গভীৰ উদ্বেগ প্ৰকাশ কৰি ইতিমধ্যে কেন্দ্ৰটোৰ বাবে নিৰ্মাণ কৰা নতুন ভৱনটোলৈ কাৰ্যালয়টো স্থানান্তৰ কৰিবলৈ সাংস্কৃতিক সঞ্চালকালয়ক অনুৰোধ জনাইছে। উল্লেখ্য যে মধুপুৰ সত্ৰৰ বুঢ়া সত্ৰাধিকাৰজনৰ মইমতালিৰ বাবেই কেন্দ্ৰটো সম্প্ৰতি গোহালি ঘৰত পৰিণত হোৱা বুলি অভিযোগ উত্থাপন কৰে মধুপুৰ সত্ৰ সমিতিয়ে।

# জামুগুৰিহাটত ২০ কাৰ্টন অৰুণাচলী সুৰা জব্দ আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৬ জুন ঃ** আজি পুৱা জামুগুৰিহাটত ২০ কাৰ্টন অৰুণাচলী সুৰা জব্দ কৰিবলৈ সক্ষম হয় জামুগুৰি আৰক্ষীয়ে। অৰুণাচলৰ চিজুচাৰ পৰা জামুগুৰিহাটলৈ এএছ-১২এফ-৮৩৯৪ নম্বৰৰ এল্ট' গাড়ীখনৰে কঢ়িয়াই অনা অৰুণাচলী সুৰাখিনি অঞ্চলটোৰ চৈবাৰী ব্যৱসায়িক কেন্দ্ৰস্থলত জামুগুৰি আৰক্ষীয়ে বিশেষ সূত্ৰৰ পমখেদি জব্দ কৰে। আৰক্ষীয়ে অৰুণাচলী সুৰাৰ অবৈধ বেহাৰ লগত জড়িত আজিতবৰুৱা নামৰ লোকজনক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে অসম আৰক্ষীয়ে মদ, ভাং, ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ অভিযান অব্যাহত ৰখাৰ মাজতে একাংশ মদ বেপাৰীয়ে উত্তৰ অসমতো অতি কৌশলৰে এতিয়াও অৰুণাচলী সুৰা সৰবৰাহ কৰি থকাৰ অভিযোগ উত্থাপন হৈছে।

# গোলাঘাটৰ বিদ্যালয়ত কৃতী শিক্ষাৰ্থীক অভিনন্দন-স্মাৰক বক্তৃতা প্ৰদান

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৬ জুন ঃ** গোলাঘাট জিলাৰ বুঢ়ালিকচন হাইস্কুলত কালি অনুষ্ঠিত এখন সভাত নাৰায়ণ শইকীয়া স্মাৰক বক্তৃতা প্ৰদানৰ লগতে বিদ্যালয়খনৰ পৰা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ পাঁচগৰাকী শিক্ষাৰ্থীক নাৰায়ণ শইকীয়া স্মাৰক বঁটা প্ৰদান কৰা হয়। স্থানীয় সমাজকৰ্মী তথা শিক্ষানুৰাগী ব্যক্তি পলাশ বৰাৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ঈশাৰাণী কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক প্ৰফুল্ল চন্দ্ৰ নেওগে নাৰায়ণ শইকীয়া স্মাৰক বক্তৃতা প্ৰদান কৰে। তেওঁ প্ৰয়াত কৃষক শইকীয়া সম্পৰ্কত উল্লেখ কৰি দিয়া শিক্ষামূলক সাৰুৱা ভাষণে সকলোকে উপকৃত কৰে। ইয়াৰ পাছতে বিদ্যালয়খনৰ পৰা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ পাঁচগৰাকী শিক্ষাৰ্থীক নাৰায়ণ শইকীয়া স্মাৰক বঁটাৰূপে গামোচা, অভিনন্দন পত্ৰ, গ্ৰন্থ আদি প্ৰদান কৰা হয়। এইবাৰ বঁটাপ্ৰাপক কৃতী ছাত্ৰীকেইগৰাকী হৈছে ক্ৰমে ময়ূৰী শইকীয়া, কস্তুৰী শইকীয়া, দীক্ষাশ্ৰী বৰা, নাজমিন বেগম আৰু বৰ্ণালী গগৈ। অনুষ্ঠানত যোৱা পাঁচ বছৰ ধৰি প্ৰদান কৰি অহা উক্ত স্মাৰক বঁটাৰ দাতা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত কাৰাগাৰ উপ-মহাপৰিদৰ্শক বিদ্যাধৰ শইকীয়াই দিয়া ভাষণত ছাত্ৰ-ছাত্ৰীসকলৰ অগ্ৰগতি প্ৰদানৰ ক্ষেত্ৰত শিক্ষক, অভিভাৱকসকলৰ কৰণীয় দিশৰ বিষয়ে উল্লেখ কৰাৰ লগতে সমাজে শিক্ষাৰ্থীসকলৰ বাবে কেনেদৰে উপযুক্ত পৰিৱেশ সৃষ্টিত অৰিহণা আগবঢ়াব পাৰে সেই বিষয়ে আলোচনা দাঙি ধৰে। তেওঁ গোলাঘাট জিলাৰ ভিতৰুৱা গ্ৰাম্য অঞ্চলৰ বিদ্যালয়খনে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল (এইবাৰ উত্তীৰ্ণৰ হাৰ ৬৫ শতাংশ)ত সন্তোষ প্ৰকাশ কৰি আগন্তুক দিনত অধিক উন্নত ফলাফল প্ৰদৰ্শন কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। সভাত খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰুণবিকাশ বৰুৱাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰি একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তেহে ছাত্ৰ-ছাত্ৰীসকলে জীৱনত সফলতা লাভ কৰিব পাৰিব বুলি মন্তব্য প্ৰকাশ কৰে। বিদ্যালয়ৰ শিক্ষক দীপান্ত খাউণ্ডে আঁত ধৰা সভাখনত ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা নৃত্য-গীতে সকলোকে আপ্লুত কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ঈশাৰাণী কলিতাই সকলোৰে প্ৰতি শলাগ জ্ঞাপন কৰে। আনহাতে, গোলাঘাট জিলাৰ এখন আগশাৰীৰ বিদ্যালয় শিশু ভাৰতী ইংলিছ মিডিয়াম হাইস্কুলত কালি অনুষ্ঠিত এক অনুষ্ঠানত অলপতে ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পাঁচগৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। বিদ্যালয়খনৰ অভিভাৱক মঞ্চৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য মতিউৰ ৰহমানে। বিদ্যালয়খনৰ অধ্যয়নৰত দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ প্ৰদানৰ উদ্দেশ্যে প্ৰতি বছৰৰ দৰেই এইবাৰো অনুষ্ঠিত অনুষ্ঠানত বিদ্যালয়খনৰ পৰা ডিষ্টিংছনপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰী ক্ৰমে আবু এছ কবিৰ, শুভাংশী হাজৰিকা, বৰ্ণালী বৰদলৈ, অৰ্পিতা দেৱনাথ আৰু অমিষা শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। অভিভাৱক মঞ্চৰ সম্পাদক ধ্ৰুৱজ্যোতি বৰাই আঁত ধৰা অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক ৰঞ্জিত কুমাৰ বৰুৱা, প্ৰধান শিক্ষক বিনন্দ চন্দ্ৰ বৰাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়।

# নগাঁৱত সূত্ৰধাৰৰ উদ্যোগত কালাৰিপায়াট্টু কৰ্মশালা



বিশেষ সংবাদদাতা

**নগাঁও, ২৬ জুন ঃ** ভাৰতবৰ্ষৰ এটি প্ৰাচীন সমৰ কলা মাধ্যম কালাৰিপায়াট্টু। ২৪ জুনৰ পৰা ২৬ জুনলৈ এই কালাৰিপায়াট্টুৰ প্ৰশিক্ষণৰ তিনিদিনীয়া এক কৰ্মশালা অনুষ্ঠিত হয় নগাঁৱৰ অগ্ৰণী পৰিৱেশ্য কলাৰ প্ৰশিক্ষণৰ প্ৰতিষ্ঠান সূত্ৰধাৰত। পুৱা ১০ বজাৰ পৰা বিয়লি তিনি বজালৈ অনুষ্ঠিত হোৱা এই কৰ্মশালাৰ উদ্দেশ্য হ'ল নৃত্য-নাট্যত সমৰ কলাৰ প্ৰয়োগ। এই কৰ্মশালাৰ সমল ব্যক্তিৰূপে উপস্থিত থাকে কলকতাৰ কালাৰিপায়াট্টু বিশেষজ্ঞ কাজল হাজৰা। এই কৰ্মশালাটো জ্যেষ্ঠ আৰু কনিষ্ঠ দুটা শাখাত অনুষ্ঠিত হয়। দুয়োটা শাখাতে মুঠ ৫০ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাৰ শেষত সকলো প্ৰশিক্ষাৰ্থীক মানপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে সূত্ৰধাৰৰ উদ্যোগত প্ৰায় এমহীয়া কাৰ্যসূচীৰে বিভিন্ন কাৰ্যসূচীৰে বিভিন্ন বিষয়ৰ ওপৰত কৰ্মশালাৰ আয়োজন কৰা হৈছে। তাৰে ভিতৰত উল্লেখ্য হ'ল সাধু কোৱা, মুখা বনোৱা, নাটক সত্ৰীয়া নৃত্য, সংগীত, বাদ্য ইত্যাদি। এই সকলোতে সমল ব্যক্তিৰূপে উপস্থিত থাকিব মণিপুৰৰ নিনগমবাম যদুমণি সিং, গোবিন্দ শইকীয়া, কৃষ্ণ শইকীয়া, কৃষ্ণ গোস্বামী, হৰিচৰণ বৰা বৰবায়ন, কৃষ্ণ যদুমণি আদি। এই কমশালাৰ লগত সংগতি ৰাখি অহা ১০ জুলাইত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এখন সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানত সকলোৰে উপস্থিতি উদ্যোক্তা তথা শিল্পী গৌৰৱ কুমাৰ হাজৰিকাই কামনা কৰিছে।

# দুই কৃতী ছাত্ৰীক সম্বৰ্ধনা কলগাছিয়াত



অগ্ৰদূত বাৰ্তা

**কলগাছিয়া, ২৬ জুন ঃ** কলগাছিয়াৰ খৰিচালাস্থিত আৰচিইএছ মডেল স্কুলত আজি কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত খৰিচালাৰ দৰে পিছপৰা অঞ্চলৰ পৰা নাছৰিনা য়াছমিনে ৯১ আৰু ৰুমিনা পাৰবিনে ৯০ শতাংশ নম্বৰসহ ডিষ্টিংচন পাই পাছ কৰি বিদ্যালয়খনৰ লগতে খৰিচালা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীক অধিক উৎসাহিত কৰাৰ কাৰণে বিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয় বুলি জানিবলৈ দিয়ে বিদ্যালয়খনৰ প্ৰধান শিক্ষকে। কৃতী ছাত্ৰী নাছৰিন চিকিৎসক হৈ গৰিব দুখীয়া মানুহক সেৱা কৰিব বুলি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে।

# নগাঁৱত একে স্থানত দুটাকৈ পথ দুৰ্ঘটনাত ছজন লোক আহত



বিশেষ সংবাদদাতা

**নগাঁও, ২৬ জুন ঃ** নগাঁও চহৰৰ শেনচোৱাত যোৱা নিশা এক পথ দুৰ্ঘটনা সংঘটিত হয়। উক্ত দুৰ্ঘটনাটোত ছজনকৈ লোক আহত হয়। জানিব পৰা মতে এ এছ-০১ জি চি-৩৮৪১ নম্বৰৰ ট্ৰেভেলাৰ গাড়ীখনে গুৱাহাটীৰ পৰা যাত্ৰী লৈ নগাঁও চহৰ অভিমুখে আহি থকা অৱস্থাত শেনচোৱাৰ ওচৰত পথৰ মাজত থকা পথ বিভাজকত খুন্দা মৰাৰ ফলত গাড়ীখন পথৰ ওপৰতে বাগৰি পৰে। ইয়াৰ পাছত একাংশ স্থানীয় লোকে নগাঁও যানবাহন আৰক্ষীক খবৰ দিয়ে। লগে লগে নগাঁও যানবাহন আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত দুৰ্ঘটনাটোত আহত হোৱা ছজনকৈ যাত্ৰীক উদ্ধাৰ কৰি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱায়। আনহাতে, উক্ত উদ্ধাৰ কাৰ্য চলি থকা সময়তে এ এছ-০২ এ এইছ ১৪৮৪ নম্বৰৰ এখন ছুইফ গাড়ীয়ে পৰি থকা ট্ৰেভেলাৰখনক খুন্দা মাৰে। যাৰ ফলত পুনৰ আন এক দুৰ্ঘটনা সংঘটিত হয়। পাছত আৰক্ষী দুৰ্ঘটনা সংঘটিত কৰা দুয়োখন বাহন জব্দ কৰি নগাঁও সদৰ আৰক্ষী থানালৈ লৈ আহে। আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা ছুইফটখনৰ চালকজনকো আটক কৰে যদিও দুৰ্ঘটনা সংঘটিত কৰি ট্ৰেভেলাৰৰ চালকজনে পলায়ন কৰে।

দুৰ্ঘটনাটোত আহত হোৱা ছজন যাত্ৰী হ'ল ডবকাৰ শংকৰ দাস, হোজাইৰ বিশ্বজিৎ দাস, জুৰীয়াৰ জালালউদ্দিন, ৰাঙলুৰ আব্দুল হান্নান, ডবকাৰ দিলোৱাৰ হুছেইন, মোৱাকাৰৰ জমিল হুছেইন। তেওঁলোক আটাইকেইজন সংকটমুক্ত বুলি চিকিৎসকে জানিবলৈ দিয়ে।

# বাদলাপাৰা চাহ বাগিচাত মজদুৰৰ দুৰ্ভোগ ঃ বিপৰ্যস্ত জনজীৱন

■ বাগিচাই আমাৰ জীৱন, আমাৰ খেতি মাটি নাই, বাগিচাত কাম কৰিয়ে আমি জীয়াই থাকিব লাগিব ঃ চাহ শ্ৰমিকৰ হৃদয় স্পৰ্শী কণ্ঠ

অগ্ৰদূত বাৰ্তা

**টংলা, ২৬ জুন ঃ** 'বাগিচাই আমাৰ ছাড়া জীৱন। আমাৰ খেতি মাটি নাই। বাগানত কাম কৰিয়েই আমি জীয়াই থাকিব লাগিব।' এয়া ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমাত থকা এখন চাহ বাগানৰ এজন মজদুৰৰ অতি মৰ্মস্পৰ্শী হৃদয় বিদাৰক কণ্ঠ। ভাৰত-ভূটান সীমান্তত অৱস্থিত চাহ বাগিচা বাদলাপাৰা। এই বাগিচাখনৰ দুয়োকাষে পূৰ্বে শুক্লাই নদী আৰু পশ্চিমে নালাপাৰা নদী। দুয়ো নদীত ফেনে-ফোটোকাৰে ভূটানৰ পৰা বৈ অহা বাঢ়নী পানীয়ে যেতিয়া বানৰ সৃষ্টি কৰে, তেতিয়া বাদলাপাৰা চাহ বাগিচা সাগৰদৃশ হৈ পৰে। বাগিচাবাসীৰ সাগৰৰ মাজত থকা যেন অনুভৱ হয়। নাই দলঙৰ সুব্যৱস্থা, যাতায়াতৰ সুবিধা। চাহ বাগিচাৰ মালিকপক্ষৰো কোনো কাণসাৰ নাই। স্বাস্থ্যৰ ক্ষেত্ৰতো যমৰ যাতনাত ভুগিছে। বিশুদ্ধ খোৱা পানীৰো নাই সুব্যৱস্থা। সময় মতে বিদ্যুৎ নাপায়, লুকাভাকু খেলে। বিভিন্ন সমস্যাৰে জৰ্জৰিত চাহ বাগিচাৰ মজদুৰসকলৰ জনজীৱন বিপৰ্যস্ত হৈছে; কিন্তু তেওঁলোকে সংগ্ৰাম কৰি আহিছে পেটৰ ভাতমুঠিৰ বাবে। নকৰিলে কোনে দিব? মজুৰিৰ পৰিমাণো সীমিত। সকলো দুখ সহ্য কৰিবলৈ সাজু যদিও এফালৰ পৰা খহনীয়াই গ্ৰাস কৰাত তেওঁলোকে অসহায় হৈ পৰিছে। অসম চৰকাৰে মাথোঁ পৰিদৰ্শন কৰিয়ে দায় সাৰে। এনেকৈয়ে দিনৰ পাছত দিন ধৰি খহনীয়াই হ্ৰাস কৰাত সমস্ত জঞ্জাল নেওচি জীৱন অতিবাহিত কৰি আহিছে বাগিচাৰ পৰিয়ালসমূহে। চলিত বছৰৰ মে'-জুনত নালাপাৰা আৰু শুক্লাই নদীৰ কালান্তক বানে বিস্তৰ ক্ষতি সাধন কৰিছে বাদলাপাৰা চাহ বাগিচাৰ। এফালৰ পৰা খহনীয়াই চাহ বাগিচাৰ গছসমূহ গ্ৰাস কৰি আহিছে। ইয়াক লৈ মহাচিন্তিত হৈ পৰিছে মজদুৰসকল। বিভাগীয় কৰ্তৃপক্ষই বা চৰকাৰে পৰিদৰ্শন কৰিয়েই দায় সামৰে, আশ্বাস দি গুচি যায়। কাম হ'লে সময়ত নহয়। প্ৰতিশ্ৰুতি হয় ফুটুকাৰ ফেন। চৰকাৰক খহনীয়াৰ প্ৰতিৰোধ, নদী দুখনৰ যাতায়াতৰ বাবে দলঙৰ সুব্যৱস্থা কৰিবলৈ বাৰম্বাৰ দাবী জনাই আহিছে যদিও কোনো সুফল পোৱা নাই। এইবেলিও পুনৰবাৰ আবেদন কৰিছে চৰকাৰক অসম বিধানসভাৰ অধ্যক্ষ তথা পানেৰী বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰীয়ে। নিজৰ সমষ্টিৰ অন্তৰ্গত বাদলাপাৰা চাহ বাগিচাত ৰাইজৰ বাবে কি সুব্যৱস্থা হাতত লৈ দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰিব সেয়া এই সময়ত কোটিকটীয়া প্ৰশ্ন হৈ পৰিছে।



# চেলেংহাট কুৰ্মী কল্যাণ সমিতিৰ বাৰ্ষিক অধিৱেশন

**চেলেংহাট, ২৬ জুন ঃ** যোৰহাট জিলাৰ চেলেংহাট আঞ্চলিক কুৰ্মী কল্যাণ সমিতিৰ দশম ত্ৰি বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰে। পুৱা ভাগত পতাকা উত্তোলন কৰে কাৰ্যকৰী সমিতিৰ সভাপতি মহেশ্বৰ কুৰ্মীয়ে। স্মৃতি তৰ্পণ কৰে আঞ্চলিক সমিতিৰ সম্পাদক কিনুৰা কুৰ্মীয়ে। তাৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য আৰু সাংস্কৃতিক দিশৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। অসম কুৰ্মী সমাজৰ সাংগঠনিক সম্পাদক প্ৰবীণ কুৰ্মীয়ে উদ্বোধন কৰা মুকলি সভাৰ সভাপতিত্ব কৰে যোৰহাট জিলা কুৰ্মী সমাজৰ সভাপতি নাৰায়ণ কুৰ্মীয়ে। মুখ্য অতিথিৰূপে উপস্থিত থাকে মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে অসম কুৰ্মী সমাজৰ উপদেষ্টা জনোৰাম কুৰ্মী আৰু সভাপতি চহনলাল কুৰ্মীৰ লগতে লাহিং জিলা পৰিষদৰ সদস্যা তিলুত্তমা ফুকন আৰু ১১ নম্বৰ পূব লাহিং গাঁও পঞ্চায়তৰ সভাপতি ঋতু বুঢ়াগোহাঁই আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে।

# শংকৰ-মাধৱ শিল্পী সমাজৰ গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ২৬ জুন ঃ** গুৰু দুজনাৰ অন্যতম সৃষ্টি নৃত্য, গীত, ভাওনাৰ জৰিয়তে শিশুসকলৰ সৰ্বাংগীণ বিকাশৰ অৰ্থে জন্ম লাভ কৰা বৰহোলাৰ শংকৰ-মাধৱ শিল্পী সমাজে শিশুসকলৰ মাজত এখন কৰ্মশালাৰ আয়োজন কৰিছে। দুই জুলাইৰ পৰা ১৭ জুলাইলৈকে অনুষ্ঠিত হ'ব লগা গ্ৰীষ্মকালীন কৰ্মশালাখনত খোলবাদন, বৰগীত, সূত্ৰধাৰ আৰু ভাওনা অভিনয়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। বৰহোলাৰ উৰংগীয়াল বৰনামঘৰত অনুষ্ঠিত হ'ব লগা কৰ্মশালাখনত মুখ্য প্ৰশিক্ষকৰূপে উপস্থিত থাকিব ভাওনাৰ সব্যসাচী ৰাকেশ লোচন বৰা, প্ৰশিক্ষকৰূপে উপস্থিত থাকিব পাৰ্থ প্ৰতিম বৰা, মৃদুল বৰা আৰু মনোজ শইকীয়া। কৰ্মশালাখন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে জয়ন্ত বৰুৱা, দেবেন বৰুৱা, ৰবীন মহন্ত, নিৰঞ্জন বৰুৱা, জয়ন্ত কছাৰী আৰু পলাশ শইকীয়াক ব্যৱস্থাপকৰূপে দায়িত্ব অৰ্পণ কৰিছে। ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলক শংকৰ-মাধৱ শিল্পী সমাজৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# ভাৰত-ইংলেণ্ড টেষ্টৰ প্ৰাককক্ষণত কৰ'নাৰ ত্ৰাস

## অনিশ্চিত ৰোহিত শৰ্মা-বেন ফ'কছ

**লণ্ডন, ২৬ জুন ঃ** কৰ'নাত আক্ৰান্ত হৈছে ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মা আৰু ইংলেণ্ডৰ ক্ৰিকেটাৰ বেন ফ'কছ। নিউজিলেণ্ডৰ বিৰুদ্ধে চলিত টেষ্টৰ সময়তে কৰ'নাত আক্ৰান্ত হৈছিল ফ'কছ। সেয়ে দলৰ পৰা বাদ দিয়া হৈছে তেওঁক। ইপিনে ভাৰতীয় দলৰ অধিনায়ক ৰোহিত শৰ্মাও কৰ'নাত আক্ৰান্ত হোৱাৰ কথা আজি বিচিচি আইৰ তৰফৰ পৰা সদৰী কৰা হৈছে। লিছেষ্টাৰৰ বিৰুদ্ধে খেলা প্ৰস্তুতি মেচখনৰ তৃতীয় দিনাৰ খেলৰ অন্তত আজি পুৱা ব'ৰ্ডে ৰোহিত কৰ'নাত আক্ৰান্ত হোৱা বুলি জনাইছে। উল্লেখ্য যে ভাৰত আৰু ইংলেণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ভাৰতীয় দলে ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা। বি চি চি আয়ে এই টেষ্টখনৰ বাবে ভাৰতীয় দলটো পূৰ্বেই ঘোষণা কৰিছে। ৰোহিত শৰ্মাৰ নেতৃত্বত ঘোষিত ভাৰতীয় দলটো হ'ল ঃ লোকেছ ৰাহুল, শুভমন গিল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, চেতেশ্বৰ পূজাৰা, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীন্দ্ৰ জাডেজা, ৰবীচন্দ্ৰন অশ্বিন, শ্বাৰ্দুল ঠাকুৰ, মহম্মদ ছামি, যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ, উমেশ যাদব আৰু প্ৰসিদ্ধ কৃষ্ণা। উল্লেখ্য ইংলণ্ড ভ্ৰমণত ভাৰতীয় ক্ৰিকেট দলে টেষ্ট মেচখন খেলাৰ পাছত তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাও খেলিব। ইতিমধ্যে ইংলণ্ড ক্ৰিকেট ব'ৰ্ডে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাৰ সূচীও ঘোষণা কৰিছে। সেই অনুসৰি অহা সাত, ন আৰু ১০ জুলাইত টি-২০ মেচ তিনিখন অনুষ্ঠিত হ'ব। আনহাতে ১২, ১৪ আৰু ১৭ জুলাইত তিনিখন এদিনীয়া মেচ খেলিব ভাৰত আৰু ইংলণ্ডে।








ৰাজকোটত অনুষ্ঠিত ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰত সোণ লাভ কৰা অসমৰ অন্বেষা খনিকৰ আৰু ব্ৰঞ্জ জয়ী ভূমিকা কাশ্যপ।

## গুৱাহাটীত অসম প্ৰিমিয়াৰ হেণ্ডবল লীগৰ প্ৰস্তুতি আৰম্ভ

**গুৱাহাটী, ২৬ জুন ঃ** অসম হেণ্ডবল সন্থাৰ উদ্যোগত আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সহযোগত অহা ১০ ৰ পৰা ১২ জুলাইলৈ গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব অসম প্ৰিমিয়াৰ হেণ্ডবল লীগ। এই প্ৰতিযোগিতাত দেশৰ ১০ টা দল ক্ৰমে পঞ্জাৱ পুলিচ, হাৰিয়ানা চাৰ্ভিচ, এছ এছ বি, হিমাচল হেণ্ডবল একাডেমী, বংগ, ত্ৰিপুৰা, অৰুণাচল, অসম আৰু মণিপুৰে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া অসমৰ প্ৰশিক্ষণ আৰু বাচনি শিবিৰ আজিৰে পৰা নাহৰকটীয়াত আৰম্ভ হৈছে।




## মুম্বাইক হৰুৱাই প্ৰথমবাৰৰ বাবে ৰঞ্জী চেম্পিয়ন মধ্যপ্ৰদেশ

**নতুন দিল্লী, ২৬ জুন ঃ** মুম্বাইক ছয় উইকেটত হৰুৱাই প্ৰথমবাৰলৈ ৰঞ্জী ট্ৰফীৰ চেম্পিয়ন হোৱাৰ গৌৰৱ লাভ কৰিছে মধ্যপ্ৰদেশে। উল্লেখ্য যে ২৩ বছৰৰ পিছত দ্বিতীয়বাৰ ৰঞ্জী ট্ৰফীৰ ফাইনেল খেলি সফলতা অৰ্জনৰে চেম্পিয়ন হয় মধ্যপ্ৰদেশ দলটো। পাঁচদিনীয়া মেচখনত জয়লাভৰ বাবে মধ্যপ্ৰদেশক ১০৮ ৰাণৰ প্ৰয়োজন হৈছিল। এই লক্ষ্য চন্দ্ৰকান্ত পণ্ডিতৰ দলে চাৰি উইকেট হেৰুৱাই সংগ্ৰহ কৰে। স্মৰ্তব্য যে কালি খেল শেষ হোৱাৰ সময়ত মুম্বাইৰ ৰাণ আছিল দুই উইকেটত ১১৩ ৰাণ। আজি মুম্বাইৰ দ্বিতীয় ইনিংছ শেষ হয় ২৬৯ ৰাণত। ইয়াৰপূৰ্বে মুম্বাই দলে প্ৰথম ইনিংছত ৩৭৪ ৰাণ কৰাৰ প্ৰত্যুত্তৰত মধ্যপ্ৰদেশে প্ৰথম ইনিংছত কৰিছিল ৫৩৬ ৰাণ।

## ৰাষ্ট্ৰীয় মাষ্টাৰ্চ এথলেটিকছত শুৱালকুছিৰ কিশোৰৰ পদক

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৬ জুন ঃ** গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত ৰাষ্ট্ৰীয় মাষ্টাৰছ এথলেটিকচ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰি পদক জয়েৰে শুৱালকুছিলৈ গৌৰৱ কঢ়িয়াই আনিছে কিশোৰ কুমাৰ দাসে। উল্লেখ্য যে প্ৰতিযোগিতাখনৰ ৩৫ বছৰ উৰ্ধ্বৰ শ্বটপুতত অংশগ্ৰহন কৰি কিশোৰে ৰূপৰ পদক অৰ্জন কৰে। শুৱালকুছি স্প'ৰ্টছ একাডেমীৰ খেলুৱৈ কিশোৰ কুমাৰ দাসৰ এই সাফল্যত শুৱালকুছিবাসীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে।



## অপৰাজেয় হৈ কোৱাৰ্টাৰ ফাইনেলত মণিপুৰ-বিহাৰৰ মহিলা ফুটবল দল

**গুৱাহাটী, ২৬ জুন ঃ** মনিপুৰ আৰু বিহাৰে চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখনৰ গ্ৰুপ 'এ'ৰ পৰা চেম্পিয়ন হৈ মনিপুৰে ন পইণ্ট লাভ কৰি নক আউট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। আজি হোৱা অন্তিমখন মেচত মণিপুৰে ১১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ঝাৰখণ্ডক। এই জয়ৰে দল অপৰাজেয় হৈ থাকি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিলে। উল্লেখ্য যে গ্ৰুপ 'এ' ত মণিপুৰৰ লগতে আছিল উত্তৰাখণ্ড, ঝাৰখণ্ড আৰু অন্ধ্ৰপ্ৰদেশ। আজি এই গ্ৰুপৰ আন এখন মেচত উত্তৰাখণ্ডে ৪-০ গ'লৰ ব্যৱধানত অন্ধ্ৰপ্ৰদেশক পৰাস্ত কৰি সন্তুষ্টিৰ সফলতা লাভ কৰে। ইফালে, বিহাৰ মহিলা দলেও অপৰাজেয় হৈ চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি হোৱা অন্তিম মেচত দলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মধ্যপ্ৰদেশক। এই জয়ৰে দলে ন পইণ্টৰে গ্ৰুপ 'চি'ৰ চেম্পিয়ন হোৱাৰ সূত্ৰে প্ৰৱেশ কৰিছে কোৱাৰ্টাৰ ফাইনেলত। উল্লেখ্য যে গ্ৰুপ 'চি' ত আছিল তেলেংগনা, বিহাৰ, মেঘালয়, দিল্লী আৰু মধ্য প্ৰদেশ। আজি এই গ্ৰুপ আন এখন মেচত দিল্লীয়ে ৭-০ গ'লৰ ব্যৱধানত মেঘালয়ক পৰাস্ত কৰে যদিও এই মেচৰ ফলাফল গুৰুত্বহীন হৈ পৰে।



## ৰাষ্ট্ৰীয় মাষ্টাৰ্চ এথলেটিকছত ঊষা নাথৰ দুটা সোণ অৰ্জন

অগ্ৰদূত বাৰ্তা

**জালাহ, ২৬ জুন ঃ** বাক্সা জিলাৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত জালাহ গাঁৱৰ খেলুৱৈ ঊষা নাথে ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুটা কৈ সোণৰ পদক লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে গুজৰাটৰ বাদোদৰাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় মাষ্টাৰ্চ এথলেটিকচ প্ৰতিযোগিতাত ঊষা নাথে অসমৰ হৈ যোগদান কৰিছিল। প্ৰতিযোগিতাত ৫৫-৫৯ বছৰ শাখাত ঊষা নাথে ডিচকাছ আৰু হামাৰ থ্ৰ'ত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। সৰুৰে পৰা খেলৰ লগত জড়িত থকা ঊষা নাথে এই বয়সতো শৰীৰ চৰ্চাৰ বাবে জিমলৈ যায়। ইয়াৰপূৰ্বে তেওঁ ভূটান-ভাৰত বন্ধুত্ব সংস্থাই আয়োজন কৰা মাৰাথান দৌৰত পদক লাভ কৰিছিল। ঊষা নাথে আন্ত:ৰাষ্ট্ৰীয় পৰ্যায়ত খেল খেলিবলৈ নিৰ্বাচিত হৈছে। ৰাষ্ট্ৰীয় খেলুৱৈ ঊষা নাথে এই সফলতাৰ আৰত স্বামী অৱসৰপ্ৰাপ্ত শিক্ষক মদন চন্দ্ৰ নাথ, কন্যা মনিকাঞ্চন নাথ আৰু জোৱাই মুন চাংমোৰ নাম উল্লেখ কৰি কৃতজ্ঞতা জ্ঞাপন কৰে। ঊষা নাথে ভাৰতৰ হৈ আন্তৰাষ্ট্ৰীয় খেলত অংশ লৈ অসমলৈ পদক জয় কৰাৰ দূৰ্বাৰ হেপাহ মনত পুহি ৰাখিছে।



### ডিমাকুছিত সামৰণি পৰিল ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবল

## কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা বংগৰ

**অগ্ৰদূত বাৰ্তা, টংলা, ২৬ জুন ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেছন আৰু অসম চৰকাৰৰ সহযোগত তথা অসম ফুটবল সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা চলিত ১৭ বছৰ অনূৰ্ধ্ব ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবল প্ৰতিযোগিতাৰ দুটা গ্ৰুপৰ খেল ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামতো অনুষ্ঠিত হৈছিল। উল্লেখ্য যে যোৱা ২১ জুনৰ পৰা আৰম্ভ হোৱা এই প্ৰতিযোগিতাৰ আজি ডিমাকুছিত হোৱা খেলৰ সফল সামৰণি পৰে। আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'এইচ'ৰ এখন মেচত বংগই ১৩-০ গ'লৰ বৃহৎ ব্যৱধানত জম্মু-কাশ্মীৰক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। উল্লেখ্য যে এয়া বংগৰ ক্ৰমাগত তৃতীয় বিজয়। নিজৰ অপৰাজেয় যাত্ৰা অব্যাহত ৰাখি গ্ৰুপ 'এইচ'ৰ পৰা চেম্পিয়ন হৈ বংগই ন পইণ্ট লাভ কৰি নক আউট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। এই গ্ৰুপৰ আজি হোৱা আন এখন মেচত তামিলনাডুৱে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰাজস্থানক। কিন্তু এয়া গুৰুত্বহীন হয়। উল্লেখ্য যে ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হৈছিল গ্ৰুপ 'জি' আৰু গ্ৰুপ 'এইচ' ৰ মেচ। গ্ৰুপ 'এইচ'ৰ পৰা বংগই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ইয়াৰপূৰ্বে গ্ৰুপ 'জি' ৰ পৰা হাৰিয়ানাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছিল। প্ৰতিযোগিতাখনৰ গ্ৰুপ মেচসমূহ অনুষ্ঠিত হয় সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত এতিয়া কোৱাৰ্টাৰ ফাইনেল, ছেমিফাইনেল আৰু ফাইনেল মেচ অনুষ্ঠিত হ'ব সৰুসজাইত।



## বিশ্বনাথ জিলা ক্ৰীড়া সন্থাৰ ফুটবল লীগ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চৰিআলি ,২৬ জুন ঃ** বিশ্বনাথ চাৰিআলি ষ্টেডিয়ামত বিশ্বনাথ জিলা ক্ৰীড়া সন্থাৰ সৌজন্যত অনুষ্ঠিত হৈ থকা ফুটবল লীগৰ আজিৰ খেলত অংশ লয় প্ৰতাপগড় চাহবাগান আৰু বিশ্বনাথৰ গোৱালতলী দলে। উল্লেখ্য যে উত্তেজনাপূৰ্ণ ৰোমাঞ্চকৰ মেচখন ২-২ গ'লত অমিমাংসিত হয়। ফলত প্ৰতাপগড় চাহবাগান আৰু বিশ্বনাথৰ গোৱালতলী দলে পইন্ট ভগাই লয়। বিশ্বনাথ চাৰিআলি ষ্টেডিয়ামত কাইলৈ হ'বলগা লীগৰ খেলত পাভৈ চাহবাগান দলে মোনাবাৰী চাহবাগান দলৰ বিৰুদ্ধে খেলিব বুলি জনাইছে আয়োজক বিশ্বনাথ জিলা ক্ৰীড়া সন্থাই।




ইংলণ্ডৰ সন্মুখত ২৯৬ ৰাণৰ বিজয়লক্ষ্য ৰাখিলে নিউজিলেণ্ডে

## চাৰি জুলাইৰ পৰা তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ ফুটবল লীগ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ ,২৬ জুন ঃ** তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা কালি সন্ধিয়া তামুলপুৰ প্ৰেছ ক্লাৱত অনুষ্ঠিত হয়। তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেৰেন বড়োৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত অহা জুলাইৰ পহিলা সপ্তাহৰ পৰা তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অধীনত অনুষ্ঠিত হ'বলগীয়া বিভিন্ন বিভাগৰ খেল সমূহ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তামুলপুৰ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক কমলা কান্ত বড়োই প্ৰকাশ কৰা মতে অহা চাৰি জুলাইৰ পৰা তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অধীনত ১৩ বছৰ অনুৰ্ধৰ ফুটবল লীগৰ খেল সমূহ তামুলপুৰত অনুষ্ঠিত হ'ব। আনহাতে সাত জুলাইৰ পৰা তামুলপুৰ ক্ৰীড়া সন্থাৰ অধীনত এ আৰু বি ডিভিজন ফুটবল লীগ সমূহো আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ইফালে, তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আন্তঃজিলা ছিনিয়ৰ ফুটবল প্ৰতিযোগিতাৰ 'ই' গ্ৰুপৰ খেলসমূহ অহা ২৮ জুলাইৰ পৰা তামুলপুৰত অনুষ্ঠিত হ'ব।

### অন্তিম আঠত অপৰাজেয় কেৰালাৰ মহিলা

## গ্ৰুপ চেম্পিয়ন হৈ কোৱাৰ্টাৰত দাদৰা আৰু নগৰ হাভেলিৰ দল

**গুৱাহাটী, ২৬ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে কেৰালা তথা দাদৰা আৰু নগৰ হাভেলিৰ ছোৱালী দলে। আজি হোৱা গ্ৰুপ 'ই' ৰ নিজৰ অন্তিম মেচত কেৰালা দলে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে লাডাখক। উল্লেখ্য যে এয়া কেৰালাৰ ক্ৰমাগত তৃতীয় বিজয়। নিজৰ অপৰাজেয় যাত্ৰা অব্যাহত ৰাখি গ্ৰুপ 'ই'ৰ পৰা চেম্পিয়ন হৈ কেৰালাই ন পইণ্ট লাভ কৰি নক আউট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে গ্ৰুপ 'ই' আছিল নগালেণ্ড, লাডাখ, পঞ্জাৱ আৰু কেৰালা। আজি এই গ্ৰুপ আন এখন মেচত পঞ্জাৱ আৰু নগালেণ্ডে ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে যদিও এই মেচৰ ফলাফল গুৰুত্বহীন হৈ পৰে। ইফালে, গ্ৰুপ 'এফ' ৰ পৰা চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে দাদৰা আৰু নগৰ হাভেলিৰ ছোৱালী দলে। চাৰিখন মেচৰ পৰা ১০ পইণ্ট সংগ্ৰহ কৰি গ্ৰুপ 'এফ'ৰ চেম্পিয়ন হোৱাৰ সূত্ৰে দলে প্ৰৱেশ কৰিছে কোৱাৰ্টাৰ ফাইনেলত। আজি হোৱা অন্তিম মেচত দাদৰা আৰু নগৰ হাভেলিয়ে ৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে চণ্ডিগড়ক। উল্লেখ্য যে গ্ৰুপ 'এফ' ত আছিল ত্ৰিপুৰা, ওড়িছা, মহাৰাষ্ট্ৰৰ দৰে শক্তিশালী দল। কিন্তু সকলোকে পিছ পেলাই যোগ্যতা অৰ্জন কৰিলে দাদৰা আৰু নগৰ হাভেলিয়ে। আজি হোৱা গ্ৰুপ 'এফ'ৰ আন এখন মেচত মহাৰাষ্ট্ৰই ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ওড়িছাক। কিন্তু এয়া গুৰুত্বহীন হয়।



## অসম এথলেটিকছৰ কাৰিকৰী প্ৰশিক্ষণ কৰ্মশালা

**গুৱাহাটী, ২৬ জুন ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত সৰুসজাই ক্ৰীড়া প্ৰকল্পত দুদিনীয়াকৈ অনুষ্ঠিত এথলেটিকছৰ কাৰিকৰী বিষয়াসকলৰ বিশেষ প্ৰশিক্ষণ কৰ্মশালাৰ আজি সফল সামৰণি পৰে। অসম এথলেটিকচ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে উদ্বোধন কৰা এই কৰ্মশালাত অসমৰ বিভিন্ন জিলাৰ প্ৰায় ডেৰ শতাধিক এথলেটিকছৰ কাৰিকৰী বিষয়াই অংশগ্ৰহন কৰে। কৰ্মশালাখনিত মুখ্য সমল ব্যক্তি ৰূপে উপস্থিত থাকি এথলেটিকচ ফেডাৰেচন অব ইণ্ডিয়াৰ কাৰিকৰী সমিতিৰ অধ্যক্ষ বি ষ্টেনলি জ'নচ আৰু ছিনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকচ কাৰিকৰী বিষয়া কলকাতাৰ সঞ্জয় ঘোষে অহা নৱেম্বৰত অনুষ্ঠিত হবলগীয়া ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকচ প্ৰতিযোগিতাত অসমৰ কাৰিকৰী বিষয়া সকলে যাতে সুন্দৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰে সেই উদ্দেশ্যৰে অনুষ্ঠিত এই কৰ্মশালাত দুয়োগৰাকী সমল ব্যক্তিৰ পৰা যথেষ্ট উপকৃত হোৱা বুলি উপস্থিত কাৰিকৰী বিষয়া সকলে মন্তব্য প্ৰকাশ কৰে।

